# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

**কাৰ্যবিৱৰণী**

**তাৰিখঃ ১২/০৯/২০২২ সোমবাৰ**

**আজি ইংৰাজী ১২-০৯-২০২২ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিৱেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, বিগত সময়ছোৱাত ৰাজ্য, দেশ তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত বিভিন্ন ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। তেখেতসকলৰ ভিতৰত অন্যতম মহাৰাণী এলিজাবেথ দ্বিতীয়ৰ যোৱা ইং. ৮ চেপ্তেম্বৰ, ২০২২ চনত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৬ বছৰ। ১৯২৬ চনত জন্মগ্ৰহণ কৰা এলিজাবেথ ডাঙৰীয়াণীয়ে ১৯৫২ চনত বৃটেইনৰ সম্ৰাজ্ঞীৰ আসনত অধিষ্ঠিত হৈ মৃত্যু পৰ্য্যন্ত প্ৰায় ৭ দশককাল দেশখনৰ শাসনভাৰ বহন কৰি বৃটেইনৰ সৰ্ব্বাধিক কাল শাসন কৰা বৃটেইনৰ ৰাণী হিচাপে পৰিগণিত হৈছে। মহাময়ী ব্যক্তিত্ব, কৰ্মদক্ষতা আৰু উদাৰবাদী চিন্তাৰে প্ৰায়ত এলিজাবেথ ডাঙৰীয়াণীয়ে বিশ্ব দৰবাৰত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। আমাৰ ৰাষ্ট্ৰখনৰ সৈতেও তেখেতৰ আছিল নিবিড় সম্পৰ্ক। তেখেতে ১৯৬১, ১৯৮৩ আৰু ১৯৯৭ চনত সৰ্ব্বমুঠ তিনিবাৰকৈ ভাৰতবৰ্ষলৈ আহিছিল। ১৯৬১ চনত প্ৰথম ভ্ৰমণৰ সময়ছোৱাত অন্যান্য কাৰ্য্যসূচীৰ লগতে দিল্লীৰ ৰামলীলা মৈদানত তেখেতৰ সন্মানৰ অৰ্থে আয়োজন কৰা এক বিশেষ জনসমাৰোহত উপস্থিত থাকি আপ্লুত হৈ পৰিছিল। এলিজাবেথ ডাঙৰীয়াণীয়ে ভাৰত চৰকাৰে আয়োজন কৰা সপ্তম Commonwealth প্ৰধান সকলৰ বৈঠকত অংশ ল'বৰ বাবে ১৯৮৩ চনত পুনৰবাৰ ভাৰত ভ্ৰমণলৈ আহে। পৰৱৰ্তী সময়ত ১৯৯৭ চনত ভাৰত চৰকাৰৰ আমন্ত্ৰণক্ৰমে দেশৰ ৫০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্য্যসূচীত ৰাজকীয় অতিথিৰূপে উপস্থিত থাকে। তদুপৰি এই গৰাকী বলিষ্ঠ নেত্ৰীয়ে মুখ্য পৃষ্ঠপোষক হিচাপে আজীৱন Commonwealth Parliamentary Association চমুকৈ CPA লৈ আগবঢ়োৱা অবদান চিৰস্মৰণীয় হৈ ৰব। এখেতৰ বিয়োগত সমগ্ৰ বিশ্বৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল। তাৰোপৰি এইকালছোৱাত আমি ৰাজ্যখনৰ ভালেকেইগৰাকী বৰেণ্য ব্যক্তিকো হেৰুৱালো। তেখেতসকল হৈছেঃ-

| | |
|---|---|
| ২) অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব- | -অৰুণোদয় ভট্টাচাৰ্য্য |
| ৩) বিশিষ্ট সমাজ বিজ্ঞানী, গৱেষক ও চিন্তাবিদ | - ড° প্ৰফুল্ল মহন্ত |
| ৪) লোক সংস্কৃতিৰ গৱেষক তথা সাহিত্যিক | - ড° প্ৰবীণ চন্দ্ৰ দাস |
| ৫) বিশিষ্ট সমাজকৰ্মী, সত্ৰাধিকাৰ তথা কৃতি শিক্ষক | - দেৱকান্ত মহন্ত |
| ৬) মিচিং স্বায়ত্ব সাহিত পৰিষদৰ প্ৰাক্তন উপ-মুখ্য কাৰ্য্যবাহী সদস্য | - পৰমানন্দ দলে |
| ৭) বিশিষ্ট বড়ো সাহিত্যিক তথা সদৌ বাথৌ মহা সভাৰ সভাপতি | - ডাঃ লীলাধৰ ব্ৰহ্ম |
| ৮) বিশিষ্ট নাট্যশিল্পী | - প্ৰবীণ শইকীয়া |
| ৯) বিশিষ্ট শিক্ষাবিদ, সংস্কৃত পণ্ডিত | - উমাকান্ত দেৱশৰ্মা |

অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোকপ্ৰাকশ কৰিছো।

এতিয়া প্ৰয়াত লোকসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি ক্ষন্তেক সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

(শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ অসম বিধান সভাৰ প্ৰধান সচিব ডাঙৰীয়াই সদনৰ এই শোক প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব)।

এতিয়া প্ৰশ্নকালীন ঘণ্টা। এতিয়া প্ৰশ্ন নং-১। শ্ৰী আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। কিন্তু উত্তৰটো স্পষ্ট নহয় আৰু মই নিজেও confuse হৈ আছো। SH-46 পথ নিৰ্মাণৰ ৪ টা Group আছিল। তাৰ ৩ টা কাম হৈ গৈছে আৰু C Group ৰ এটা কাম হোৱা নাই। মই প্ৰশ্ন কৰিছিলো C Group ৰ কেনেকৈ ৰিপিয়াৰিংৰ কাম কৰা হৈছে? উত্তৰত কোৱা হৈছে যে B Group ৰ কামৰ পৰা পইচা ৰাহি হৈছিল আৰু সেই টকাৰে C Group ৰ কাম কৰা হৈছিল। সেই টকা ৰাহি কেনেকৈ হ'ল? তাৰ মানে B Group ৰ টকাৰে C Group ৰ কাম কৰিলে। B Group ৰ কিছু কাম নকৰাৰ কাৰণে টকা বাচিলে আৰু সেই টকাৰে C Group ৰ কাম কৰা হ'ল। যদিও ঠিকাদাৰৰ লোকচান হ'ল কিন্তু কামখিনি দৰকাৰী আছিল। যেনে- ড্ৰেইন, দেভাৰ ব্লকৰ চাইড বামকেইটা কৰিব লাগে। কিন্তু ঠিকাদাৰে সেই কামকেইটা নকৰিলে আৰু সেইকাৰণে টকাখিনি বাচি যোৱাৰ কাৰণে সেই টকাখিনিৰে C Group ৰ কাম কৰা দেখুৱালে। এই C Group তে কেলেংকাৰীখিনি হ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এইখিনি তদন্ত কৰিবৰ বাবে মই প্ৰশ্নটো আনিছো। এই কামটো প্ৰায় ৫ কোটি টকাৰ আছিল। কিন্তু কামখিনি নকৰিলে। মই কথাখিনি ভালকৈ বুজাব পাৰিছোনে নে নাই নাজানো। B Group ৰ টকাৰে C Group ৰ কাম কৰিলে। অথচ সেই আইটেমখিনি লোকচান হোৱাৰ কাৰণে ঠিকাদাৰে টকাখিনি বচাই C Group ৰ কাম লামচামকৈ কৰি ঠিকাদাৰে পইচাখিনি ল'লে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়কজনে যিখিনি কথা কৈছে, আচলতে কথাখিনি তেনেকুৱা নহয়। SH-46 ত মুঠতে আছে ৪১.২২ কিলোমিটাৰ। যেতিয়া World Bank ৰ অধীনত আমি কামটোৰ বাবে টকা পাইছিলো আমি A,B,C,D ৪ টা গ্ৰুপ কৰি নিবিদা আহ্বান কৰিছিলো। যেতিয়া নিবিদা আহ্বান হ'ল A, B আৰু D অংশটো ভালে ভালে হ'ল। কিন্তু C অংশটোৰ কাম ঠিকাদাৰক দিয়া নিদিয়াক লৈ হোৱা খেলিমেলিৰ বাবে মহামান্য আদালতৰ ওচৰলৈ গুচি গ'ল। মহামান্য আদালতে Stay Order

দিলে। কিন্তু আমি Stay Order vacated কৰিব নোৱাৰিলো। যেতিয়া আমি দেখিলো যে A, B আৰু D অংশটো হৈ গ'ল আৰু C অংশটো আমি কৰিব পৰা নাই আৰু দৃষ্টিকটু হৈ আছে। তেতিয়া আমি বিশ্ব বেংকক জনালো যে যদিও আমি মূল কামটো কৰিব নোৱাৰো তথাপিতো আমাক ৰিপিয়াৰিং কৰাৰ বাবে এষ্টিমেট এটা অনুমোদন কৰক। তেতিয়া বিশ্ব বেংকে অতিৰিক্ত ৪,৯৬,২৫,৫১৩ টকাৰ estimate এটা আমাক এপ্ৰোভ কৰি দিলে লগতে নতুনকৈ tender নকৰাকৈ 'B' Group ৰ ঠিকাদাৰে কামখিনি কৰাৰ বাবে বিশেষ অনুমোদন দিলে। কিয়নো আমি তেতিয়া কামটোৰ শেষৰ ফালে উপনীত হৈছিলো। 'B' Group ৰ ঠিকাদাৰজনে নিজৰ কামখিনি কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ কৰিছে আৰু ইয়াৰ ওপৰত বিশ্ব বেংকেও inspection কৰিছে। এই সমগ্ৰ project টো তেওঁলোকে good category তে close কৰিছে। কিন্তু, 'C' Groupৰ ক্ষেত্ৰত মাত্ৰ ৫ কোটি টকা বিশ্ব বেংকৰ পৰা specially লোন লৈ যেনে তেনে repairing কৰি কামখিনি সম্পূৰ্ণ কৰো। 'C' Group ত repairing ইত্যাদিৰ কাম আছিল, drain আদি একো বনোৱা নাছিল, ২০১৮ চনত তাত বানপানীত দলং উটি যোৱাৰ ফলত সদায় দলংখন বনাব লগীয়া হৈছিল আৰু সেয়েহে 'C' Group এ কাম কৰিবৰ বাবে ১.৯৮ কোটি টকাৰ estimate approve কৰিছিলো। তাত আন এজন ঠিকাদাৰে সেই কামটো কৰি আছে আৰু আমি তেওঁক এতিয়ালৈকে ৬০ লাখ টকা দিছো। ইয়াৰ পিছত আমাৰ বিভাগে State Highway ৰ প্ৰায় ১০.২৫ কিঃমিঃ কাম কৰাৰ বাবে ৫০ কোটি টকাৰ প্ৰাক্কলন এটা বনাইছে। কিন্তু এই টকা আমি ক'ৰ পৰা ল'ম, কোনটো Head ত কৰিম, ইমান টকা আমি যোগাৰ কৰিব পাৰিম নে নাই ইত্যাদি কথাবোৰৰ বাবে এই আঁচনিখন বিবেচনাধীন হৈ আছে আপোনালোকে জানে যে হাইকোৰ্ট নহ'লে 'C' Group ৰ কামখিনিও ধুনীয়াকৈ হৈ গ'লহেঁতেন।

**মাননীয় অধ্যক্ষঃ** Second supplementary.

**শ্ৰী আবুল কালাম ৰছিদ আলম ( পূব গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, মোৰ সন্দেহ হয় যে ৫ কোটি টকাত যিমানখিনি কাম হ'ব লাগিছিল হয়তো সিমানখিনি হোৱা নাই। আনহাতে, আমাৰ মুখ্যমন্ত্ৰী মহোদয় অৱগত যে বঙাইগাওঁ যাওঁতে নৰনাৰায়ণ সেঁতু পোৱাৰ আগত শোলমাৰীৰ পৰা টাউনত সোমাই যোৱা ৰাস্তাটো খুবেই বেয়া। সেই ৰাস্তাৰ কাম চলাৰ পিছতো ৰাস্তা ভাঙিয়েই আছে। গতিকে, মোৰ অনুৰোধ 'C' Group ত সেই ৰাস্তাটো ভাল কৰি দিব লাগে। অধ্যক্ষ মহোদয়, গোৱালপাৰা চহৰত ব্ৰিটিছৰ দিনতে বনোৱা কেইবাখনো দলং আছে, সেইবোৰ এইবাৰো ভাঙিছে। গতিকে, এইখিনিৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় মুখ্যমন্ত্ৰী, অসমঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে ৫ কোটি টকাৰ কাম কিদৰে হ'ল তাৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে। কিন্তু, ২০১৯ চনতেই বিশ্ব বেংকৰ পৰা ইয়াৰ ওপৰত ভাল Closure Report আহিছে। ফিল্ডত মই দেখা নাই, কিন্তু মোৰ ওচৰত থকা নথি-পত্ৰ অনুসৰি এই টকাখিনিৰ উচিত ব্যৱহাৰ হৈছে। ইয়াৰ ওপৰত third party inspection ও হৈছে। তথাপিও বিধায়ক ডাঙৰীয়াই estimate খন বিচাৰিলে Executive Engineer এ দিব আৰু সেইমতে কাম হৈছে নে নাই তেওঁ চাব পাৰিব। আনহাতে, গোৱালপাৰা জিলাৰ ৰাস্তা-ঘাটৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আমাৰ উন্নত পকীকৰণৰ যি চাৰিখন আঁচনি আছে, সেইখন ঠিক হোৱাৰ পিছত চহৰ সমূহৰ বাবে আমি কিমান পুঁজি দিব পাৰিম তাৰ ওপৰত বিচাৰ বিবেচনা কৰি আছো। এই ক্ষেত্ৰত National Highway ৰ পৰা গোৱালপাৰালৈ যোৱা

ৰাস্তাটোত যদি পুঁজি আহে তেন্তে তাত অগ্ৰাধিকাৰ দিয়াৰ বাবে মই উপায়ুক্তকো কৈ দিম।

**মাননীয় অধ্যক্ষঃ** আব্দুল ৰশিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল ( পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু গোৱালপাৰাৰ কথা উল্লেখ হৈছে, আমাৰ মুখ্যমন্ত্ৰী মহোদয় নিশ্চয় জ্ঞাত যে ২০১৮ চনত PMGSY-II ৰ অধীনত গোৱালপাৰা Divisionত এটাও ৰাস্তা দিয়া নাই। PMGSY-III বা IV ৰ প্ৰগ্ৰেমবোৰ বেলেগ বেলেগ হৈ আছে। গতিকে, PMGSY-IIৰ অধীনত গোৱালপাৰা Divisionত যিমানবোৰ ৰাস্তা approve হৈ আছিল, সেই ক্ষেত্ৰত PMGSY-II ৰ যিখিনি provision আছে, সেইখিনি যাতে restore কৰিব পৰা যায় । লগতে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পকী পথ নিৰ্মাণ আঁচনিত এই ৰাস্তা সমূহকো অন্তৰ্গত কৰিবলৈ বিবেচনা কৰাৰ বাবে মই অনুৰোধ জনালো। আনহাতে, আপুনি দিয়া আশ্বাস অনুসৰি পঞ্চৰত্নৰ পৰা ফকিৰগঞ্জলৈ ৰাস্তা নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ হ'ব?

**মাননীয় মুখ্যমন্ত্ৰী, অসমঃ** অধ্যক্ষ মহোদয়, PMGSY-II ৰ যিখিনি বৈশিষ্ট্য আছিল, সেইখিনি এতিয়া সলনি হ'ল। এতিয়া কেৱল imporatant institution সংযোগী ৰাস্তা সমূহৰ নিৰ্মাণৰ বাবেহে দিছে। গতিকে, PMGSY-II ত নোহোৱা বা drop হৈ যোৱা ৰাস্তা আকৌ যে PMGSY ত ল'ব পৰা যাব সেইটো মই আশা নকৰো। তথাপিও মই বিভাগীয় বিষয়াসকলক এই বিষয়ে সুধিম। মোৰ লগত readymade উত্তৰখিনি নাই। মই চাইহে ক'ব পাৰিম। SH-46 ৰ ‘C’ Group ত আমি এটা প্ৰাক্কলন প্ৰস্তুত কৰিছো আৰু যিমান সোনকালে পাৰো ‘C’ Group ৰ কাম কৰাৰ বাবে চেষ্টা কৰিম। কিন্তু, আজি commitment দিবলৈ অলপ অসুবিধা হ'ব। আমি চাৰিখন ডাঙৰ আঁচনিৰ কাম কৰি থকাৰ বাবে কিমান টকাৰ প্ৰয়োজন হ'ব বা কিমান টকা খৰচ হ'ব বা কিমান টকা জমা হ'ব ইত্যাদি tender হোৱাৰ পিছতহে গ'ম পাম। সেইকাৰণে মোক অলপ সময় দিয়ক মই আপোনাক জনাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ড° পৰমানন্দ ৰাজবংশী। প্ৰশ্ন নং-০২।

মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বড়া, মাননীয় মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** Supplementary.

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই উত্থাপন কৰা প্ৰশ্নৰ সন্দৰ্ভত মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে দিয়া উত্তৰ বহু ক্ষেত্ৰত যথাযথ হোৱা নাই বুলি মই অনুভৱ কৰো। প্ৰথমতে, মই মাননীয় সদনক এটা কথা জনাব খুজিছো যে আজি মোৰ প্ৰশ্নটোৰ বিষয়-‘ওজা-পালিৰ সংৰক্ষণ ও সংবৰ্ধন’টো ‘ওজা-পালিৰ সংৰক্ষণ আৰু সংবৰ্ধন’টো হ'ব লাগিছিল। ইয়াত দিয়া ‘ও’ টো বাংলা ভাষাৰহে শব্দ। আনহাতে, প্ৰশ্নটোৰ উত্তৰ সন্দৰ্ভত মন্ত্ৰী মহোদয়ৰ পৰা ইয়াত যিখিনি তথ্য দিয়া হৈছে বা বক্তব্য প্ৰদান কৰা হৈছে, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে চৰ্যাপদ প্ৰাচীন কামৰূপৰ এক বিশিষ্ট পৰিবেশ্য কলা আৰু ই কেনেধৰণে প্ৰাচীন কামৰূপৰ পৰা গৈ নেপালত আজি সংৰক্ষিত হৈ আছে সেই সম্পৰ্কে সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী মহোদয়ৰ তত্বাৱধানত আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ আশীৰ্বাদত আমি এক অনুষ্ঠানৰ আয়োজন কৰিছিলো । এই কলাবিধ কেনেকৈ অসমলৈ আনি আগৰ ৰূপত সজাব পাৰি সেই সন্দৰ্ভত ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নেপাল বা অন্যান্য দেশৰ পৰা যিসকল শিল্পী তথা

বিশেষজ্ঞ আহিছে তেওঁলোকৰ লগত কথা বতৰা পাতিছে। মই মাথো এটা কথা ক'ব খুজিছো যে ওজাপালি বিয়াহৰ ধাৰাটো এটা শাস্ত্ৰীয় গুণ সম্পন্ন। তাৰ আগতেই সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি পাইছে। ওজাপালিক প্ৰথমতে ৰাষ্ট্ৰীয় স্বীকৃতি দিব লাগিছিল আৰু যদি দিয়া হোৱা নাই, তেন্তে আমি ইয়াৰ ব্যৱস্থাটো এই কাৰণেই কৰিব লাগে কিয়নো শ্ৰীমন্ত শংকৰদেৱ অৰ্থাৎ আমাৰ গুৰুজনাও ওজাপালিৰেই পৰিবেশ্য কলাৰ এগৰাকী শিল্পী আছিল। কথা গুৰুচৰিতত এই সম্পৰ্কে উল্লেখ আছে। মই ক'ব খুজিছো যে আজি সত্ৰীয়া নৃত্যই স্বীকৃতি পোৱাৰ বাবে ই যি ধৰণে উজ্জীৱিত হৈছে, একে ধৰণে ওজাপালি যিহেতু প্ৰাচীন কামৰূপৰ পৰিবেশ্য কলাৰ আত্মা, গতিকে মই ভাৱো যে এই সন্দৰ্ভত আমাৰ চৰকাৰখনে এক বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া ভাষা, সাহিত্য সংস্কৃতিৰ এক নিৰ্ভৰযোগ্য উৎস চৰ্য্যাপদ প্ৰাচীন অসমৰ এক সম্পদ আৰু এই ঐতিহ্যপূৰ্ণ সম্পদ আমি পুনৰ প্ৰতিষ্ঠা কৰিবৰ কাৰণে অসমৰ চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে চিন্তা-চৰ্চা কৰা হৈছে। এই ক্ষেত্ৰত ৰাজবংশী ডাঙৰীয়াও আমাৰ লগত যোগাযোগ ৰাখি আহিছে আৰু তাৰে পৰিপ্ৰেক্ষিতত যোৱা ৩ আগষ্টৰ পৰা ৬ আগষ্টলৈকে অসমৰ চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত আৰু অসম কলাতীৰ্থ মেঘালয়ৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু দিছপুৰ মহাবিদ্যালয়ৰ সহযোগত চৰ্য্যাপদ আৰু ভাষা, সাহিত্য, সংস্কৃতি বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু কৰ্মশালা আমি অনুষ্ঠিত কৰিছিলো। এই সন্মিলনীত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল, বাংলাদেশৰ লগতে ভাৰতৰ কেইবাগৰাকীও শিক্ষাবিদ সাংস্কৃতিক গৱেষক, শিল্পী, দল ইত্যাদিয়ে অংশগ্ৰহণ কৰিছে। এই প্ৰাচীন সংস্কৃতিক এতিয়াও বহুলোকে চৰ্চা কৰি আছে আৰু ৰাজবংশী ডাঙৰীয়াও কোৱাৰ ধৰণে বহু সংখ্যক লোক এতিয়া বিভিন্ন কাৰণত নেপাললৈকে গুছি গ'ল। তথাপিও এই ক্ষেত্ৰখনৰ লগত জড়িত হৈ থকা বিশিষ্ট ব্যক্তি সকলকো আমাৰ চৰকাৰৰ তৰফৰ পৰা বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়োৱা হৈছে। এইবাৰ ৰাজ্যিক পৰ্য্যায়ৰ যি বিষ্ণুৰাভা বঁটা বিশিষ্ট ওজাপালি সাধক দ্ৰোণা ভূএগ ডাঙৰীয়াকো আমি অৰ্পণ কৰিছো। গতিকে আমি নিশ্চয় এই সংস্কৃতিক পুনৰ জনসাধাৰণৰ মাজত চৰ্চা কৰিবৰ কাৰণে আমাৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মাননীয় বিধায়ক ডাঙৰীয়াও যিহেতু সেই অঞ্চলৰ পৰা প্ৰতিনিধিত্ব কৰে আৰু ভাষা, সাহিত্য, সংস্কৃতিত যথেষ্ট দক্ষতা আছে, গতিকে আমাৰ বিভাগৰ লগত যোগাযোগ কৰিলে আমি আগুৱাই লৈ যাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Second Supplementary.

**শ্ৰীপৰমানন্দ ৰাজবংশী, চিপাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন সুধিব বিচাৰিছো যে ওজাপালি যিহেতু সমগ্ৰ অসমৰ পৰিবিষ্ট কলা সমূহৰ পিতৃ-মাতৃ স্বৰূপ, এই ওজাপালি দলসমূহৰ যিটো অৱস্থা সেইটো একেবাৰে শোচনীয়। তেখেত সকলে অতি কষ্টৰ মাজেৰে এই কলাটো জীয়াই ৰাখিছে। গতিকে এই শিল্পী সকলক যাতে বিশেষভাৱে আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰে। মই তাৰবাবে মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু সাংস্কৃতিক মন্ত্ৰী ডাঙৰীয়াক আবেদন জনালো।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ওজাপালিৰ লগত জড়িত হৈ থকা প্ৰায় ৮৭৭ জন শিল্পীক আমি ২০২০ বৰ্ষত প্ৰায় ৬০০০ টকাকৈ প্ৰদান কৰিছো ক'ভিড সৃষ্ট পৰিৱেশৰ কাৰণে। মাননীয় সদস্য গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে আমি নিশ্চিতভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি তেখেত সকলক সহায় কৰিবলৈ প্ৰয়াস কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী বসন্ত দাস।

**শ্ৰী বসন্ত দাস, মঙ্গলদৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দৰং আৰু ওদালগুৰিত দুৰ্গাপূজা, মনসা পূজা আদিত ওজাপালি অবিচ্ছেদ্য অংগ। এই ওজাপালিৰ সম্পৰ্কত ৰাজবংশী ডাঙৰীয়াই যি আবেদন কৰিছে মই সেয়া সহযোগ কৰিছো। ওজাপালিৰ যিসকল শিল্পী আছে তেওঁলোকে আৰ্থিকভাৱে যথেষ্ট পিছপৰা। তেওঁলোকক সাহায্য দিয়া বুলি এইমাত্ৰ মন্ত্ৰী মহোদয়ে ক'লে যে ২০২০ চনত মাত্ৰ ৮৭৭ জনক দিলে। কিন্তু তাৰ পাছত ২০২১ আৰু ২০২২ চনত সাহায্য দিয়া হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাম যাতে তেখেত সকলক এটা ভাল আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰে।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** চৰকাৰে এই ক্ষেত্ৰত বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা, নগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিহাস প্ৰসিদ্ধ পুতলা নাচ, কেইবাশ শতিকাৰ এটা পুৰণা ইতিহাস, শ্ৰী মন্ত শংকৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞাৰ চোতালত পুতলা নাচ দেখুওৱাৰ ইতিহাস আছে। কিন্তু এই পুতলা নাচ বৰ্তমান লুপ্ত হৈছে। যদিও উৰিষ্যা, ৰাজস্থান, তামিলনাডু আদিত এতিয়াও পুতলা নাচৰ সুন্দৰ প্ৰচলন আছে আৰু অসমতো এতিয়াও বহুখিনি শিল্পী আছে, প্ৰায় ১৩ শতাধিক, যিসকলে পুতলা নাচ প্ৰদৰ্শন কৰি আছে। গতিকে পুতলা নাচৰ প্ৰসাৰৰ ক্ষেত্ৰত বা শিল্পী সকলক সাহায্য দিয়াৰ ব্যৱস্থা আদি কৰিব পাৰো নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুতলা নাচৰ লগত জড়িত শিল্পী সকলে বৰ্তমানলৈ চৰকাৰৰ ওচৰত কোনো আবেদন কৰা নাই। ভৱিষ্যতে যদি তেওঁলোকে চৰকাৰৰ লগত যোগাযোগ কৰে, পুতলা নাচৰ সভাপতি ডাঙৰীয়াও যিহেতু ইয়াত বহি আছে গতিকে নিশ্চয় এইক্ষেত্ৰত আমি চিন্তা চৰ্চা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩, শ্ৰী আব্দুল বাতিন খণ্ডকাৰ। মন্ত্ৰী মহোদয়।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, অভয়াপুৰী (উত্তৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪৫ বছৰৰ ভিতৰত দেশত সৰ্বাধিক নিৰনুৱা সমস্যা গা কৰি উঠিছে। চৰকাৰী চাকৰি বছৰত ১.৫ লাখকৈ দিলেও এই সমস্যা সমাধান নহ'ব। গতিকে যিবিলাক ৰাজহুৱা প্ৰতিষ্ঠান বন্ধ হৈ আছে এই সমূহ সুচল কৰি বা বিশেষ উদ্যোগ স্থাপনৰ জৰিয়তে ৰাজ্যখনৰ যুৱক-যুৱতী বা প্ৰশিক্ষণ প্ৰাপ্ত যুৱক-যুৱতী সকলৰ বাবে নিয়োগ সৃষ্টি কৰাৰ time bound কিবা পৰিকল্পনা আছে নেকি? যদি আছে সদনত জনাওক।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ সূচীত অন্তৰ্ভূক্ত প্ৰায় ৪১ টা ৰাজহুৱা প্ৰতিষ্ঠান আছে আৰু বিভিন্ন সময়ত বিভিন্ন কাৰণত বহু কেইটা উদ্যোগ প্ৰতিষ্ঠান বন্ধ হৈছে। ২০০৬ চনৰ পৰা প্ৰায় ২০১০-১১ ৰ ভিতৰত প্ৰায় ১৪ টা, State Budget ৰ অধীনত প্ৰায় ৩ টা প্ৰতিষ্ঠান ইতিমধ্যে বন্ধ ঘোষণা কৰা হৈছে আৰু এই বন্ধ হৈ থকা উদ্যোগ সমূহৰ মাটি-বাৰী বা আন্তঃগাঁথনি আদিত বিকল্প আঁচনি লোৱাৰ বাবে বিভিন্ন চিন্তা- চৰ্চা চৰকাৰৰ তৰফৰ পৰা কৰা হৈছে। আপুনি কোৱাটো একবাৰে সঁচা, অসমত এক ঔদ্যোগিকৰণ পৰিৱেশৰ জৰিয়তে যথেষ্ট কৰ্ম সংস্থাপন সৃষ্টি কৰাৰ সম্ভাৱনা আছে। চৰকাৰে বিভিন্ন প্ৰয়াস কৰি

আহিছে। আমাৰ চৰকাৰৰ ফালৰপৰা Advantage Assam হৈছে। বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠানত বহু হাজাৰ কোটি টকা বিনিয়োগ হৈছে। আগন্তুক দিনতো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উদ্যোগত আমি বিভিন্ন ধৰণৰ উদ্যোগ স্থাপনৰ বাবে প্ৰয়াস চলাই আছো। নিশ্চিতভাৱে অসমক এখন ভাল ঔদ্যোগিক ৰাজ্য হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, অভয়াপুৰী (উত্তৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বঙ্গাইগাওঁ জিলাৰ নোৱাপাৰাত, মানিকপুৰৰ ওচৰত এটা সূতা কল আছিল। এই কলৰ ঠাইত চৰকাৰে যি বিকল্প ব্যৱস্থা লৈছে তাৰবাবে মই চৰকাৰক ধন্যবাদ জনাইছো। এই ঔদ্যোগিক পামটোৰ নাম দিয়া হৈছে 'ঔদ্যোগিক পাম বিজনী'। বিজনী হৈছে চিৰাং জিলাত আৰু এই ঔদ্যোগিক পামটো হৈছে মানিকপুৰৰ ওচৰত বঙ্গাইগাওঁত। গতিকে ৰাইজে বিচাৰিছে ঔদ্যোগিক পামটোৰ নাম মানিকপুৰ কৰা হওক বা বঙ্গাইগাওঁ কৰা হওক।

**শ্ৰীবিমল বৰা, মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি ঃ** এই ক্ষেত্ৰত চৰকাৰে বিভিন্নধৰনৰ প্ৰয়াস কৰি আহিছে আমাৰ চৰকাৰৰ উদ্যোগত । এডভান্টেজ আসাম হৈছে । নুমলীগড় ৰিফাইনেৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠানত বহু হাজাৰ কোটি টকা বিনিয়োগ হৈছে । আমাৰ অসমক এখন ভাল উদ্যোগিক ৰাজ্য হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত আমি উদ্যোগ গ্ৰহণ কৰিম ।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ, উত্তৰ অভয়াপুৰী ঃ** অধ্যক্ষ মহোদয়,বঙাইগাওঁ জিলাৰ মানিকপুৰৰ ওচৰৰ নোৱাপাৰাত এটা সুতা কলৰ মিল আছিল। সেই মিলৰ ঠাইত বিকল্প উদ্যোগ স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে তাৰ বাবে চৰকাৰক ধন্যবাদ জনাইছো । কিন্তু ছাৰ উদ্যোগ পামটোৰ নাম দিয়া হৈছে উদ্যোগিক পাম বিজনী । বিজনী হৈছে চিৰাং জিলাত আৰু নোৱাপাৰা হৈছে বঙাইগাওঁ জিলাৰ মানিকপুৰৰ ওচৰত। গতিকে ৰাইজে বিচাৰিছে উদ্যোগিক পামটোৰ নাম উদ্যোগিক পাম বঙাইগাওঁ বা মানিকপুৰ কৰা হওঁক ।

**শ্ৰীবিমল বৰা,. মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি ঃ** অধ্যক্ষ মহোদয় সন্মানীয় সদস্যগৰাকীয়ে যিটো কৈছে আমি ব্যৱস্থা ল'ম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ....... এতিয়া অখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয় ইয়াত যিটো উত্তৰ দিছে সেই মতে অসমত মুঠ উদ্যোগ - ৰাজহুৱা খণ্ডৰ ৪১ টা । বন্ধ হৈছে ১৭ টা, অচল হৈছে ৩ টা মানে মুঠ ২০ টা নাই, এতিয়া আছে ২১ টা । আমি শুনি থাকো যে এই চৰকাৰখন সাংঘাতিকভাবে দক্ষ চৰকাৰ । এই চৰকাৰে সাংঘাতিকভাবে কাম কৰে । কিন্তু কি কাৰণে এনেধৰনে এটা এটাকৈ উদ্যোগ মৰিবলৈ দিয়া হৈছে। আৰু এতিয়া যি ২১ টা উদ্যোগ আছে, তেওঁলোকে এইকেইটা মৰিবলৈ দিবনে নতুনকৈ পূনৰ্জ্জীবিত কৰি তাত আৰু বেছিকৈ ইনভেষ্টমেন্ট কৰি তাক অধিক সক্ৰিয় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব । তেনেধৰণৰ এটা উদ্যোগিক নীতি ল'বনে, এটা এটাকৈ ৰাজহুৱা উদ্যোগ মৰিবলৈ দিব ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ৰ উত্তৰ ।

**শ্ৰীবিমল বৰা,. মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিবিলাক উদ্যোগ অচল আৰু বন্ধ হৈ গৈছে এইবিলাক আমাৰ চৰকাৰৰ দিনত হোৱা নাই । ২০০৫- ০৬ পৰা ২০১০-১১ ভিতৰত ১৪ টা ষ্টেট বাজেটৰ অধীনত ৩ প্ৰতিষ্ঠান এনেধৰনে বন্ধ কৰা হৈছে । গতিকে আমাৰ চৰকাৰৰ দিনত নতুনকৈ উদ্যোগিক বিনিয়োগ হৈছে। বিভিন্নধৰণৰ উদ্যোগ ইয়াত স্থাপন হৈছে

**শ্ৰীবিমল বৰা,. মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি ঃ** নতুন উদ্যোগ কেইটা স্থাপন হ'ল।

আপোনালোকে ৰাজহুৱা খণ্ডত উদ্যোগ স্থাপন কৰিছে নেকি ?

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া মন্ত্ৰীৰ উত্তৰটো শুনক । বহকছোন ।

**শ্ৰীবিমল বৰা, মন্ত্ৰী, উদ্যোগ ও বাণিজ্য ইত্যাদি ঃ**আপুনি প্ৰশ্ন কৰিব, মই ভালধৰনে উত্তৰ দিম। অসমত কিমান হাজাৰ কোটি টকা বিনিয়োগ হৈছে এই সম্পৰ্কে আমাৰ হাতত তথ্য আছে । আপুনি যেতিয়া বিচাৰিব তেতিয়া আমি ভালধৰনে উত্তৰ দিম । কিন্তু যিখিনি উদ্যোগ বন্ধ হৈছে , সেইখিনি আমাৰ চৰকাৰৰ দিনত হোৱা নাই। ২০১০-১১ চনৰ ভিতৰত এইখিনি বন্ধ হৈছে । বৰঞ্চ আমাৰ চৰকাৰৰ দিনত নতুন নতুন উদ্যোগ স্থাপন কৰাৰ প্ৰয়াস চলি আছে । এতিয়ালৈকে প্ৰায় এক লাখ কোটি টকাৰ ওচৰা - ওচৰি যোৱা ৬ টা বছৰৰ ভিতৰত বিনিয়োগ সম্ভৱপৰ হৈছে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ**আমাক ৰাজহুৱা খণ্ডৰ উদ্যোগৰ নাম লাগে যিটো নতুনকৈ এই চৰকাৰে বনাইছে । নাম কওঁক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এই চৰকাৰৰ নীতি হ'ল- আমি ৰাজহুৱা খণ্ডত উদ্যোগ স্থাপন কৰিব নোখোজো । আমি ব্যক্তিগত খণ্ডত বিনিয়োগ কৰিব খোজো । ৰাজহুৱা খণ্ডৰ উদ্যোগৰ পৰিৱৰ্তে স্বাস্থ্য, শিক্ষা, অঙ্গনবাদী কেন্দ্ৰ এইবিলাকত আমি পুঁজি বিনিয়োগ কৰিব খোজো । গতিকে lost making private Industry ধন বিনিয়োগ কৰি ৰাজ্যখনৰ হাজাৰ হাজাৰ নাগৰিকক স্বাস্থ্য , শিক্ষা, ৰাস্তা আদিৰ পৰা বঞ্চিত কৰাটো আমাৰ চৰকাৰৰ নীতি নহয় ।গতিকে আমি বিচাৰো যে, Government should control State Law and order; শিক্ষা, স্বাস্থ্য ইত্যাদি । ইণ্ডাষ্ট্ৰি চলোৱা কামটো চৰকাৰৰ নহয় , কাৰণ বাৰে বাৰে চৰকাৰ লোকচানত আহে । তাৰ লগত একাংশ মানুহৰ সমস্যাই মানবীয় সমস্যাৰ ৰূপ লয় । গতিকে ইণ্ডাষ্ট্ৰি চলোৱা আমাৰ কোনো অভিপ্ৰায় নাই । because we are not industralist. ভাৰত চৰকাৰে ইতিমধ্যে মিক্সড ইক'নোমিৰ পৰা যাত্ৰা আৰম্ভ কৰিছে । because we do not subscribed to the socialism. আমি চোচিয়েলইজিমক চাবচক্ৰাইব নকৰো । গতিকে public sector industry was a concept of a socialism. আমি যিহেতু সমাজবাদী নহয় উই ডু নট চাপ'ৰ্টি চোচিয়েলইজিম। গতিকে আমি কিয় ইণ্ডাষ্ট্ৰি লগাম ? আমি এটা ইণ্ডাষ্ট্ৰি কৰিম,তাত ১০০ কোটি টকা দিম । তাৰ পিচত তাত ৫০ কোটি লষ্ট হ'ব। আকৌ এটা সংগ্ৰাম আৰম্ভ হ'ব আৰু ৬০ কোটি দিব লাগিব। তাতকৈ সেই ২০০ কোটি টকা দি আমি- We will set up a medical College. সেই ২০০ কোটি টকা দি আমি মেডিকেল কলেজ বনাম বা এখন অভাৰব্ৰীজ বনাম। সেই কাৰণে অধ্যক্ষ মহোদয়, সদনত যিহেতু প্ৰশ্নটো এফিচিয়েন্সি অৰ ইণ্ডাষ্ট্ৰী লগোৱা লৈ নহয় । ইণ্ডাষ্ট্ৰি লগোৱা মানুহে ইণ্ডাষ্ট্ৰি লগাব । তাৰ বাবে আমি ইণ্ডাষ্ট্ৰি পলিচি আনিছো। যদি আপুনি কয় যে অসম চৰকাৰে এই কেইদিনত কি কৰিছে ? আমি কেইদিনমান আগতে নতুনকৈ বিনিয়োগ আনিছো । এন এল চি- ভাৰত চৰকাৰ আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ মিলি - ১০০০ মেগাৱাট চ'লাৰ পাৱাৰ প্লেন্ট কৰিম ।- দিছ ইজ এ নিউ ইণ্ডাষ্ট্ৰি। নুমলীগড়ত প্ৰায় ৮০০০ কোটি টকা বিনিয়োগ হৈছে। it is in private sector- অসম চৰকাৰে তাৰ শ্বেয়াৰ কিনিছে । it is investment in industrialisation - এতিয়া এ পি এলত বিনিয়োগ হৈছে , গেছ কোম্পানীৰ নতুন নতুন প্ৰজেক্ট হৈছে। গতিকে প্ৰফিট মেকিং পাৱলিক চেক্টৰত যোৱা এটা বছৰত বৃহৎ ইনভেষ্টমেন্ট হৈছে । অহা ১৯ তাৰিখে ভাৰত চৰকাৰৰ আৰু এটা প্ৰতিষ্ঠানৰ লগত আমাৰ এম ও ইউ হ'ব । for production of another one thousand of Megawatt Solar Power Plant. - গতিকে আপুনি যেতিয়া ষ্ট্ৰাকচাৰেলী

প্ৰশ্ন কৰিব , সেই লিষ্টখন ইমান ডাঙৰ যে এক লাখ চাকৰিৰ নিচিনা হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- নেস্কট কমলাক্ষ দে' পুৰকায়স্থ ।

**শ্ৰীমনোৰঞ্জন দাস, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়- প'লিচিমেটাৰত আমাৰ অলপ ক'বলগীয়া আছে । স্বাধীনতাৰ ৭৫ বছৰ পাৰ হৈ গ'ল । স্বাধীনতাৰ ৭৫ বছৰ আগত ইণ্ডাষ্ট্ৰি পোলিচী ল'লে পাৰিলেহেঁতেন ।

**মাননীয় অধ্যক্ষ ঃ** নহয়.. নহয় এইটো ডিবেট নহয়। এইটো কোৰেশ্যন আৱাৰ। .. বহক... এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া আপুনি চাপ্লিমেন্টৰী প্ৰশ্নটো কৰক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলো চৰকাৰে মানুহৰ মেনডেট লৈ চৰকাৰত আহে । গতিকে আমি যেতিয়া মেনডেট লৈছো, চৰকাৰে ইণ্ডাষ্ট্ৰিয়েলাইজেশ্যন অসমত কৰিব - সেইটো মেনডেট লৈ আমি অহা নাই। আমি কৈছো যে আমি ইণ্ডাষ্ট্ৰিয়েল পলিচি দিম। অহা ১৫ তাৰিখে 'চিটবি' আহিব। অসমৰ যিমান স্মল স্কেল ইণ্ডাষ্ট্ৰীয়ে লোন ল'ব তেওঁলোকৰ লোনৰ গেৰান্টি গৰ্ভমেন্ট অৱ আসাম আৰু 'চিটবি'য়ে ল'ব । গতিকে আমি উদ্যোগৰ এটা পৰিবেশ ৰচনা কৰিব খোজো। কিন্তু উদ্যোগ বিনিয়োগৰ নামত আমি উদ্যোগ কৰিব নোখোজো কাৰণ চৰকাৰৰ আই. এ. এচ অফিচাৰবিলাক তাৰ কাৰণে ট্ৰেইন নহয় । দে আৰ নট কম্পিটেন্ট । বাৰে বাৰে ভাৰত চৰকাৰৰ লষ্ট হৈ আছে । এতিয়া ভাৰত চৰকাৰে ওলোটাই আমাক ইনচেনটিভ দিছে যে প্ৰাইভেট চেক্টৰত যিকেইটা ইণ্ডাষ্ট্ৰি আছে যদি লষ্ট মেকিং আপোনালোকে ডিছইনভেষ্ট কৰক। আমি আপোনালোকক টকা পইচাৰে সহায় কৰিম।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** যি ২১ টা ৰাজহুৱা উদ্যোগ জিয়াই আছে সেই কেইটা কেতিয়া বন্ধ কৰিব ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ**আপুনি যেনেকৈ প্ৰশ্ন কৰে , এনেকৈ নহয় । অধ্যক্ষ মহোদয়, বিধায়ক হ'লে প্ৰশ্ন কৰিব । কিন্তু কোনোবা যদি সচাঁকৈ ইন্টাৰেষ্টেড ২১ টা উদ্যোগৰ বিষয়ে জানিবলৈ - তাৰ কাৰণে প্ৰশ্ন আনিব - ইয়াত এচাম মানুহ আছে ।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি এজন সন্মানীয় সদস্য - মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ আছে ....... আপুনি বহক। ............ৰূপজ্যোতি ডাঙৰীয়া বহক । ক'বলৈ দিয়ক ।

--------সদনত হুলস্থুল -------

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কোনোৱাই যদি ২১ টা উদ্যোগৰ বিষয়ে জানিব বিচাৰে- আজি যে আমাৰ সন্মানীয় বিধায়ক আব্দুল বাতিন খণ্ডকাৰে ধুনীয়া প্ৰশ্ন এটা আনি জানিবৰ বাবে চেষ্টা কৰিলে - কাৰোবাৰ অন্তৰে যদি সচাঁকৈয়ে কান্দে তেওঁতো ধুনীয়াকৈ এটা প্ৰশ্ন আনিব পাৰিলেহেতেঁন । গতিকে বেলেগে পতা বিয়াত গৈ মাজতে মাতি পেলাই যিটো কৰিছে, এইটো যিটো চিষ্টেম, এইটোতো ঠিক নহয়। গতিকে অধ্যক্ষ মহোদয় এই ধৰণৰ কাম নকৰিলে ভাল ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়া ।

**শ্ৰীদেবব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো কৈছে 'চোচিয়েলইজিম আমি চাবচক্ৰাইব নকৰো ' কিন্তু এইটো সংবিধানত আছে । গতিকে এনেকৈ কোৱাটো উচিত নহ'ব। কাৰন এইটো আমাৰ সংবিধানৰ প্ৰিয়েম্বুলত আছে distributive justice wealth should be shared equally by society through disributive justice. সেই গতিকে যিটো কৈছে যে চোচিয়েলইজিমত চাবচক্ৰাইব নকৰো

- এইটো হ'বলৈ  হ'লে আমি সংবিধান সংশোধন কৰিব লাগিব। এতিয়ালৈকে সংবিধান সংশোধন হোৱা নাই সেই গতিকে মাননীয় মুখ্যমন্ত্ৰীয়ে যিখিনি কথা কৈছে  সেইখিনি কোৱা  উচিত নহয়। গতিকে তেখেতে শুধৰণি কৰক  বা আপুনি ডাইৰেকশ্যন  দিয়ক.  কাৰণ চোচিয়েলইজিম  it is in the part of Indian constitution আৰু 17th Amendment ত 1973 ৰ পিছত এইটো 14th Amendment ত গ্ৰহণ কৰা হৈছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী থাকোতে তেখেতে Socialism টো লগাইছিল। কিন্তু Socialist আৰু Socialism ইয়াৰ মাজত বহুত পাৰ্থক্য আছে। আমাৰ মূল কথাটো হ'ল যে যিটো Karl Marxৰ বা  Lenin ৰ বা Stalinৰ যিটো ideology সেইটোক আমি subscribes নকৰো। সেইটোৱে প্ৰধান কথা।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** সংবিধানত আছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সংবিধানত যিটো শব্দ আছে তাৰ interpretation আছে, আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** কমল্যক্ষ দে  পুৰকায়স্থ আৰু অখিল গগৈ ডাঙৰীয়া আপোনালোকে বহক না। এতিয়া প্ৰশ্ন নং ৪, দিগন্ত কলিতা।

**শ্ৰীঅখিল গগৈ ঃ** সংবিধান সংশোধন কৰক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মোক কবলৈ দিয়ক অধ্যক্ষ মহোদয়।

**মোঃ আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** ছাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ** ছাৰ।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহকচোন। এইটো debate নহয়, আপোনালোক বহক। এতিয়া প্ৰশ্ন নং ৩ ৰ supplementary সমাপ্ত। এতিয়া প্ৰশ্ন নং ৪, দিগন্ত কলিতা।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই কিছু কথা অৱগত কৰিব বিচাৰিছোঁ। বিশেষকৈ শিশু আৰু মহিলা।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** ছাৰ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মোৰ supplementary আছিল ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহকচোন। debate নহয়।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** ইয়াত প্ৰশ্নকালীন বিষয়ৰ ওপৰত আলোচনা হৈছে। কিয় হাল্লা কৰি ভাল পায়? সদনৰ মূল্যবান সময় কিয় নষ্ট কৰে? যাৰ প্ৰশ্ন নাই, যি জনে আগ্ৰহী নহয় তেখেত সকল বাহিৰত যাওক। আপোনালোকে এটাৰ পিছত এটা কাজিয়াৰ পইন্ট বঢ়াই থাকে কিয়? সমাধান আহিব লাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে আমি কথাটো ভাল পোৱা নাই।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** আৰে বাবা ভাল পালে নাপালে, মই আগতে কৈছো Lenin, Stalin মই নামানো, চিধা কথা।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** কোনো Leninৰ কথা কোৱা নাই, সংবিধানৰ ভিত্তিত কথাখিনি হব লাগে ছাৰ।**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪, দিগন্ত কলিতা।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** অখিল গগৈ।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** হৈছে, হৈছে সকলোৱে চিঞৰিলে, হ'ব। এতিয়া প্ৰশ্ন নং ৪। ৰূপজ্যোতি, আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়া বহক। আজি আৰু নালাগে, শূন্যকালীন, অন্য বহুত বিষয় আছে।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই কিছু কথা অৱগত কৰিব বিচাৰিছোঁ। এই কথাটো দৰকাৰী কথা আপোনালোকে শুনক, child and women trafficking লৈ অসমত এটা ডাঙৰ সৰবৰাহ আৰম্ভ হৈছে। আপোনালোকে সকলোৱে জানে মই গোটেই অসম খনকলৈ কোৱা নাই। বিশেষকৈ মই উত্তৰ কামৰূপৰ জালুকবাৰী, ৰঙিয়া আৰু কমলপুৰ এই অঞ্চলত বহুত উদ্যোগ আছে। লগতে ইয়াত বহুতকেইটা railway junctionও আছে। আমাৰ হাতত কেতিয়াবা কিছু শিশু আহে, কিছু মহিলা আহে, ইয়াক লৈ ডাঙৰ এটা scam চলি আছে। আপোনালোকে সকলোৱে জানে যে এটা সময়ত বড়ো জনগোষ্ঠীক, বিশেষকৈ প্ৰমোদ বড়ো ডাঙৰীয়াই এইটোক লৈ বহুতখিনি সজগতা আপোনালোকৰ আগত প্ৰকাশ কৰিছে। মই কব বিচাৰিছোঁ যে এই শিশু আৰু ছোৱালী বিলাকৰ ওপৰত যি trafficking হৈ আছে সেইটোৰ ওপৰত চৰকাৰে বহুত ব্যৱস্থা লৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে এই বিষয়ে বহুত অৱগত। মই দাতা বহুত দিবলৈ নাযাও, কিন্তু এই human trafficking আৰু child ৰ ওপৰত বিশেষকৈ শিশু আৰু মহিলাৰ ওপৰত যি শাৰীৰিক নিৰ্যাতন হৈ আছে সেইটোৰ বিষয়ে চৰকাৰে এটা বিশেষ ব্যৱস্থা ল'ব লাগে। দৰকাৰ হলে আমি বিধায়ক সকলেও ইয়াত involve হ'ব লাগে। আজি কিয় কৈছো বড়োভূমিৰ পৰা আমাৰ ওচৰত গোৰেশ্বৰ আছে, ওচৰত তামুলপুৰ আছে, ভূটান আছে, এই বোৰ্ডাৰ অঞ্চলত এইবোৰ বৃদ্ধি হৈছে আৰু বিশেষকৈ কামৰূপ জিলা ছয় নম্বৰত আছে। মই মুখ্যমন্ত্ৰী মহোদয়ক এইখিনিও কৈছো যে এই child & human trafficking ৰ ওপৰত cross link case কিছুমান চাব লাগে। আমাৰ এন জি অ' কিছুমান আছে, কেন্দ্ৰীয় চৰকাৰৰ আৰু অসম চৰকাৰৰ কিছুমান agency আছে, তেওঁলোকে properly কাম হৈছে নে নাই আৰু দৰকাৰ হ'লে পঞ্চায়তৰ প্ৰতিনিধি বিলাককো ইয়াত involve কৰিব লাগে। অকল মই কমলপুৰ সমষ্টি বা উত্তৰ কামৰূপ কোৱা নাই, উজনি অসমলৈ এইটো বৃদ্ধি হৈছে। তিনিচুকীয়াই হওক বোৰ্ডাৰ এৰিয়া বিলাকত এইটো বৃদ্ধি পাইছে। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ড্ৰাগছৰ বিৰুদ্ধে যথেষ্ট ব্যৱস্থা লৈছে, এই খিনি ব্যৱস্থাও মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষ দৃষ্টিৰে চাব বুলি মই অনুৰোধ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মুখ্যমন্ত্ৰী মহোদয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২ চনৰ জানুৱাৰী মাহ পৰ্য্যন্ত কামৰূপ জিলাৰ উত্তৰ পাৰৰ ৰঙিয়া আৰু চাংচাৰি থানাত ৪ টা গোচৰ আমি ৰুজু কৰিছিলো। এই গোচৰ সমূহৰ ৪ জন শিশু আৰু এগৰাকী প্ৰাপ্ত বয়স্ক মহিলাক উদ্ধাৰ কৰা হৈছে আৰু ৭ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰে প্ৰথম কেচটো আছিল ৰঙিয়াৰ আফিজাল আলম আৰু পটিক ৰাভা এই দুইগৰাকী victimক আমি Rescue কৰিছো আৰু arrest কৰিছো আমি নজৰুল হক, আইজুল আলী, চুৰেশ খাৰিয়া, জ্যোতি মেধি, ৰাজু কলিতা। এই গোটেইকেইজন human trafficker কোনোবা

লক্ষিমপুৰৰ আছিল, কোনো ওদালগুৰিৰ এই ধৰনৰ। তাৰ পিছত গীতিকা দাস বুলি ৩৫ বছৰীয়া মহিলা এগৰাকী নোহোৰা হৈ আছে তেখেতৰ ছোৱালীৰ সৈতে, এইটো আমি এতিয়ালৈকে ওলাব পৰা নাই চাংসাৰি থানাৰ। ৰঙিয়া থানাত ধৰ্মা বুলি ১৬ বছৰীয়া ছোৱালী এজনী তেওঁক উদ্ধাৰ কৰা হৈছে, ৰাজিম আলী যিজনে লৈ গৈছিল তেওঁকো গ্ৰেপ্তাৰ কৰা হৈছে। ৰিম্পী দাস, তেখেতক আমি recovery কৰিছো আৰু মামনী বুলি যোনে লৈ গৈছিল তেওঁক গেপ্তাৰ কৰিছোঁ। ঠিক সেই ধৰণে এই ৪ টা কেছৰে বিৰৰণ এইটো। কিন্তু যোৱা মে' ২০২১ ৰ পৰা আগষ্ট ২০২২ লৈ আমি human trafficking case ১৭৪ টা অসমত আমি পাইছিলো আৰু এই ১৭৪ টা কেছ এনেকুৱা যে কোনোৱাটো কেছত দুগৰাকী মহিলা নোহোৰা হৈছে, কোনোবাটো কেছত ৩ গৰাকী নোহোৰা হৈছে তাৰে আমি ৩১৮ শিশু আৰু মহিলাক আমি উদ্ধাৰ কৰিব পাৰিছো। Out of 100, 74 case registered 318 has been recovered আৰু গ্ৰেপ্তাৰ traffickerক কৰিছো ১৩৯। ইয়াৰ ভিতৰত আমি চিকিমৰ পৰা বহুত শিশুক উদ্ধাৰ কৰিব পাৰিছিলো ওদালগুৰি আৰু চিৰং জিলাৰ আৰু মিজুৰামৰ পৰা উদ্ধাৰ কৰিব পাৰিছিলো ৰেষ্ট কাৰ্বিআংলং। এইটো এটা অনস্বীকাৰ্য্য কথা যে অসমত human trafficking যথেষ্ট হৈ আছে, বিশেষকৈ চাহ বাগিছা অঞ্চল সমূহত আৰু আদিবাসী ছোৱালী বা কন কন শিশু এই মানৱ সৰবৰাহ যিটো human trafficking বুলি কওঁ বা যিটো বিভিন্ন কামত তেওঁলোকক লেবাৰ বা আন ধৰণৰ forceful prostitution আদিৰ কাৰণে লৈ যোৱা হয়, এই বিষয়টো চলি আছিল, আমি যথেষ্ট গুৰুত্ব দিছো আৰু এইটো ক্ষেত্ৰত আমি বিভিন্ন মহিলা সংগঠন এন জি অ' আদিৰ লগত closely কাম কৰিছোঁ। যোৱা কিছুদিনত human trafficking case register হোৱাতো অলপ কম হৈছে। আমি দেখি আছো যে অকনমান trendটো decline হৈছে কিন্তু তথাপিতো ক'ব পৰা নাযায় যে এইটো বন্ধ হৈছে বুলি আৰু বহুত ক্ষেত্ৰত আমি এনেকুৱা পাঁও যে 16 plusবা 18 plus ছোৱালীক কোনোবা এগৰাকীয়ে লৈ যায় যেতিয়া আমি arrest কৰো, মাতো তেতিয়া তেওঁলোকে কয় যে আমি নিজৰ ইচ্ছা মতে গৈছো। কিন্তু পিছত তেওঁলোকক যেতিয়া ২ বছৰ, ৩ বছৰ পিছত তেওঁলোকৰ পৰা আকৌ আমি panic call পাওঁ আৰু দুই এগৰাকীক উদ্ধাৰ কৰোতে আমি দেখা পাওঁ যে forceful prostitution লৈ তেওঁলোকক লৈ যোৱা হৈছে। এতিয়া আমি চৰকাৰে anti human trafficking unit ৩৫ টা খুলিছো one in every district এটাকৈ আৰু গুৱাহাটী পুলিশৰ লগত আমি এখন এম অ' ইউ কৰিছো, যাৰ জৰিয়তে বিভিন্ন ধৰণৰ মহিলা আত্ম-সহায়ক গোট আদিক আমি প্ৰশিক্ষন দিছো যাতে হিউমেন ট্ৰেফিকিংৰ কেচ পোৱাৰ আগতে বা কোনোবা অচিনাকি লোক গাওঁত থাকিলে কেনেকৈ এইটো জনাব পাৰি আৰু ৰিহেবিলিটেশ্যন কেনেকৈ কৰিব পাৰি, কাৰণ এৰেষ্ট কৰাটোৱে যথেষ্ট নহয়, ঘুৰাই আনি তেওঁলোকক ৰিহেবিলিটেশ্যন কৰিব লাগিব। এনেকুৱা ১১ টা কেন্দ্ৰ আমি কৰিছো ইউনিছেফৰ লগত লগ লাগি আমি এটা কাম কৰিছো যে, এটা শিশু মিত্ৰ বুলি বিশেষ পুলিচিং ব্যৱস্থা কৰিব খুজিছো যাৰ কামটোৱে হ'ব এই দিশত চকু ৰখা। যিখিনি আমি কাম হাতত লৈছো আৰু মই দেখিছো যে অসমৰ অৰ্থনীতিটো অলপ আগবাঢ়ি যোৱাৰ লগে লগে যোৱা তিনি চাৰি মাহত অকনমান কেচ বিলাক নোহোৰা হৈছে। বিশেষকৈ মই ভাবো ইয়াৰ লগত অৰ্থনৈতিক অৱস্থাৰো এটা লিংকেজ আছে, গতিকে যিমান সোনকালে আমি অৰ্থনীতি উন্নয়ন কৰিব পাৰিম, উদ্যোগিকৰণ কৰিব পাৰিম, মই ভাবো যে সিমানেই আমাৰ সমস্যা বিলাক কিছু ক্ষেত্ৰত সমাধান হ'ব । মই পৱিত্ৰ সদনত আশ্বাস দিছো যে এইটো ক্ষেত্ৰত অসম পুলিচে নিৰন্তৰ কাম কৰি থাকিব আৰু এই ক্ষেত্ৰত আমি চেষ্টা কৰিম যাতে অসমত হিউমেন ট্ৰেফিকিং

কেচ আমি নোহোৱা কৰিব পাৰো।

**माननीय অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুচেইন সিকদাৰ ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত কি কি ব্যৱস্থা লৈছে বা আহি থকা দিনত কি কি ব্যৱস্থা ল'ব সেইটো উল্লেখ কৰিছে । আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বা অসম চৰকাৰলৈ মোৰ আহ্বান যে এই প্ৰক্ৰিয়া বন্ধ হ'ব কেতিয়া ? যেতিয়া কোনো এটা তদন্ত ভালকৈ কৰিব, সমাপ্ত কৰিব । দেখা যায় কিছু কিছু ক্ষেত্ৰত গোচৰ দিলে দুই এজনক এৰেষ্ট কৰিলে, কিছুদিন পিছত সেই তদন্ত কাৰ্য্য বন্ধ কৰি দিলে। মই মাত্ৰ এটা উদাহৰণ দিব বিচাৰো, বৰপেটা থানাৰ অন্তৰ্গত মোৰ সমষ্টিত মনিয়াৰা খাটুন, চকিৰভিটা গাওঁৰ এজনা ছোৱালী কলেজৰ পৰা যাওঁতেই কোনোবাই লৈ গ'ল । তাৰ পিছত পিতৃ-মাতৃয়ে গোচৰ দিলে, থানাত বাৰে বাৰে গৈ থাকিল কোনো ধৰণৰ বিহীত ব্যৱস্থা গ্ৰহণ নকৰিলে । ডেৰ বছৰ মান পিছত পিতৃ-মাতৃয়ে স্থানীয় এন জি অ' ৰ মহিলা এজনীৰ জৰিয়তে হাৰিয়ানাত এই ছোৱালীজনী থকা বুলি খবৰ পালে আৰু পুলিচক খবৰ দিলে। তাৰ পিছত সেই এন জি অ'ৰ জৰিয়তে ছোৱালীজনীৰ ককায়েক গৈ হাৰিয়ানাত উপস্থিত হয় আৰু তাৰ পিছত তেওঁলোকে হাৰিয়ানাৰ পৰা চাটমিল গাওঁৰ বিনোদ মেল নামৰ এই ব্যক্তিজনে এই ছোৱালী জনীক বিয়া কৰাইছে । কাৰোবাৰ পৰা এই ব্যক্তিজনে কিনি লৈ বিয়া পাতিছে আৰু ইছলাম ধৰ্মী ছোৱালী জনীক হিন্দু ধৰ্মলৈ ৰূপান্তৰিত কৰিছে বা হিন্দু ধৰ্ম ল'বলৈ বাধ্য কৰিছে । তাৰ পিছত তেওঁলোকক ইয়াতে লৈ আহিলে আৰু পিছত পুলিচক খবৰ দিলে আৰু তেওঁলোকক থানালৈ লৈ যাব খবৰ দিলে। পুলিচে আনিলে, দুজনক গ্ৰেপ্তাৰ কৰিলে কিন্তু যিজন বিনোদ মেল লগত আহিল তেওঁ কাৰ পৰা কিনিলে? অসমৰ চক্ৰ কোন ? হাৰিয়ানাৰ চক্ৰ কোন ? এই বিষয়ে কিন্তু পুলিচে বিতং তদন্ত বিহীত ব্যৱস্থা নকৰিলে । মোৰ ক'বলগীয়া একোৱে নাই কিন্তু গোচৰ এটা পাম, যদি পুলিচে তদন্ত কৰি ইয়াৰ শিপাদাল একেবাৰে উঘালি পেলাব নোৱাৰে, তেতিয়ালৈকে এনে কাৰ্য্য চলিবই । গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম পুলিচে এনেকুৱা গোচৰ পালে বা সবিশেষ লাগিলে আমি সহায় কৰিম আৰু সম্পুৰ্ণ তদন্ত প্ৰক্ৰিয়া কৰি অসমৰ চক্ৰ কোন, হাৰিয়ানাৰ চক্ৰ কোন, সকলো খিনি উৎখাত কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়া ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে কোৱা মতে যিকোনো এটা তদন্ত হ'লে তাৰ বেকৱাৰ্ড লিংকেজ আৰু ফৰৱাৰ্ড লিংকেজ সম্পুৰ্ণ গুৰিলৈকে যাব লাগে। আমাৰ পুলিচ সকলৰ প্ৰৱনতা থাকে যে যিটো কেচ আছিলে ছোৱালী জনীক উদ্ধাৰ কৰি লৈ আহিলো, ঘৰত গোটাই দিলে কেচটো শেষ কৰিলো, কিন্তু এতিয়া আমি এই কেচ বিলাকৰ কাৰণে যিটো ষ্পেচিয়েল ইউনিট কৰিছো, তেওঁলোকৰ কামেই হ'ল, কাৰণ আমি যদি চাও কেইটামান চক্ৰ ঘুৰি থাকে, সেই কেইটা চক্ৰ যদি আমি নোহোৱা কৰি দিব পাৰো, তেতিয়াহ'লে গোটেই সমস্যাটো সমাধান হৈ যায় । এই ক্ষেত্ৰত সন্মানীয় সদস্য গৰাকীৰ যিটো বক্তব্য সেইটো আমি গুৰুত্বসহকাৰে লম আৰু সন্মানীয় সদস্য গৰাকীয়ে যিটো কেচ কৈছে আমাৰ ডিজিপি সদনতে নিশ্চয় আছে, মই ডিজিপি মহোদয়ক সদনৰ পৰা কম যে এইটো তৎক্ষানিক তদন্ত কৰি গুৰলৈকে যাব লাগে আৰু আন ক্ষেত্ৰতো আমাৰ বিধায়ক সকলৰ যদি নজৰত পৰিছে যে পুলিচৰ তদন্ত ভালদৰে হোৱা নাই সেই ক্ষেত্ৰত আপোনালোকে মোক বা ডিজিপি ক প্ৰত্যক্ষ ভাবে জনাব এইটো ক্ষেত্ৰত আমি একেলগে মিলি কাম কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আশ্ৰাফুল হুছেইন। আপুনি প্ৰত্যক্ষভাবে প্ৰশ্নটো কৰিব নহ'লে উত্তৰ নাপাব।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিষয়টো অত্যন্ত গভীৰ, ২০১৮ চনৰ পৰা আজি ২০২২ চনৰ আগষ্ট মাহলৈকে মানৱ সৰবৰাহ, বিশেষকৈ শিশু সৰবৰাহৰ ক্ষেত্ৰত দেখা গৈছে যে ৪৬৭ জন শিশু এতিয়ালৈকে নিৰুদ্দেশ হৈ আছে । সমগ্ৰ অসমত ২০১৮ চনৰ পৰা বৰ্তমানলৈকে চাৰি হাজাৰৰো অধিক হৈছে । বিশেষকৈ কাছাৰ জিলাত আটাইতকৈ বেছি এনে কেচ হৈছে আৰু এতিয়াও ১৬৭ জন শিশু বিচাৰি পোৱা নাই । এই তথ্যই এইটোকে প্ৰমান কৰিছে যে প্ৰতি তিনি দিনৰ অন্তৰালত এজনকৈ শিশু অসমৰ পৰা নিৰুদ্দেশ হৈ আছে, যি সকল কেতিয়াও বিচাৰি পোৱা নাযায় ।

যদি আমি মহিলা সৰবৰাহৰ কথা কওঁ তেতিয়া দেখা যায় যে হাৰিয়ানা, পাঞ্জাব, ৰাজস্থান আদি ঠাইত অসমৰ মহিলা বিলাকক নি তাত ৰাখেল বনায় ৰখাৰ অহৰহ প্ৰচেষ্টা চলি আছে ।

মই নিজে হাৰিয়ানাৰ নোহ জিলাত এনে ধৰণৰ কেইবা গৰাকী ভুক্তভোগী মহিলাক লগ পাইছিলো। তেওঁলোকক কথাৰ পৰা গম পোৱা যায় যে যদিও তেওঁলোকক তাত বিক্ৰী কৰি দিয়া হৈছে, তেওঁলোক তাৰ পৰা উভতি আহিব নিবিচাৰে, কাৰণ এটায়ে যে এই সমাজে তেওঁলোকক ঘৃণাৰ দৃষ্টিৰে চাব । সেইবাবে মই আশা ৰাখিছো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই দুৰ্গত মহিলা সকলক ঘূৰাই আত্ম নিৰ্ভৰশীল হোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে যেন ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব সময় বেছি নাই । মাননীয় মুখ্যমন্ত্ৰীক উত্তৰ দিব দিয়ক ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** এই মহিলা সকলক ঘূৰাই অনাৰ সময়ত খোৱা বোৱা আৰু ভ্ৰমণৰ সুবিধা সমূহ চৰকাৰী ভাবে হ'ব লাগে কাৰণ পৰিয়ালে এই বিলাক কৰিলে পৰিয়ালৰ অতিৰিক্ত বোজা হৈ পৰে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ইয়াত এটা হ'ল মানৱ সৰবৰাহকাৰীৰ কবলৰ পৰা মহিলা সকলক উভতায় অনা আৰু দ্বিতীয়টো হ'ল তেখেত সকলক আত্ম-নিৰ্ভৰশীল কৰি তোলা । সেই কাৰণে আমি ইউনিচেফৰ লগত এখন এম অ' ইউ কৰিছো যাতে এই মহিলা সকলক উভতাই আনি যাতে বিভিন্ন দক্ষতাৰ ভিত্তিত প্ৰশিক্ষন কৰি সমাজত সংস্থাপন দিব পাৰো । মই সমাজ কল্যাণ বিভাগক ইমিতমধ্যে জনাইছো যে প্ৰতিখন জিলাতে নিৰুদ্দেশ হৈ উদ্ধাৰ হোৱা শিশু বিলাকক ( যি সকলক অভিভাৱকে সহযোগ নকৰে) আমি সহযোগ কৰাৰ বাবে এটা ব্যৱস্থা কৰিব লাগে ।

যোৱা সময়চোৱাত আমি চিকিমৰ পৰা ৪৫ টা শিশু উদ্ধাৰ কৰি আনিবলৈ সক্ষম হৈছো। এই ক্ষেত্ৰত আমাক বিটিচি প্ৰধান প্ৰমোদ বড়ো ডাঙৰীয়াই যথেষ্ট সহায় কৰিছিল । যিবিলাক শিশুক ঘৰত পঠাব পৰা নাছিলো, তেওঁলোকক আন কোনা ভাল ঠাইত পুনঃসংস্থাপন কৰাৰ ব্যৱস্থা কৰিছো। যদি আৰ্থিক দুৰৱস্থাত পৰি কোনো শিশু এনেদৰে বহিঃৰাজ্যত যাবলগীয়া হৈছে তেওঁলোকক উভতায় অনাৰ পিছত অৰুণোদয়, এনৰেগা আঁচনি বা বিনামুলীয়া খাদ্যৰ যোগান ধৰা আদিৰ দৰে ব্যৱস্থা হাতত লৈছো, বৰ্তমান যিটো চিৰাং জিলাৰ ৰুনিখাটাত আৰম্ভ কৰিছো । অসমৰ বাবে এইটো বৰ ডাঙৰ বদনাম য'ত ল'ৰা-ছোৱালী বিলাকক বিক্ৰী কৰা হয়, যৌন শোষণ কৰা হয়, পৰিয়ালৰ লগত সংযোগ বিচ্ছিন্ন কৰি মাক-দেউতাকৰ লগত পৰিচয় বিহীন কৰি দিয়া হয়, এই ক্ষেত্ৰত মই বিধায়ক সকলক আহ্বান জনাব বিচাৰো যে তেখেত সকলোও দিহা পৰামৰ্শ আগবঢ়াব লাগে, যাতে আমি সদনে যৌথ ভাবে কাম কৰি যাব পাৰো ।

ইয়াতে মই আৰু এটা কথা সংযোগ কৰিব বিচাৰিছো- মানৱ সৰবৰাহৰ দৰে আন এটা বেয়া কাম এই অসমৰ ভিতৰতে সংঘটিত হোৱা দেখা যায়। য'ত আমাৰ আদিবাসী বা চাহ জনজাতিৰ

ল'ৰা-ছোৱালী বিলাকক ঘৰুৱা কামৰ বাবে লৈ গৈ পিছত যৌন শোষণ কৰা দেখা যায়। মাননীয় অধ্যক্ষ মহোদয়, যে, আমাৰ আদিবাসী আৰু টি গাৰ্ডেন এলেকাৰ সৰু সৰু ল'ৰা ছোৱালী বিলাকক মানুহে ঘৰত কাম কাম কৰিবলৈ লৈ যায়। কাম কৰিবলৈ লৈ গৈ তেওঁলোক যৌন শোষনৰ স্বীকাৰ হয় আৰু বহুত ক্ষেত্ৰত যথেষ্ট অমানৱীয় কষ্ট দিয়া হয়। কেইদিনমান আগতে ঢেকীয়াজুলীত তেনেকুৱা এটা ঘটনা ঘটিছিল। মই নিজে দৰঙৰ SP, Additional SP ৰ ওপৰত Action লৈছো। খুব সোনকালে অসম পুলিচ আৰু এটা কাম কৰাৰ বাবে মই কৈছো। ঘৰত যদি আমি কাম কৰিবলৈ ল'ৰা-ছোৱালী আনো তেন্তে প্ৰথমতে থানাত Register হ'ব লাগিব। কাম কৰা ল'ৰা-ছোৱালীক স্কুলত পঢ়োৱাটো বাধ্যতামূলক কৰিব লাগিব। যদি তেওঁলোকক শিক্ষা দিব নোৱাৰে, তেতিয়া হ'লে ঘৰত কোনেও কাকো আনিব নোৱাৰে। অসমত আইন এখন অনাৰ চিন্তা কৰিছো, যদি Domestic help within the parameter of LAW কোনোৱাই ৰাখিব খোজে, তেতিয়া হ'লে তেওঁলোকৰ শিক্ষা, স্বাস্থ্য registration ৰ গোটেই ব্যৱস্থা কৰিব লাগিব। এইবোৰ Segment বহুত Open, dark segment আছিল আমি কেতিয়াও আলোচনা কৰা নাই, চোৱা নাছিলো। এতিয়া লাহে লাহে আমি বিষয়টো চৰকাৰৰ কাৰ্যক্ৰমণিকালৈ আনিছো। বিশেষকৈ, মই উদাহৰণ দিব পাৰো চিকিমত যি কেইটা ল'ৰা-ছোৱালী recover কৰিছিলো, তেওঁলোকক তাৰ মানুহে স্কুলত পঠিয়াইছিল। গোটেই কেইটা যেতিয়া ঘূৰি আহিছিল, They are Health wise okay যদিও দেউতাক মাকৰ লগত সম্পৰ্ক নাই। কিন্তু আমাৰ অসমতে আকৌ এনেকুৱা বহুত কাম কৰা ল'ৰা-ছোৱালীক লৈ অহা হয় Total exploitation কৰা হয়, স্কুলত যাব দিয়া নহয়, পঢ়িব দিয়া নহয়। সেই কাৰণে মই এইটো ক্ষেত্ৰত যথেষ্ট চিন্তা কৰি আছো আৰু আমি এই ক্ষেত্ৰত এটা সময় উপযোগী আৰু কঠোৰ পদক্ষেপ ল'ম। অসমৰ বাহিৰতে হওঁক বা অসমৰ ভিতৰতে হওঁক। আজি ওদালগুৰি বাগিচাৰ পৰা গুৱাহাটীলৈ যদি সৰু ছোৱালী এজনী কাম কৰিবৰ বাবে লৈ অহা যায়, এইটোও Human trafficking ত নপৰে। এনেকুৱাটো কথা নহয় যে শিলিগুড়ি লৈকে গ'লে Human trafficking হয় কিন্তু গুৱাহাটীলৈ লৈ আহিলে এইটো Human trafficking নহয়। গতিকে মোৰ দৃষ্টিত দেউতাক মাকৰ পৰা ১৪ বছৰৰ তলৰ ল'ৰা-ছোৱালীক বিচ্ছিন্ন কৰাটোয়ে Human trafficking ত নপৰে। Weather it is within the district or out side the district আৰু মহিলাও এই ধৰণে যৌন শোষণ আদিৰ বলি হয়। এইবিলাক ঘৃণনীয়, ৰাজ্য চৰকাৰে এইটো ক্ষেত্ৰত কঠোৰ পদক্ষেপ ল'ব আৰু সন্মানীয় বিধায়ক সকলৰ এইক্ষেত্ৰত কিবা পৰামৰ্শ থাকিলে আপোনালোকে দিব, আমি একেলগে কাম কৰিম।

**মাননীয় অধ্যক্ষ** ঃ Question Hour is over. মই দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী বিধায়ক, হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী বিধায়ক আৰু অখিল গগৈ ডাঙৰীয়াৰ সভাস্থগিত প্ৰস্তাৱৰ এখন জাননী পাইছিলো। কিন্তু যি কাৰণত সভাস্থগিত কৰি আলোচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিছে, মই দেখিছো যে, সেইটো সভাস্থগিত নকৰি অন্যান্য প্ৰক্ৰিয়াৰ দ্বাৰা আলোচনাৰ কাৰণে ব্যৱস্থা ল'ব পৰা যায়। এই বিষয়ৰ ওপৰত আমাৰ প্ৰশ্ন আছে। আমাৰ শূন্যকালীন ঘন্টাতো ইয়াৰ লগত সম্পৰ্কিত কিছু আছে। গতিকে আমি অন্যান্য প্ৰক্ৰিয়াৰে কথা পাতি আলোচনা কৰিব পাৰো।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো একে নে?

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক আৰু অখিল গগৈ ডাঙৰীয়াৰটো প্ৰায় একে, কিন্তু হাফিজ বছিৰ আহমেদ ডাঙৰীয়াৰটো অলপ বেলেগ।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে গ্ৰহণ কৰা মাতৃভাষা সংক্ৰান্তীয় মাধ্যমৰ সিদ্ধান্তই অসমৰ জাতীয় জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে। এইখিনি অনুভৱ কৰি, এই কথাখিনি যিহেতু বিধান সভাতে আলোচনা হ'ব লাগে কিন্তু আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যোৱা শুক্ৰবাৰে কৈছে চৰকাৰে সিদ্ধান্ত প্ৰত্যাহাৰ নকৰে। যিমানেই দাবী কৰক, বিধান সভাত যদি আমাৰ আলোচনা নহয়, তেতিয়া হ'লে ৰাইজৰ কথাখিনি কেনেকৈ চৰকাৰে জানিব। গতিকে এই বিষয়টো গুৰুত্বপূৰ্ণ। চৰকাৰৰ এটা কঠোৰ সিদ্ধান্তৰ সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, class-IV ৰ পৰা হ'ব। যোৱা জুলাই মাহৰ ১৭ তাৰিখে বক্তব্য দিছিল । কেবিনেটত জুলাই মাহত ২৮ তাৰিখে ক'লে class-III ৰ পৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ২০২১ অনুসৰি আমাক কোৱা হৈছে যে অষ্টম শ্ৰেণীলৈকে পৰাপক্ষত মাতৃভাষাৰ মাধ্যমত সকলো পাঠদান হ'ব লাগে। গতিকে গোটেই কথাখিনি কিয় আমি ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰিপন্থী কাম কাজ কৰিব বিচাৰিছো আৰু ইয়াৰ পিচত পৰিপূৰক প্ৰশ্ন আহিব চাগে এই বাজেটত। কেনেকৈ দিওঁ এই কথাখিনি, গতিকে এই কথা বিলাক আৰু অন্য কথা আলোচনা কৰাৰ প্ৰাসংগিকতাতকৈ এই বিষয়টোৰ ওপৰত বেছি গুৰুত্ব দিয়াটো উচিত বুলি আমি অনুভৱ কৰো। যিহেতু এইটো গুৰুত্বপূৰ্ণ বিষয়বস্তু ৰুল ৫৬ ত এই কথাখিনি আজিয়ে আলোচনা কৰাটো বিচাৰো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো বিষয় আজি সভাস্থগিত প্ৰস্তাৱৰ জৰিয়তে আলোচনা কৰিব বিচাৰিছো। সেই বিষয়টো হ'ল যোৱা সপ্তাহত শোণিতপুৰ জিলাত বৰচলাত চিতলমাৰী চৰত কোনো জাননী নিদিয়াকৈ উচ্ছেদ অভিযান চলোৱাৰ ফলত সহস্ৰাধিক লোক গৃহহীন হৈ পৰিছে। চৰ-চাপৰিত বসবাস কৰি থকা অন্যান্য হাজাৰ হাজাৰ লোককো উচ্ছেদৰ জাননী প্ৰেৰণ নকৰাকৈ মৌখিক ভাবুকি দিয়া হৈ আছে। মানৱ অধিকাৰ সুৰক্ষিত ৰখাৰ স্বাৰ্থত অমানবীয় উচ্ছেদ অভিযান বন্ধ কৰা হওঁক। এই বিষয়টো এই কাৰণে সভাস্থগিত প্ৰস্তাৱত আমি সদনৰ সকলো কাম-কাজ স্থগিত ৰাখি আলোচনা কৰিব বিচাৰিছো। তেওঁলোকৰ মানৱীয় অধিকাৰ উলংঘা হৈ আছে। যি সকল লোকক উচ্ছেদ কৰা হ'ল, তেওঁলোকে আজি আশ্ৰয়হীন হৈ পৰিছে। তেওঁলোকৰ ল'ৰা-ছোৱালী তাৰ স্থানীয় স্কুলত পঢ়িছিল, সেই স্কুল বিলাকৰ পৰা বিচ্ছিন্ন হৈ গ'ল। Right to elementary Education, Right to Education Act, 2009 Violate হৈ আছে। এতিয়ালৈ যিমান উচ্ছেদ অভিযান অসমত চলিল এই উচ্ছেদ অভিযান বিলাকত কেইদিন মান আগতে কতামুনিত, গৰুখুটিত আৰু জামগুৰিহাটত এতিয়ালৈ যিমান হাজাৰ লোক উচ্ছেদিত হ'ল, তেওঁলোক আজি কেনেকুৱা অৱস্থাত আছে, ক'ত আছে, চৰকাৰে কিন্তু এতিয়ালৈ খা-খবৰ লোৱা নাই। মানুহ বিলাকক বিকল্প সংস্থাপন দিয়া নাই। বৰষুণত বাহিৰত থাকিবলগীয়া হৈছে, বহুত ল'ৰা-ছোৱালীৰ মৃত্যু হৈছে।

মাননীয় অধ্যক্ষ ঃ আমিনুল ইছলাম ডাঙৰীয়া বহক. এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ শিক্ষাখণ্ডত নতুন চৰকাৰখনে সাংঘাতিক ধৰণৰ ভংয়কৰ কিছুমান সিদ্ধান্ত ল'ব খুজিছে। তাৰ ভিতৰত এটা হ'ল যে, তৃতীয় শ্ৰেণীৰ পৰা চৰকাৰী বিদ্যালয় বিলাকত গণিত আৰু বিজ্ঞান এই দুয়োটা বিষয় ইংৰাজী মাধ্যমত পঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এইটো তাৎক্ষণিক সিদ্ধান্ত ১০ চেপ্তেম্বৰৰ দিনা বাতৰি কাকতত প্ৰকাশ পাইছে। অসমৰ চৰকাৰী বিদ্যালয় সমূহত গণিত আৰু বিজ্ঞানৰ পাঠদান ৩য় শ্ৰেণীৰ পৰা ইংৰাজী কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগু ডাঙৰীয়াই কৰা গুৰুত্বপূৰ্ণ ৰাজহুৱা ঘোষণাৰ ওপৰত অসম বিধান সভাৰ অধিবেশন ১২ ছেপ্তেম্বৰ ২০২২ তাৰিখৰ দিনা জৰুৰীভাবে

আলোচনা কৰিবলৈ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৬ নং নিয়ম অনুসৰি এই সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰা হওঁক। অধ্যক্ষ মহোদয়, কেৱল মাতৃভাষাক সলোৱাই নহয় এই চৰকাৰে এফালৰ পৰা স্কুল বিলাক বন্ধ কৰি লৈছে। ক্ল'জাৰ, মাৰ্জাৰ আৰু এমালগেমেশ্যন, ইয়াৰ জৰিয়তে চৰকাৰী স্কুলবিলাক এফালৰ পৰা বন্ধ কৰি শিক্ষা সংকোচনৰ নীতি গ্ৰহণ কৰিছে। অধ্যক্ষ মহোদয়, এই চৰকাৰে আমি দেখিবলৈ পাইছো, আমাৰ চৰকাৰী খণ্ডৰ বিদ্যালয় সমূহত এতিয়া ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ ব্যাপক ৰূপত তেওঁলোকে চেষ্টা কৰিছে। এই বিষয়টো অত্যন্ত জৰুৰী ৰাজহুৱা বিষয় সেয়েহে এই বিষয়ৰ ওপৰত আলোচনা হ'ব লাগে। সেই কাৰণে আমি সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব বুজি পাইছো। আপুনি যিটো উত্থাপন কৰিছে, বিষয়টো গুৰুত্বপূৰ্ণ ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয় অনুগ্ৰহ কৰি admissibility ৰ ওপৰত আৰু অকনমান ক'বলৈ দিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এই গোটেই বিষয়টো মই কালি পোৱাৰ পিছত admissibility ৰ ওপৰটো চাইছো, বিষয়টো গুৰুত্বপূৰ্ণ । তিনিটা যিটো বিষয়ত ইয়াত সভা স্থগিত ৰাখি আলোচনা কৰিব লাগে বুলি কৈছে, বিষয়টো গুৰুত্বপূৰ্ণ সেইটো মই ignore কৰা নাই। কিন্তু সেইটোৰ কাৰণে সভা স্থগিত কৰি অকল এই বিষয়তে আলোচনা কৰাৰ যিটো প্ৰস্তাৱ, এই প্ৰস্তাৱটোহে মই গ্ৰহণ কৰিব পৰা নাই, আৰু এই যিখিনি গুৰুত্বপূৰ্ণ বিষয়, অখিল গগৈ ডাঙৰীয়াই যিখিনি কৈছে, সেইটো ইতিমধ্যে প্ৰশ্নটোত আহিছে। যেতিয়া প্ৰশ্নটোত আহে সেইটো admissibility ত নপৰে। প্ৰথম কথাটো হ'ল আজিৰ শূণ্যকালীন ঘন্টাত কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াৰ বিষয়টো আহিছে শূণ্যকালীন ঘন্টাত সেইটো হ'ব। যদি এই বিষয়ত ক'ব লগা point আছে কওঁক উত্তৰটো আপুনি পাব। দ্বিতীয় কথাটো হ'ল যে আমাৰ বছিৰ আহমেদ ডাঙৰীয়াৰ ফালৰ পৰা যিটো দিছে সেইটো already হয়তো কোনোবা debates ত আছে, নাথাকিলেও এইখিনি বিষয় আলোচনা কৰিবৰ বাবে কোনোবা এটা debate, 301, 54, 40 ত short duration. short duration ত আমি এই বিষয়টো সম্পূৰ্ণভাবে কথা পতাৰ সুযোগ আছে। গতিকে সভা স্থগিত নাৰাখি আমি এই বিষয়টো বিধান সভাৰ মজিয়াত আলোচনা কৰিবলৈ অনাৰ যথেষ্ট স্কপ আছে। গতিকে তেনেকুৱা ধৰণে আমি এই গুৰুত্বপূৰ্ণ বিষয়টো সভা স্থগিত নাৰাখি আমি আলোচনা কৰিব পাৰো। এইটোৰ কাৰণে যিহেতু option আছে, আৰু যিহেতু জৰুৰীকালীন বিষয় হলে বেলেগ কিন্তু মই কৈছো যে বিষয়টো গুৰুত্বপূৰ্ণ কিন্তু এনেকুৱা নহয় যে সেইটো আজিৰ দিনটোত কথা নাপাতিলে আমাৰ ৰাজ্যখনৰ কিবা এটা ডাঙৰ ঘটনা হৈ যাব। গতিকে জৰুৰী হিচাপে নোলোৱাকৈ গুৰুত্বপূৰ্ণ হিচাপে লৈ বিভিন্ন debates ত আনি আলোচনা কৰিব পাৰো।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of Procedure and Conduct of Business in Assam Legislative Assembly ত স্পষ্টকৈ লিখা আছে যে সভা স্থগিত প্ৰস্তাৱ কেতিয়া আনিব পাৰি, আৰু অধ্যক্ষ মহোদয়, আমি সেই অনুযায়ী আনিছো। নিয়ম অনুযায়ী হ'ল যে প্ৰথমে উত্থাপন কৰিব তাৰ পাছত কি কাৰণে আনিছে, admissibility ৰ ওপৰত বাখ্যা কৰিব। আজিলৈকে মই ৫ বাৰ জিকি আহিছো, সেইটো এটা নিয়ম। প্ৰথমে উপস্থাপন কৰিব , তাৰ পিছত ক'ব লাগে যে কি কাৰণে আপোনালোকে আনিছে admissibility ৰ ওপৰত বাখ্যা দাঙি ধৰক। তাৰ পাছত ৰুলিং পাৰ্টীৰ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে বা তেওঁৰ দায়িত্বত থকা মন্ত্ৰীয়ে সেই বিষয়ে বাখ্যা কৰে। তাৰ পাছতহে অধ্যক্ষ মহোদয়ে

ৰায় দিয়ে। গতিকে মই অনুৰোধ কৰিম যে আমাৰ বিৰোধী দলৰ দলপতিয়ে উপস্থাপনহে কৰিলে। আপুনি তেওঁক বাখ্যা কৰিবলৈ দিয়ক, admissibility ৰ ওপৰত ক'বলৈ দিয়ক। তাৰ পাছত ৰুলিং পাৰ্টীয়ে কওঁক, তাৰ পাছত আপুনি ৰায় দিয়ক, তাৰ পাছত আমিও বিৰোধী পক্ষই recent occurance হয় নে নহয় এই কথাটো সামাজিক জীৱনৰ লগত জড়িত বিষয় হয় নে নহয়, এই কথাটো গুৰুত্বপূৰ্ণ হয় নে নহয়, এই বিষয়ে কম। আজিলৈকে যিখিনি দেখিছো, আমি প্ৰথমে admissibility ৰ ওপৰত ক'বলৈ দিয়ক, কাৰণ recent occurance হয় নে নহয় যিকেইটা কথা আছে বাখ্যা কৰিব। গুৰুত্বপূৰ্ণ হয় নে নহয়, আমাৰ সমাজ জীৱনৰ লগত জড়িত হয় নে নহয় সেই খিনি কোৱাৰ পিছত অধ্যক্ষ মহোদয়, মই ভাবো যে ৰুলিং পাৰ্টীৰ বাখ্যা হওঁক তাৰ পাছত আপুনি ৰায় দিব। তাৰ পাছত আমি সিদ্ধান্ত ল'ম। নহলে আপুনিয়েই ৰায় দিব পাৰে, কিন্তু ৰায় দিলে যিটো পৰম্পৰা সেইটো নাইকীয়া হয় আৰু Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰো পৰিপন্থী। আগে পিছে যিটো হৈছে সেইখিনি কলো আৰু এই খিনি কথা অধ্যক্ষ মহোদয় মই সহানুভুতি ৰে বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ইতিমধ্যে admissibility ৰ ওপৰত কোৱাৰ নিচিনা হৈ গ'ল। আপোনালোকৰ ফালৰ পৰা admissibility আছে । তাৰ কাৰণে আপোনালোকৰ পক্ষৰ পৰা নটিচ দিছে আৰু সেইটো বিষয় উত্থাপনো কৰিলে। কিন্তু আজি আপোনালোকৰ যিটো adjournment motion ৰ নটিচ আছিল সেইটোত মই আগ্ৰহ কৰিছো বুলি আপোনালোকক ঘোষণা কৰিছো। আগ্ৰহ কৰাৰ কাৰণটো মই আপোনালোকক জনাই দিছো। যিহেতু বিষয়টো আপোনালোকে উত্থাপন কৰিছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ৰুল ৫৬ যিটো আনিছোadjournment motion ৰ সেইটো খুব জৰুৰী। তাৰ পাবলিক ইমপৰটেন্স আছে কাৰণ অসম চৰকাৰে যিটো সিদ্ধান্ত লৈছে, তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজীত পঢ়ুৱাব সেইটো ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰিপন্থী সেইটো Right to Education Act ৰ বিৰোধী কাৰণ প্ৰধান মন্ত্ৰীয়ে কৈছে আনকি ইঞ্জিনিয়াৰিং কলেজ, এম বি বি এচ ও নিজৰ মাতৃভাষাত শিক্ষা দিয়া হ'ব। ৰাষ্ট্ৰপতিয়ে কৈছে, ইঞ্জিনিয়াৰিং কলেজ, এম বি বি এচ ও আজি কালি মাতৃভাষাত শিক্ষা দিয়া হ'ব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ হ'ব, বিতৰ্ক হ'ব নালাগে। ভৰত নৰহ ডাঙৰীয়াই কৈ আছে, বিতৰ্ক কৰিব নালাগে। বহক।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ অধ্যক্ষ মহোদয়, শিক্ষা নীতি ৪.১১ ত আছে আৰু সকলো অৱগত যে ল'ৰা-ছোৱালীয়ে নিজৰ ঘৰুৱা বা মাতৃভাষাত অগতানুগতিক ধাৰণাবোৰ আয়ত্ব কৰিব পাৰে। গতিকে মাতৃভাষাক গুৰুত্ব দিয়া হৈছে। আৰু আমাৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াইও কৈছো স্বাস্থ্য বিভাগত পাঠ্যক্ৰমো যুগুত কৰি আছে। মেডিকেলত যাতে অসমীয়া মাধ্যমত হয় তেনে সময়ত হঠাৎ গাৱলীয়া স্কুল সমূহত, অসমীয়া মাধ্যমৰ স্কুল বিশেষকৈ গাওঁ অঞ্চলত আছে তাত ইংৰাজী মাধ্যম কৰিলে আমাৰ গাওঁ অঞ্চলৰ ল'ৰা-ছোৱালীৰ অসুবিধা হ'ব নেকি? এই কথাটো চিন্তা কৰিব লাগে। সেই গতিকে ছাৰ, বিষয়টো অতি গুৰুত্বপূৰ্ণ আমাৰ ২৬ হাজাৰ গাওঁ আছে। আৰু আমাৰ চহৰ আছে দুশ কেইখন । সেয়ে, বিষয়টো অতি গুৰুত্বপূৰ্ণ গতিকে admis-

sibility ৰ ওপৰত  আৰু বিতং আলোচনা কৰি  আপুনি গ্ৰাহ্য কৰিলে ভাল পাম।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)ঃ** ছাৰ কেবিনেটে কেনেকৈ সিদ্ধান্ত ল'ব পাৰে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিৰুদ্ধে গৈ । অসম চৰকাৰৰ কেবিনেটে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিৰুদ্ধে গৈ কেনেকৈ সিদ্ধান্ত ল'ব পাৰে?

**মাননীয় অধ্যক্ষ ঃ** হ'ব, বিতৰ্ক হ'ব নালাগে। বিষয়টো একে adjournment motion ৰ ক্ষেত্ৰত তিনিখন ন'টিচৰ ওপৰতহে জবাব দিয়া হৈছে।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক  (জ্যেষ্ঠ) ঃ** অধ্যক্ষ মহোদয় ইয়াতে কেইটামান কথা আছে -----

**মাননীয় অধ্যক্ষ ঃ** মই সকলো বুজি পাইছো। আপুনি বহকচোন। অখিল গগৈ ডাঙৰীয়া বহক, বহক

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** সংবাদ মাধ্যমত আহিছে, শিক্ষা মন্ত্ৰীয়ে কৈছে যে শিক্ষাৰ মাধ্যমৰ বিষয়টো  আৰু সলনি নহয় । ইংৰাজীতে পঢ়োৱাব। যদি সিদ্ধান্তটো তেনেকৈ .......

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** হ'ব, বিতৰ্ক হ'ব নালাগে। বহক, বহক।

(সদনত হুলস্থুল)

(বিৰোধী দলৰ সদস্য সকলে হাতত প্লেকাৰ্ড লৈ  অধ্যক্ষ মহোদয়ৰ আসনৰ ওচৰত ঠিয় হৈ  মাতৃ ভাষাৰ মৰ্য্যদা ৰক্ষা কৰক, মাতৃ ভাষাৰ বিদ্যালয় ৰক্ষা কৰক বুলি ধ্বনি দিয়ে)

**(সদন ১০ মিনিটৰ বাবে স্থগিত ৰখা হ'ল)**

(Honble Depty Speaker on the Chair)

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ  মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যিটো এডজৰ্নমেণ্ট মোশ্যন আছিল, সেই এডজৰ্নমেণ্ট মোশ্যনটোৰ ওপৰত এটা সিদ্ধান্ত লৈ আমাক আজি আলোচনা কৰাৰ সুবিধা দিবলৈ অনুৰোধ জনালো কাৰণ ইয়াত এটা ভুল ধাৰণা আছে সেইটো হ'ল যে চৰ-চাপৰিত যিমান লোক বাস কৰে তেওঁলোকক বেদখলকাৰী বুলি কয়। চৰ-চাপৰিৰ লোক বেদখলকাৰী হ'বই নোৱাৰে। আপুনি জানে উপাধ্যক্ষ মহোদয়, অসমত প্ৰায় চাৰে তিনিহাজাৰ গাওঁ ব্ৰহ্মপুত্ৰ নদীত বিলীন হৈ গ'ল। নদীখন বহল হৈ গ'ল। তাতে চৰ-চাপৰি বিলাক সৃষ্টি হৈছে। আজি এইফালে যদি নতুন চৰ এটা হৈছে কাইলে সেইটো ভাঙিছে। আকৌ বেলেগ ফালে কৰিছে। এই চৰ বিলাক সাল সলনি হৈ থাকে। আজি য'ত আছে কাইলৈ তাৰ পৰা ভাঙি বেলেগ ঠাইলৈ গুছি যায়। সদায় তেওঁলোকে বাসস্থান সলনি কৰি থাকিব লাগে। এই চাৰে তিনি হাজাৰ গাওঁ যে বিলীন হ'ল সেই গাওঁ বিলাকৰ মানুহেই ঠাই সাল সলনি কৰি জীৱনৰ সংগ্ৰাম কৰি আছে। গতিকে  সেই লোক সকলক বেদখলকাৰী বুলি কোৱাটো কোনো পধ্যেই যুক্তি সংগত নহয়। ৩১ লাখ মানুহ চৰ-চাপৰিত আছে। .........................................**

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াক The Sentinal কাকতত প্ৰকাশিত "Cancer on the rise in Northeast India" এই বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** তাত কেইবা হাজাৰ স্কুল চৰকাৰে পাতি দিছে। তাত ল'ৰা-ছোৱালী বিলাক পঢ়ি আছে। এই বিষয়টো অতি স্পৰ্শ কাতৰ, অতি গুৰুত্বপূৰ্ণ। গতিকে এই বিষয়টো মই ভাবো যে  যদি এই বিষয়টো আলোচনা নহয় তেনেহ'লে আজি যিমান কাৰ্য্যসূচী আছে

সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয় এইটো। য'ত মানুহৰ মানৱ অধিকাৰৰ কথা আছে, নাগৰিক সকলৰ অধিকাৰৰ কথা আছে আৰু তেওঁলোকৰ ভৱিষ্যতৰ কথা আছে। মানুহৰ ভৱিষ্যত প্ৰজন্ম সুৰক্ষিত কৰাৰ কথা আছে।

**মাননীয় উপাধ্যক্ষ ঃ** সভা স্থগিত বিষয়টো বিবেচনাধীন হৈ আছে। আপোনালোকক এই বিষয়ে অৱগত কৰা হ'ব।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** হাউচ এডৰ্জন কৰি এই বিষয়টো আলোচনা কৰিবলৈ সুবিধা দিব লাগে আৰু যিহেতু এইটো recent occurence আৰু public importance হয় আৰু এটা specific point ৰ ওপৰত হয় সেয়েহে এই বিষয়টো আলোচনা হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বক্তব্য ৰাখিছে। এইটো শুনা হৈছে। সভা স্থগিত নহয়। এতিয়া শূন্য কালীন ঘণ্টা।

(সদনত হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ .................** এই নদী ২২ কিলোমিটাৰ যে বহল হ'ল, গাওঁ বিলাক যে বিলীন হ'ল........................

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ সভা স্থগিত প্ৰস্তাবটো মানি লোৱা হোৱা নাই। বিবেচনাধীন হৈ আছে। পৰৱৰ্ত্তী সময়ত আপোনালোকক অৱগত কৰা হ'ব।

( সদনত হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ .................** আজি মানুহ বিলাকক উচ্ছেদ কৰি দিছে। এটা পাৰটিকুলাৰ জনগোষ্ঠীক টাৰ্গেট কৰি লোৱাটো কোনো পধ্যেই যুক্তি সংগত নহয়। কোৰ্টৰ অৰ্ডাৰ নোহোৱাকৈ মাদ্ৰাছা ভাঙি দি আছে। এই কথা বিলাক অতি স্পৰ্শ কাতৰ, অতি গুৰুত্বপূৰ্ণ গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক মই অনুৰোধ জনাইছো, যে এটা কথা চাওঁক যেতিয়া গৰুখুটিত উচ্ছেদ হৈছিল তেতিয়া কোৱা হৈছিল সন্দেহযুক্ত ,নাগৰিক। অবৈধ অনুপ্ৰবেশকাৰীক উচ্ছেদ কৰা হৈছে।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** সভা স্থগিত প্ৰস্তাবটো গ্ৰাহ্য হোৱা নাই। যদিও এইটো গুৰুত্বপূৰ্ণ পৰৱৰ্ত্তী সময়ত আলোচনা কৰা হ'ব।

**শ্ৰী ৰকিবুল ইছলাম ঃ** আমি এটা বিবৃতি বিচাৰিছো।

(Honble Speaker on the Chair)

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ত ৰেচপণ্ড দিবৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী দলৰ সদস্য সকলে অনা বিষয়টো যিহেতু গুৰুত্বপূৰ্ণ, গতিকে এই বিষয়টোৰ ওপৰত আমি এই চলিত বিধান সভাতে এটা সময় লৈ আলোচনা কৰিবলৈ সাজু। গতিকে আপুনি বিধান সভাৰ যি কাৰ্য্যক্ৰমনিকা তাৰ মাজত এদিন আলোচনা কৰাৰ বাবে সময় ল'ব পাৰে।

**শ্ৰী ৰকিবুল ইছলাম (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেদৰে সদনখন ভালকৈ চলে। এই সময়খিনিত আপুনি আমাক মাতি লৈ গৈছিল। আমাৰ সকলোৰে নাজানে কাৰণে কৈছিলো। চৰকাৰ পক্ষ আৰু আমাৰ বিৰোধী পক্ষ বহিলো। আপুনি এটা প্ৰস্তাৱ দিছিল। বিৰোধী পক্ষই আমি সেই কথাটো মানি লৈছিলো। চৰকাৰৰ ফালৰ পৰাও এতিয়া বিবৃতি দিছে। যিহেতু বিষয় বস্তুটোৰ গুৰুত্ব

আছে, আমি আলোচনা কৰিব লাগে। গতিকে আমি কৈছিলো যে ৪-৫ ঘণ্টা আলোচনাৰ বাবে যদি বেলেগ ডিভাইচত ও দিয়ে, আমাৰ কথাটো হ'ল যে অসমৰ এটা জলন্ত সমস্যা। এই সমস্যাটোৰ বিষয়ে বিস্তৃত ভাৱে আলোচনা কৰিব লাগে। চৰকাৰে যিহেতু বিবৃতিটো দিছে, আমি যিহেতু সদন স্থগিত কৰি আলোচনাটো বিচাৰিছিলো, ইয়াত বৃহত্তৰ স্বাৰ্থৰ কথা আছে। গতিকে আমি এই কথাখিনি মানি লৈছো। যিটো ডিভাইচতে আনিম বুলি কয় আমি সেইটো ডিভাইচতে আনিম। আপুনি কোনৰাৰ দৰে যদি ৫ ঘণ্টা আলোচনা হয় আমি এই কথাখিনি আজি মানি লৈছো। যিহেতু চৰকাৰে প্ৰস্তাব দিছে।

**শ্ৰী অখিল গগৈ ঃ** আমি যিটো এডজৰ্নমেণ্ট মোশ্যন আনিছিলো। চৰকাৰে কোনৰাৰ নিচিনাকৈ যদি সঁচাকৈ মাতৃভাষাৰ মাধ্যম থাকিব লাগে নে নালাগে, এই বিষয়টোৰ ওপৰত সঁচাকৈ বা শিক্ষাৰ বিষয়টোৰ ওপৰত সঁচাকৈ আলোচনা হয়, তেতিয়াহ'লে আমি এডজৰ্নমেণ্ট মোশ্যন উঠাই ল'বৰ কাৰণে প্ৰস্তুত আছো। কিন্তু আলোচনা হ'ব লাগিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰস্তাবটোৰ ওপৰত চৰকাৰে কি কৰে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আজি যিটো সভা স্থগিত প্ৰস্তাব আনিছিল, বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত যিটো এটা কমন ইচ্ছ্যু আৰু বাকী মই আমাৰ মাননীয় বিধায়ক শ্ৰী হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই যিটো উচ্ছেদৰ প্ৰস্তাব আনিছে, সেই বিষয়টোৰ ওপৰত আমি অন্য এটা দিনটো আলোচনা কৰিব পাৰো। আমাৰ লেণ্ড আৰু ৰেভিনিউ এমেণ্ডমেণ্ড বিল ও আছে। তাত ও আপোনালোকে এই বিষয়টোৰ ওপৰত আলোচনা কৰিব পাৰে। অন্যথা অন্যান্য ডিভাইচ আছে তাত ও আপোনালোকে উত্থাপন কৰি এই বিষয়টো আলোচনা কৰিব পাৰে। গতিকে শিক্ষাৰ ক্ষেত্ৰত আজি যিটো এডজৰ্নমেণ্ট মোশ্যন আনিলে সেই এডজৰ্নমেণ্ট মোশ্যনটোৰ ওপৰত চৰকাৰৰ ফালৰ পৰা সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে জনাইছে যে এই বিষয়টোৰ ওপৰত চৰকাৰে আলোচনা কৰাত কোনো আপত্তি নাই। এতিয়া আমি দিন আৰু সময়টো আলোচনাৰ বাবে বিজনেছটো চাই ঠিক কৰি ল'ম। আজি এই বিষয়টো ঠিক হৈ গ'ল।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, লেণ্ডৰ ওপৰত যিখন বিল আছে, তাত সেই বিলখনৰ সম্পৰ্কে আলোচনা হ'ব। গতিকে ইমান ডাঙৰ এটা ইচ্ছ্যু বিশেষ এটা দিনত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই সেইকাৰণে কৈছো অন্য এটা ডিভাইচত ও আমি আলেচনা কৰিব পাৰো।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান এটা ডাঙৰ ইচ্ছ্যু আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে ২০২২ চনলৈকে এজনো ভূমিহীন মানুহ, এজনো অঘৰী মানুহ নাথাকে। কিন্তু মানুহক মাটি দিব পৰা নাই। স্বাভাৱিক কথা মানুহ মাটিতেই থাকিব। সেই সকল লোকে নিজৰ উপাৰ্জনৰে এটা জুপুৰী ঘৰ বনাইছে। সেইটো আমি ৰাতা-ৰাতি বুল ড'জাৰ চলাই ভাঙি দিছো। আজি গৰুখুটিৰ পৰা আৰম্ভ কৰি কৰিমগঞ্জ, শোনিতপুৰত হৈছে, কালি আকৌ কৰ'বাত হ'ব। এই ব্যৱস্থাটো বন্ধ হ'ব লাগে। সেই সকল ল'ৰা-ছোৱালী স্কুলত যাব পৰা নাই।

সদনত হুলস্থুল

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টোৰ ওপৰত মই ইতিমধ্যে কৈছো। আপোনালোকে এই বিষয়টোৰ ওপৰত অন্য এটা ডিভাইচত আলোচনা কৰিব পাৰিব। বহুত প্ৰশ্ন এই বিষয়টোৰ ওপৰত জড়িত হৈ আছে।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত আজিয়েই আলোচনা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** পাঁচদিনীয়া অধিবেশন। গতিকে চেকেণ্ডত এনেকুৰা সিদ্ধান্ত ললে আপোনালোকৰ ইম্পৰটেঞ্চটো থাকি যাব। এতিয়া শূন্য কালীন ঘণ্টা। শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়া।

**শ্ৰী মৃনাল শইকীয়া (খুমটাই)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৭ আগষ্ট তাৰিখে, The Sentinal কাকতত ডাঃ ধৰ্মকান্ত কুম্ভকাৰ নামৰ এজন ডাক্তৰৰ নামত "Cancer on the rise in Northeast India" নামৰ এটা আৰটিকল প্ৰকাশ পাইছিল। এই আৰটিকলটো পঢ়াৰ পিছত আঁচলতে আমৰ এটা........................ সদনত হুলস্থুল....................................

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰস্তাবটোৰ সিদ্ধান্তটো নিদিলে। গতিকে আমি এতিয়া walk out কৰিম।

**ড° ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই শোনিতপুৰৰ ঘৰ ভঙা মানুহখিনিৰ মনৰ কথাখিনি শুনক।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে এই বিষয়টো অন্য ফালে লৈ যাব নালাগে। আপুনি যিটো বিষয় উথাপন কৰিছে, বৰ্তমান উচ্ছেদ অভিযান হৈ থকা বিষয়টো। তাৰ কাৰণে দিনটোৰ আমাৰ বিজনেছটো চাচপেণ্ড কৰিব লাগে। হাউচটো এডজৰ্ন কৰি কেৱল এই বিষয়টোৰ ওপৰত আলোচনা কৰিব লাগে। বিষয়টো গুৰুত্বপূৰ্ণ তাক মই অবজ্ঞা কৰা নাই। কিন্তু সেইটোৰ কাৰণে আমি দিনটোৰ বাবে হাউচখন স্থগিত কৰিব নোৱৰো। ......................................

সদনত হুলস্থুল হয় .... এ আই ইউ ডি এফৰ দলে সদন ত্যাগ কৰে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰীমৃণাল শইকীয়া ডাঙৰীয়া।

**শ্ৰীমৃণাল শইকীয়া, খুমটাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sentinal কাকতত প্ৰকাশিত "Cancer under rise in North East India. Dr. Dharmakanta Kumbhakar য়ে যি এটা article লিখিছিলে সেই article টো পঢ়ি আমি সচাঁকৈয়ে এটা আলোচনাৰ বিষয় বস্তু হ'ব লাগে বুলি মই ভাৱো যে আমাৰ ভাৰতবৰ্ষৰ ভিতৰত নৰ্থইষ্টৰ ৰাজ্য কেইখনতে কেন্সাৰ ৰোগটো বেছি।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নৰ্থইষ্টত কেন্সাৰ ৰোগটো ইমান বেছিকৈ বাঢ়ি আহিছে যে আমি ৰাতিপুৱা যেতিয়া অফিচত বহি থাকো, তেতিয়া প্ৰায় কেন্সাৰ বেমাৰীয়ে বিধায়ক সকলৰ ওচৰলৈ আহে। মই ভাৱো যে সকলো বিধায়কৰ ওচৰলৈ যায়। তেতিয়া আচলতে গম পোৱা যায় যে ইমান কেন্সাৰ বৃদ্ধি হৈছে। কেন্সাৰ বেমাৰ যাৰ ঘৰত হয়, সেই ঘৰখনৰ গোটেই পৰিয়ালটো ধ্বংসৰ মুখলৈ ঠেলি দিয়ে। মাটি বাৰী, গৰু-ছাগলী সকলোবোৰ বিক্ৰী কৰি সকলো শেষ হৈ যায়, পিছত কেন্সাৰ ৰোগীজনো ভাল হৈ নুঠে।

নৰ্থইষ্টত কেন্সাৰ বেছিকৈ হোৱাৰ কাৰণ ডাঃ ধৰ্মকান্ত কুম্ভকাৰৰ article ত ICMR report ত কিছুমান code কৰিছে যে ইয়াৰ কাৰণে আমাৰ যি নৰ্থইষ্টৰ খাদ্যাভ্যাস আছে, সেইবিলাকো প্ৰধান কাৰণ, consumption of tobacco, নৰ্থইষ্টৰ মানুহে tobacco দেশৰ ভিতৰতে বেছি খায়। যিসকল কেন্সাৰ ৰোগী, তেখেতসকল 49.1% directly related to tobacco consumption. 70% people in the North East consume tobacco. এই article টো পঢ়ি মই আচৰিত হলো যে আমি কিছুমান কথা নাজানো যে কি খাদ্যই আমাক কেন্সাৰ হ'বলৈ contribute কৰে। যেনে smoked meat বা smoked

pork, যিটো tribal লোক সকলৰ অতি প্ৰিয় আৰু আমিও খাওঁ। সেই মাংসই কেন্সাৰ হোৱাত contribute কৰে। শুকান মাছ, হিদল এইবিলাক যদি বেছি খোৱা যায়, তেতিয়াও কেন্সাৰ হোৱাত contribute কৰে। Fermented bettle-nut, যেনে গুটখা , চিখৰ, চাধা এই বিলাকও কেন্সাৰ হোৱাত contribute কৰে আৰু vegetable ত যি pesticides দিয়ে, সেই শাক-পাচলিৰ কাৰণে কেন্সাৰ ৰোগ হোৱাত বহুত সম্ভাৱনা থাকে। চাহ আৰু কফি যদি মানুহে বেছিকৈ খাই, তেতিয়াও কেন্সাৰ হ'ব পাৰে। চৰকাৰে আজি কেন্সাৰ ৰোগৰ নামত বহুত টকা খৰছ কৰিছে। আমাৰ যিটো কাৰ্ড দিয়ে তাত ২ লাখ টকা কেন্সাৰ ৰোগীয়ে free পায়, বিনামূলীয়া চিকিৎসা পায়। জিলাই জিলাই কেন্সাৰ ৰোগৰ কাৰণে হস্পিতাল বনাবলৈ ঠিক কৰিছে। কিন্তু যদি এই prevention টো হ'ব নোৱাৰে, তেতিয়া দেখা যাব যে আমাৰ হয়তো প্ৰত্যেক ঘৰে ঘৰে হয়তো এটা এটা কেন্সাৰ ৰোগী থাকিব আৰু গোটেই সমাজ ব্যৱস্থা চিন্নভিন্ন কৰি পেলাব। সেই কাৰণে আমি prevention ৰ কাৰণে বেছি জোৰ দিব লাগিব; সজাগতা হ'ব লাগিব আৰু বিভিন্ন ধৰণৰ food habit বিলাক সলাব লাগিব। যিকোনো প্ৰকাৰে tobacco ban কৰিব লাগে, গুটখা, চিখৰ সকলো ban কৰিব লাগে আৰু লগে লগে সজাগতা হ'ব লাগে যে এই বিলাক খালে কেন্সাৰ হয়। smoking ban কৰিব লাগে। এনেকুৱা ধৰণে যদি হয়, তেতিয়াহে আমাৰ অসমৰ লগত গোটেই নৰ্থইষ্টক ৰক্ষা কৰিব পাৰে। ইয়াত দিছে যে by 2025, North East ত 13.5 cancer ৰোগী বৃদ্ধি পাব, অসমৰ কামৰূপ (মেট্ৰ') তে per 1 lakh, 213 people ৰ কেন্সাৰ হ'ব। সেইকাৰণে মই আশা ৰাখিছো যে আমাৰ চৰকাৰে prevention ৰ কাৰণে বিশেষ গুৰুত্ব দিব। মই আৰু এটা কথা কব খুজিছো যে আমাৰ বহুতো সতীৰ্থৰ বহুতো বেয়া অভ্যাস আছে যেনে, গুটখা, চিখৰ খায়। মই নিজে চাধা খাও, সেই কাৰণে মই আজি উদাহৰণ হিচাপে সদনৰ মজিয়াত শপত খাইছো যে মই চাধা খোৱাতো এৰিলো আৰু সতীৰ্থসকলকো অনুৰোধ কৰিলো যে তেওঁলোকেও চিখৰ, চাধা সকলো বাদ দিয়ে আৰু ইয়াৰ পৰাই আৰম্ভ হওক আমাৰ চাধা, চিখৰ বাদ দিয়াৰ আন্দোলন।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, স্বাস্থ্য বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৮ আগষ্টত Sentinal কাকতত এই প্ৰৱন্ধটিৰ উদ্ধৃতি দি মাননীয় বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াই যি বিষয়টো উত্থাপন কৰিলে আপুনি ইয়াত আলোচনা কৰাৰ কাৰণে অনুমতি দিলে তাৰ কাৰণে মই পোন প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে মৃণাল শইকীয়া ডাঙৰীয়াকো ধন্যবাদ দিছো যে তেখেতে আজি সদনত যিটো সিদ্ধান্ত লৈছে।

কেন্সাৰৰ ক্ষেত্ৰত আমি আজি দেখিছো যে এবছৰত নতুনকৈ ৫০ হাজাৰ কেচ অসমত হয়, চলি থকা বিলাক থাকে। ৩.৫০ কোটি জনসংখ্যাৰ মাজত ৫০ হাজাৰৰ নতুনকৈ কেন্সাৰ হয়। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষকৈ আমি কব লাগিব যে আজিৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই স্বাস্থ্য মন্ত্ৰী হৈ থকা দিনত কেন্সাৰৰ কাৰণে ব্যাপক পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপ আপোনালোকৰ ওচৰত দাঙি ধৰিম যে তেখেতে কেনেধৰণে এই প্ৰক্ৰিয়াটো আৰম্ভ কৰিলে। কেইটামান কথা আমাৰ সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই কৈ গৈছে, মই re-peat কৰিবলৈ বিচৰা নাই। কিন্তু মই অকনমান ভাগ কৰি কবলৈ বিচাৰিছো যে পুৰুষৰ ক্ষেত্ৰত কোনখিনি কেন্সাৰ বেছিকৈ হয় আৰু মহিলাৰ ক্ষেত্ৰত কোনখিনি হয়। পুৰুষৰ ক্ষেত্ৰত মুখ মণ্ডলৰ যিটো কেঞ্চাৰ, হাওঁফাওঁ কেঞ্চাৰ, পাকস্থলীৰ কেঞ্চাৰ, খাদ্য নলীৰ কেঞ্চাৰ, এইখিনি আমি পুৰুষৰ

ক্ষেত্ৰত দেখিবলৈ পাই আছো। মহিলাৰ ক্ষেত্ৰত হৈছে Breast Cancer, Cervical Cancer, Overian Cencer, Oral Cancer, খাদ্যনলীৰ কেঞ্চাৰ , কেইবিধমান পুৰুষৰ ক্ষেত্ৰত বেছি আছে। এইকেইবিধমান মহিলাৰ ক্ষেত্ৰত বেছি আছে। এই পাঁচ বিধৰ ভিতৰতে 47% Cancer আমি দেখিবলৈ পাইছো। ইয়াৰ উপায়টো এতিয়া আমাৰ হাতত আছে যে প্ৰাৰম্ভিক পৰ্য্যায়ত আমি detect কৰিব পাৰিলে ইয়াৰ সৰহসংখ্যকে আজিৰ যিটো চিকিৎসা ব্যৱস্থা, তেখেতসকলৰ চিকিৎসাত এই Cancer সফল হয়। এতিয়া আমি প্ৰাৰম্ভিক পৰ্য্যায়ত যথেষ্টখিনি ব্যৱস্থা লোৱা হৈছে। এতিয়া আমি PHE, Mini PHE সমূহত থকা ডাক্তৰ সকলৰ training দিছো, যাতে তেওঁলোক ক অন্য ৰোগ দেখাবলৈ যাওঁতে তেওঁলোকৰ তাত doubt কৰিব পাৰে বা doubt কৰি refer কৰিব পাৰে। ঠিক তেনেধৰণে সজাগতা সভা কৰা হৈছে। অন্যান্য ধৰণে আমাৰ একেবাৰে তৃণমূল স্বাস্থ্যকৰ্মীলৈকে আমি এই গোটেই ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছো যাতে মানুহে নিজক সন্দেহ কৰাৰ আগতে তেখেতসকলে যাতে সন্দেহ কৰিলে ইয়াক refer কৰিলে আমি যাতে ইয়াৰ চিকিৎসা কৰিব পাৰো। ঠিক তেনেকৈ এতিয়া আমি এইকেইদিনতো তেনেকুৱা সজাগতা সভা কৰি থকা হৈছে। বিশেষকৈ প্ৰতিষেধকৰ বাবে যিখিনি সজাগতা হ'ব লাগে তাৰ পাছত ডাক্তৰক training দিয়া, সজাগতা সভা, এনেধৰণৰ যিখিনি কাম সেইখিনি early delection ৰ কাৰণে চৰকাৰে কৰি আছে আৰু বিভিন্ন NGO ৰ পৰাও সহায় লৈছে। ইয়াৰ পাছতে আমি সদ্যহতে কি কৰিব বিচাৰিছো, আমি সদ্যহতে কৰিবলৈ বিচৰা কথাটো হৈছে যে, ২০১৬ চনত এই চৰকাৰখন অহাৰ আগলৈকে গুৱাহাটীত এখনেই Cancer Institute আছিল। সেইখিনি হৈছে Doctor B.Barooah Cancer Institute. শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্যৰ সমষ্টিত। কাৰণ তেখেতৰ লগতে যথেষ্ট যোগাযোগ হৈ থাকে তাৰ উন্নয়নৰ কাৰণে। গতিকে এইখন Institute য়ে আছিল, এই Institute খনৰ পাছত যেতিয়া ২০১৬ চনত আমাৰ চৰকাৰখন অহাৰ পাছত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী হিচাপে তেখেতে ঠিক কৰিলে যে টাটা আৰু অসম চৰকাৰৰ মাজত এখন Section 8 Company Act ৰ no profit যিটো company, সেইটো company form হ'ল আৰু সেইটো company form হৈ ইয়াত ৪৪০০ শ কোটি টকা ধাৰ্য্য কৰিলে। ৪৪০০ কোটি টকাৰ ভিতৰত ২৮২০ কোটি টকা অসম চৰকাৰে দিব, ১১৮০ কোটি টাটাৰ পৰা পাব আৰু টাটাই যন্ত্ৰপাতিখিনি এই মূল্যৰ ভিতৰত ইয়াত দিব। এই বন্দবস্ত হ'ল আৰু এই বন্দবস্ত হৈ খুব তীব্ৰগতিত কাম আৰম্ভ হ'ল। অৱশ্যে ইয়াৰ আগতে আমি AMC আৰু SMC ত Radio therapy এটা আছিল। তাৰবাদে একো নাছিল। গুৱাহাটীত ২০১৭ চনত ২০০ বিচনাযুক্ত GMC ৰ সংলগ্ন এখন Cancer Hospital আৰম্ভ হ'ল আৰু এইখন শেহতীয়াভাৱে আমাৰ ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সেই সময়ৰ স্বাস্থ্যমন্ত্ৰী নাডডা জীৰ লগত ঠিক কৰি তাতে ১২০ কোটি টকাৰ গ্ৰাণ্ট হিচাপে লৈ এইখনক State Cancer Institute লৈ ৰূপান্তৰ কৰিলে, এইখন ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত প্ৰথম আৰু এতিয়া যিখন Doctor B. Barooah Cancer Institute আছে, এইখনত Bombay Tata Inatitute ৰ পৰাও support আছে আৰু Bhaba Atomic তৰফৰ পৰাও তেওঁলোকক Government of India ৰ Ministry of Science and Technology Department of Energy, তাৰ পৰা এইখিনি support কৰি আছে। সেইখন আমিও support কৰিছো। ৰাজ্য চৰকাৰে আজি কেইদিনমান আগতে তাত এটা Linac Machine দিবৰ কাৰণে ঠিক কৰিছো। ঠিক তেনেধৰণে এইখন এটা ভাল অৱস্থাত আছে। তাৰপাছত State Institute, আমাৰ যিখন State Cancer Institute,

এইখন হৈ আছে। আপোনালোকে এটা কথা শুনি ভাল পাব যে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উদ্দেশ্যটো আছিল যে তেখেতে ভাবিছিল তেওঁৰ vision টো এনেকুৱা যে অসমত cancer care service টো যাতে আমি minimum traval and minimum expenses, অলপ দুৰত গৈয়ে যাতে service টো পায়, আৰু আমি ঠিক কৰিছিলো যে, ৪ ঘণ্টাৰ ওপৰত যাব নালাগে। ৪ ঘণ্টাৰ ওপৰত যাব লগা ঠাইয়ে নাই। য'ত য'ত cancer institute হ'ব, এক-দুই মিনিটৰ পৰা আৰম্ভ কৰি হয়তো দুঘণ্টা-আঢ়ৈঘণ্টাৰ ভিতৰত একোখনকৈ cancer institute পাব। যিটো আগতে আমি শুনিছিলো যে মানুহে ভেলৰলৈ গ'ল, বম্বেলৈ গ'ল ইয়াত একো উপায় নাই এতিয়া সকলো উপায় ইয়াত হৈছে আৰু reduse টো mortality and morbidity এইটোৱে আমাৰ মুল কথা আছিল আৰু ইয়াৰ prevantive detention ৰ কাৰণে আমি সজাগতায়েই হওঁক, বাকী যিখিনি ব্যৱস্থা ল'ব লাগে, সেই সকলোখিনি লোৱাৰ বাবে আমি ঠিক কৰিছো। এতিয়া ইয়াত আমাৰ কেইখন হৈছে আপোনাক মই কৈ যাব বিচাৰিছো যে State Cancer Institute Guwahati এইখন ৩৫০ বিচনাযুক্ত হ'ব আৰু এতিয়া এইবছৰৰ ভিতৰত ইয়াত চিকিৎসা চলি আছে, বাকী কিছু নিৰ্মাণ হৈ আছে। এইবছৰৰ ভিতৰত এই নিৰ্মাণ সম্পূৰ্ণ হ'ব। তাৰপাছত ইয়াতে আহিল বৰপেটা, ডিব্ৰুগড়, শিলচৰ, ডিফু আৰু ধুবুৰী, ইয়াত ইতিমধ্যে বৰপেটা, ডিব্ৰুগড় এই দুখন হস্পিটেল মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২৮ এপ্ৰিল তাৰিখে উদ্বোধন কৰিছে, শিলচৰ আৰু ডিফু সম্পূৰ্ণ হোৱাৰ পথত আৰু ধুবুৰী আধাৰশিলা ইতিমধ্যে গৈ গৈছে। বাকী এইখিনি হস্পিটালত কিছু কথা আমি ভাগ কৰি দিছো যে ক'ত কি থাকিব। গুৱাহাটী State Cancer Institute ত advance diagnostic কোনখিনি থাকিব। PAT MRI, Nuclear Medicine, Molecular Labortory along with the test chemo-therapy, Linac, Robotic Surgery, আমি tender কৰিলো এইখিনি আহিব। তাৰপাছত Bone Morrow Transtlant কিছুদিনৰ আগতে আমি আৰম্ভ কৰিছো। ইতিমধ্যে sucessfully হৈছে আৰু ৰোগীসকল এতিয়া গৈ আছে। ইয়াৰ পিছত বৰপেটা, ডিব্ৰুগড়, শিলচৰ ডিফু, ধুবুৰী ইয়াত কি কি থাকিব। ইয়াত থাকিব প্ৰধানকৈ Radiation therapy, Linac, Surgical Oncology, temotherapy, PAT Scan, MRI, CT Scan, Mommography, Critical care Blood Bank, Palliative care supported to advance laboratory support. এতিয়া তাৰ বাকীকেইখনত কি থাকিব তেজপুৰ, লক্ষীমপুৰ, যোৰহাট, কোকৰাঝাৰ, দৰং এইকেইখন ইতিমধ্যে ২৮ এপ্ৰিল তাৰিখে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উদ্বোধন কৰিছে আৰু ইয়াৰ লগতে তিনিচুকীয়া, নলবাৰী, গোৱালপাৰা, গোলাঘাট, নগাওঁ, শিৱসাগৰ এইকেইখন মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২৮ এপ্ৰিল তাৰিখে আধাৰশিলা স্থাপন কৰিছে। ইয়াতো Fasility থাকিব 45 baded fasility with Radiation therapy, Chemotherapy, CityScan, MRI and Laboratory from care service এইখিনি ইয়াতো থাকিব। আমি তিনিটা পৰ্য্যায়ৰ হস্পিতাল ইতিমধ্যে ঠিক কৰিছো। এটা পৰ্য্যায়ৰ State Cancer Institute Guwahati এইখিনিত সকলো ৩৫০ বিচনাযুক্ত সকলো digianostic থাকিব। তাৰপাছত আহিব বৰপেটা, ডিব্ৰুগড়, শিলচৰ, ডিফু, ধুবুৰী এইখিনি leval 2 বুলি যি কৈছো, তাত কিখিনি থাকিব মই কৈ গ'লো। Leval 3 ইয়াতে কিখিনি থাকিব, তেজপুৰ, লক্ষীপুৰ, যোৰহাট, কোকৰাঝাৰ, দৰং, তিনিচুকীয়া, নলবাৰী, গোৱালপাৰা, গোলাঘাট, নগাওঁ, শিৱসাগৰ, এইখিনিত কি কি থাকিব। গতিকে এই গোটেই ব্যৱস্থাটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই

তেখেতৰ নেতৃত্বত লৈছে। তেখেতে এইটো যিটো আমি section 8 company কৰিছো, মুখ্যমন্ত্ৰী ডাঙৰীয়া তাৰ চেয়াৰমেন, টাটা আছে, আমি ৰাজ্য চৰকাৰ আছো, তাত আমি একেলগে কৰিছো। তাতোকৈ এটা ডাঙৰ কাম আমি কৰিবলৈ লৈছো - চাউথ এছিয়া কেঞ্চাৰ ৰিচাৰ্চ চেণ্টাৰৰ ১০০ বিঘা মাটি ইতিমধ্যে আবণ্টন দিয়া হৈছে। এইটো কেঞ্চৰৰ এটা ডাঙৰ ইনষ্টিটিউট হ'ব। গুৱাহাটীৰ আমিনগাওঁত ১০০ বিঘা মাটি ইতিমধ্যে আবণ্টন দিয়া হৈছে। আজিৰ দিনটোত আমাৰ ৰাজ্যখনত হয়তো LINAC Machine ৫ টা আছে। কিন্তু এই আটাইকেইখন চিকিৎসালয় যেতিয়া সম্পূৰ্ণ হ'ব তেতিয়া আমি মুঠতে ২০ টা LINAC Machine, ১৭টা MRI Machine, ১৭টা CT Scane, ৫ টা PATH City Lab পাম। ১৭টা PATH Lab আৰু ৩৫০ খন কেঞ্চাৰ ইনষ্টিটিউটৰ কাৰণে ICU ক্ৰিটিকেল কেয়াৰ বেড হ'ব। এই আটাইখিনি যেতিয়া সম্পূৰ্ণ হ'ব তাৰে কিছুমান সম্পূৰ্ণ হৈছে, কিছুমানৰ আধাৰশিলা স্থাপন হৈছে আৰু কিছুমানৰ কাম চলি আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুবছৰৰ ভিতৰত এইখিনি সম্পূৰ্ণ কৰিবৰ বাবে টাৰ্গেট দিছে আৰু ইয়াৰ বাবে ইতিমধ্যে কাম আৰম্ভ হৈছে আৰু মাটিৰ আবণ্টন দিয়া হৈছে। ইয়াৰ লগতে আমি প্ৰত্যেকখন কেঞ্চাৰ ইনষ্টিটিউট মেডিকেল কলেজৰ লগতে কৰিবলৈ লৈছো। যাতে অতিৰিক্ত কিবা চাপোৰ্ট মেডিকেল কলেজৰ পৰা দৰকাৰ হ'লে লোকসকল বহু দূৰলৈ যাব নালাগে। Comorbidity ৰোগ থকা, বেলেগ বেলেগ ৰোগ থকা বহু লোক কেঞ্চাৰ ইনষ্টিটিউটলৈ যায়। কেঞ্চাৰৰ বাবে তেওঁ তাত চিকিৎসা পাব আৰু বাকী ৰোগৰ বাবে তেওঁ মেডিকেল কলেজৰ পৰা সহায় পাব। এই ব্যৱস্থাখিনি সুন্দৰভাৱে লোৱা হৈছে। আজি আপুনি অনুমতি দিয়া বাবে মই সদনৰ সকলো সন্মানীয় সদস্যৰ জ্ঞাতাৰ্থে জনাবলৈ পাৰিলো। তাৰ বাবে মই আন্তৰিক ধন্যবাদ জনাইছো আৰু ইয়াৰ বাবে আপোনালাকৰ সহযোগিতাও বিচাৰিছো। আমি কিছুমান পদক্ষেপ ল'বলগীয়া আছে। ইতিমধ্যে মৃণাল শইকীয়া ডাঙৰীয়াই কৈ গৈছে কি কি কাৰণত কেঞ্চাৰ হয়। মই সেইখিনি পুনৰ ৰিপিট কৰিব বিচৰা নাই। বিশেষকৈ খাদ্যৰ ক্ষেত্ৰত হয়, পেষ্টি চাইডৰ ক্ষেত্ৰত হয়। কিছুমান জেনেটিক ফেক্টৰো আছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ স্বাস্থ্য বিভাগে এইবোৰ বন্ধ কৰিব নোৱাৰিম। যি যি বিভাগে এইবোৰ চলাই আছে, সেই বিভাগ সমূহেও ইয়াত সহমত প্ৰকাশ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এতিয়া কোৱা হৈছে যে খাদ্য সংৰক্ষণ কৰোতে কিছু কেমিকেল তাত দিয়া হয়। কেমিকেল দি সংৰক্ষণ কৰা খাদ্য, যি সমূহ পেকেট ফুড কেমিকেল দি বহুদিনৰ কাৰণে ৰখা হয়, সেই সমূহৰ পৰাও কেঞ্চাৰ হয় বুলি এতিয়া কোৱা হৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰক ইয়াৰ লগত জড়িত সকলো বিভাগে সহযোগ কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত স্বাস্থ্য বিভাগৰ ফালৰ পৰা এইখিনি সম্ভৱ হৈ উঠিছে। এই বিষয়ে মই আপোনালোকক জ্ঞাত কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শিৰামণি বৰা ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰী শিৰামণি বৰা, বিধায়িকা, (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১ চেপ্তেম্বৰ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত "কলিয়াবৰত প্ৰহসনত পৰিণত এছিয়াৰ দ্বিতীয় সৰ্ব্ববৃহৎ জলসিঞ্চন প্ৰকল্প। পানীৰ অভাৱত ছন পৰিল ১৫০০ হেক্টৰ কৃষিভূমি" শীৰ্ষক বাতৰিটো প্ৰকাশ পাইছে। এগৰাকী কলংপৰীয়া আৰু চাকৰি সূত্ৰে বহুদিন কলিয়াবৰত থকা বাবে এই বাতৰিটোৱে মোক বহুত চিন্তিত কৰিছে। হাতীমূৰা স্থিত কলং-কলিয়াবৰ নামেৰে পৰিচিত এছিয়াৰ দ্বিতীয় সৰ্ব্ববৃহৎ জলসিঞ্চন আঁচনিখন ১৯৭৩ চনত নিৰ্মাণ কৰা হৈছিল। আঁচনিখনৰ নিৰ্মাণ, মেৰামতি আৰু উন্নতিসাধনৰ কাৰণে বৃহৎ পৰিমাণৰ ৰাইজৰ ধন খৰচ কৰা হৈছে। এই ভৰ বাৰিষাত ব্ৰহ্মপুত্ৰ

ওফন্দি থকাৰ সময়তো আঁচনিখনৰ সমান এৰিয়াৰ অন্তৰ্গত হাজাৰ বিঘা কৃষিভূমি পানীৰ অভাৱত খেতি কৰিব নোৱাৰাটো কোনো পধ্যেই মানি ল'ব নোৱাৰি। খৰালি কৃষকক পানীযোগান দিয়াটো বাদেই, বাৰিষাও পানীযোগান দিব নোৱাৰোটোৱে বৰ্তমান কলিয়াবৰৰ আঁচনিখন ব্যৰ্থ হোৱাটো বুজাইছে। দুখীয়া ৰাইজৰ বহু কৃষিভূমি অধিগ্ৰহণ কৰি, এখন বোৰতী নদীত বান্ধ মাৰি মৰা নদীত পৰিণত কৰি এই আঁচনিখন নিৰ্মাণ কৰা হৈছিল। কৃষক ৰাইজৰ সপোনক গচকি বৰ্তমান আঁচনিখনৰ সোণৰ কণী পৰা হাঁহলৈ পৰিণত কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিয়েই ক'ব বিচাৰিছো যে আমাৰ যিটো জলসিঞ্চন প্ৰকল্প ১৯৭৩ চনতেই আৰম্ভ কৰা হৈছিল কিন্তু আজি পৰ্য্যন্ত সেই জলসিঞ্চন প্ৰকল্পটো সম্পূৰ্ণ নহ'ল। এইখিনিতে মই আৰু এটা কথা ক'ব বিচাৰিছো যে স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা মন্ত্ৰী মাননীয় শ্ৰী কেশৱ মহন্ত ডাঙৰীয়া এই কলিয়াবৰ সমষ্টিৰ পৰাই দীৰ্ঘ সময় ধৰি পৰা মন্ত্ৰী তথা বিধায়ক হৈ আছে। আশা কৰো তেখেতেও এই বিষয়টো অলপ গুৰুত্ব সহকাৰে ল'ব। ৰাইজৰ বহুত ধন ইয়াত খৰচ হৈছে। কিন্তু ৰাইজে এতিয়ালৈকে কোনো উপকাৰ পোৱা নাই। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে কি কাৰণে এইটো হোৱা নাই ইয়াৰ এটা তদন্ত কৰিব লাগে আৰু অতি সোনকালে তদন্ত কৰি দিলে আমাৰ কলিয়াবৰ তথা নগাওঁবাসীৰ ৰাইজ উপকৃত হ'ব।

**মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট।**

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৫ চনত এই প্ৰকল্পৰ কাম আৰম্ভ হৈছিল আৰু ১৯৮৫ চনত ইয়াৰ কাম সম্পূৰ্ণ হৈছিল। আঁচনিখনৰ জৰিয়তে প্ৰায় ১৭ হাজাৰ হেক্টৰ মাটিত পানীযোগান দিয়া হৈছিল। কিন্তু এতিয়া এই প্ৰকল্পটো বহু পুৰণি হৈ গ'ল আৰু প্ৰকল্পটো পুৰণা হোৱাৰ বাবে বহু কেনেল ডেমেজ হ'ল। এই কেনেল বিলাক ডেমেজ হোৱাৰ পিছত প্ৰায় ১৫ শ হেক্টৰ মাটিত এতিয়াও পানীযোগান দি থকা হৈছে। প্ৰকল্পটো মেৰামতি কৰাৰ বাবে SMIP শিতানৰ অন্তৰ্গত ২১০ কোটি টকাৰ এটা প্ৰস্তাৱ ভাৰত চৰকাৰৰ তাত বিচাৰাধীন হৈ আছে। বহু প্ৰকল্পত বহু সমস্যা আছে। তাৰ কাৰণটো হৈছে Head works টো বহু ঠাইত বিফল হৈ যায়। বানপানীৰ সময়ত নদীৰ গতি-পথ সলনি হোৱাৰ বাবে য'ত Head works থাকে তাত পানীৰ ব্যৱস্থা নাথাকে। কৰ'বাত কৰ'বাত Siltation ৰ কাৰণে নদীৰ গতি-পথ সলনি হয় আৰু তাৰ কাৰণে বহু জলসিঞ্চন প্ৰকল্প ঠিক থকাৰ পিছতো পানী দিয়া সম্ভৱ নহয় আৰু আঁচনিসমূহ বিফল হয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাত আমি প্ৰত্যেকখন জিলাতে District Irrigation Master Plan বনাবৰ কাৰণে আৰম্ভ কৰিছো আৰু তথ্যসমূহো আমি সংগ্ৰহ কৰি আছো। পানীৰ চ'ৰ্চ ক'ত ক'ত আছে, তাৰ ডাটা সংগ্ৰহ কৰাৰ কামো আৰম্ভ হৈছে। অহা দিনসমূহত যিবোৰ প্ৰকল্পৰ Head works বোৰ বিফল হৈ আছে বা কিবা কাৰণত আঁচনিসমূহ বিফল হৈ আছে সেইসমূহ ঠিক কৰি ৰাইজক যাতে পানী দিব পাৰো তাৰ ব্যৱস্থাও কৰি আছো। PMKSY, 'হৰ খেত মে পানী'ৰ মাননীয় প্ৰধানমন্ত্ৰীৰ যিখন আঁচনি আছে তাৰ জৰিয়তে আমি প্ৰথম ফেজ সফলতাৰে সম্পন্ন কৰিলো। দ্বিতীয় ফেজৰো কাম প্ৰায় ৮০ শতাংশ সম্পূৰ্ণ হৈছে। ডিপ টিউবেলৰ পৰা পানী আহি আছে। মই ভাৱো যে ডাঙৰ প্ৰকল্প এই চৰকাৰৰ দিনত আৰম্ভ কৰা নাই যদিও দুটা প্ৰকল্প এডভাঞ্চ ষ্টেজত ভাৰত চৰকাৰৰ এপ্ৰোভেলত আছে আৰু এই বছৰেই এপ্ৰোভেল পাম। এই বিত্তীয় বৰ্ষতে কামখিনি আৰম্ভ কৰিব পাৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত গোটেই অসমৰ ইৰিগেশ্যন প্লেন বনাবৰ বাবে কাম

হাতত লৈছো। কাৰণ মই ভাৱো যে অহা দিনবোৰত জলসিঞ্চনৰ ভাল ব্যৱস্থা আমি কৰিব পাৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্রী কমলাক্ষ দে পুরকায়স্থ** :- উপাধ্যক্ষ মহোদয়, গত ৮ সেপ্টেম্বর 'দৈনিক যুগশঙ্খ' সংবাদপত্রে প্রকাশিত 'প্রাথমিক স্তরে গণিত, বিজ্ঞান শিক্ষাদান চলুক মাতৃভাষায়' এই বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। আজ এই বিষয়টি নিয়ে আমাদের সভা স্থগিত প্রস্তাবে অনেক আলোচনা হয়। উপাধ্যক্ষ মহোদয়, আমি বুঝতে পারছি না আমাদের মাননীয় মুখ্যমন্ত্রী বলেছিলেন আমাদের ভারতবর্ষে জোন ওয়াইস একটা কেপিট্যাল হওয়া দরকার। এটা মুখ্যমন্ত্রীর দৃষ্টিভঙ্গী। আমি মনে করি সেটারই একটা পরিকল্পনা নাকি, যে বিশেষ করে প্রাথমিক স্তরে গণিত এবং বিজ্ঞানে মাতৃ ভাষায় ইন্ট্রডিউস করা হচ্ছে। 'এ ফর অসম' অর্থাৎ জি এস টির ক্ষেত্রে আমাদের প্রথম বিল এখানে আনা হয়েছিল। অসমেই প্রথম জিএসটি আমাদের পরিচিত করা হয়েছিল। অসমে আমরা প্রথম জিএসটি মেনে ছিলাম। নতুন শিক্ষা নীতি ২০২২ র ক্ষেত্রেও আমরা দেখেছি প্রথমেই আমাদের বিধান সভায় আলোচনা করা হল সেই শিক্ষা নীতি নিয়ে। কিভাবে এডুকেশন পলিসি লাঘু করা যায় বা কিভাবে এডুকেশন পলিসি অসমে বিস্তার লাভ করে সেই ক্ষেত্রে আমরা সিদ্ধান্ত নিয়েছিলাম। কিন্তু অধ্যক্ষ মহোদয়, নিউ এডুকেশন পলিসিতে ক্লিয়ারলি লিখা আছে যে মাতৃ ভাষার উপর গুরুত্ব দেওয়ার কথা। কিন্তু এই এডুকেশন পলিসি ইম্পিলিমেন্ট করার জন্য আপনারা আলোচনা করলেন কিন্তু ক্লজ যেগুলো আছে সেগুলো মানলেন না। অর্থাৎ এডুকেশন পলিসিতে বলা হয়েছে মাতৃ ভাষার উপর গুরুত্ব দেওয়া। কিন্তু দেখা যাচ্ছে আপনারা বলছেন প্রাথমিক স্তর থেকে গণিত এবং বিজ্ঞানে ইংরাজি ভাষায় শিক্ষা দান করা হবে। অধ্যক্ষ মহোদয়, আমাদের পার্লিয়ামেন্টারি এফেয়ার্স মিনিষ্টার এখানে আছেন , উনি বলেছিলেন অসমীয়া ভাষা বলুন বা বাংলা ভাষা বলুন যাদের যে মাতৃ ভাাষা আছে। শুধু ল্যাবার শ্রেণী বা ড্রাইভার, হেণ্ডিমেন ওদের ছেলেমেয়ের দায়িত্ব নয়, আমাদের সবার দায়িত্ব আছে নিজের মাতৃ ভাষাকে রক্ষা করা।

উপাধ্যক্ষ মহোদয়,মাননীয় মন্ত্রী এখানে আছেন আমিও আছি। আমার ছেলে কিডজী তে পড়বে, মন্ত্রী মহোদয়ের ছেলে দেরাদুনে পড়বে। ওরা টেকনিক্যালি সাউণ্ড থাকবে, ওরা ভালো টিচারের কাছে পড়াশোনা করবে। কিন্তু আমার পাঁচটি প্রশ্ন মন্ত্রী মহোদয়ের কাছে। আমার প্রথম প্রশ্ন, আপনারা গণিত এবং বিজ্ঞানে প্রাথমিক স্তর থেকে ইন্ট্রডিউস করতে যাচ্ছেন অর্থাৎ ইংরাজি ভাষায় শিক্ষা দিতে চাইছেন। আমার প্রশ্ন, যে বা যারা শিক্ষক এখানে আছে ওরা হয়তো কেউ অসমীয়া মিডিয়াম,কেউ বাংলা মিডিয়ামে পড়াশুনা করে আসল। সেই শিক্ষকরা কিভাবে স্কুলে ইংরাজী মিডিয়ামে পড়াশোনা করাবে। আপনারা পরিকাঠামোর ক্ষেত্রে প্রথমে ঠিক করুন। আসলে টেকনিক্যালি আমাদের অনেক ফল্ট আছে। সেই টেকনিক্যাল ভাবে আমারা প্রেকটিক্যালি অনেক এগিয়ে যেতে পারি। আমি বিশ্বাস করি, আপনারা বলছিলেন যে গরীব ছাত্র-ছাত্রীরা ইংরাজি মিডিয়ামে পড়াশোনা করবে। কিন্তু আমাদের ছেলেমেয়েরা ভালো ভালো শিক্ষকের কাছে পড়াশোনা করবে। ওদেরকে আমি বলে দিলাম আপনারা ইংরাজিতে পড়াশুনা করুন। কারা পড়াশুনা করাবে? যারা ইংরাজি জানেনা। আমি জেনারাইজ করছিনা, অনেক শিক্ষকের মেধা আছে কিন্তু যারা মাতৃ ভাষায় পড়াশোনা করলেন তারা কিভাবে ইংরাজি ভাষায় পড়াবেন। সেটা আমার প্রথম প্রশ্ন। আমার দ্বীতিয় প্রশ্ন, আপনারা বলছেন এমবিবিএস বা ইঞ্জিনিয়ারিং মাতৃ ভাষায় পড়াশোনা করতে

পারবে। কিন্তু আমি বলছি, যদি প্রাথমিক থেকে শুরু করে নবম দশম শ্রেণী পর্যন্ত ইংরাজিতে পড়াশোনা করে তারপর কিভাবে ছাত্রছাত্রীরা এমবিবিএস বা ইঞ্জিনিয়ারিং মাতৃ ভাষায় পড়াশোনা করবে। তার সেই দক্ষতা থাকবে কি থাকবে না। সেটা আমার প্রশ্ন। আমার তিন নম্বর প্রশ্ন হল, আমাদের মুখ্যমন্ত্রীর একটি স্বপ্ন ছিল যে ইসলাম ধর্মাবলম্বীর ছেলেমেয়েরা মেডিক্যাল এন্ট্রেন্স বা নিটে যাতে সুযোগ পায়। আমি দেখেছি নিট এর যে লিস্ট বেরিয়েছে সেখানে. অনেক ইসলাম ধর্মাবলম্বীর ছেলেমেয়েরা সুযোগ পেয়েছে। তারমধ্যে অনেকেই মাদ্রাসা পাস করে সুযোগ পেয়েছে। তাই মুখ্যমন্ত্রীর সেই স্বপ্নটা ধীরে ধীরে বাস্তবায়িত হচ্ছে। আমি মনে করি আমাদের এই যে সমস্যাগুলো রয়েছে সেগুলো আগে ঠিক করা হোক। রাষ্ট্রীয় শিক্ষানীতির আওতার ভেতরে যেগুলো আছে সেইগুলো ঠিক না করে আমরা হঠাৎ করে যদি সেগুলো ইম্পিলিমেন্ট করা শুরু করি তাহলে আমাদের মধ্যে সমস্যার সৃষ্টি হবে। তাই আমি মনে করি সবার জন্য সমান আইন হোক। আপনারা একটা আইন বানিয়ে দিলেন,সেই আইনটি যদি সঠিকভাবে ইম্পিলিমেন্ট না হয় তাহলে আমাদের ছেলেমেয়েরা উপকৃত হবেনা। আমাদের সাধারণ ঘরের ছেলেমেয়েরা উপকৃত হয় সেইদিকে লক্ষ রাখতে হবে। শিক্ষানীতির মাধ্যমে যে সিদ্ধান্ত নেওয়া হয়েছে বা যে পরিকল্পনা আছে সেগুলো আগে ঠিক করা হোক। ইনফ্রাস্ট্রাকচার ঠিক করা হোক তারপর সিদ্ধান্ত নেওয়া হবে।

উপাধ্যক্ষ মহোদয় , ক্ষমতা পেয়ে যারা নিজেকে ক্ষমতাবান মনে করেন তার হচ্ছে অত্যাচারী। আর যারা ক্ষমতা পেয়ে নিজেকে দায়িত্বশীল মনে করেন ওরা হচ্ছে বিনয়ী। অর্থাৎ ক্ষমতার বলীয়ান হয়ে আপনারা এমন কোনো কাজ করবেন না যে কাজের জন্য আমাদের অসমের সাধারণ মানুষেরা উপকৃত হয়না। সাধারণ মানুষেরা যাতে বিপথে পরিচালিত হয়না। আপনাদের যে ক্ষমতা দেওয়া হয়েছে সেই ক্ষমতার মাধ্যমে অসমের জনসাধারণ যাতে উপকৃত হয়। আমি ধন্যবাদ জ্ঞাপন করছি উপাধ্যক্ষ মহোদয়, এবং আমি বিশ্বাস করি যে মন্ত্রী মহোদয়ের কাছ থেকে স্বদত্তোর পাব। ওনার কাছ থেকে যাতে সঠিক উত্তর আমরা পাই। ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে প্ৰশ্নটো উত্থাপন কৰোতে তেখেতৰ অলপ বিভ্ৰান্তি হৈছে কিয়নো অসম চৰকাৰে অসমৰ চৰকাৰী বিদ্যালয় সমূহত মাধ্যম সলনি কৰাৰ কোনো সিদ্ধান্ত লোৱা নাই। মাতৃভাষাৰ মাধ্যম হিচাপে অসমীয়া, বড়ো, বঙালী য'ত যেনেকৈ আছে, তেনে ধৰণেই থাকিব। সিদ্ধান্তটো হৈছে- তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিতৰ পাঠ্যপুথি সমূহ ইংৰাজী ভাষাত হ'ব। মাধ্যম মানে কি সেই বিষয়ে এক স্পষ্টতাৰ প্ৰয়োজন। মাধ্যম বুলিলে আমি যদি পাঠ্যপুথিৰ ভাষাটোকে বুজো তেন্তে আমাৰ ডাঙৰ ভুল হ'ব। আমি যদি নতুন শিক্ষা নীতিৰ বিষয়ে সুন্দৰকৈ খৰচি মাৰি পঢ়ো তেন্তে আমি বুজি পাম যে নতুন শিক্ষা নীতিয়ে কেৱল পাঠ্যপুথিৰ ভাষাটোকে মাধ্যম বুলি কোৱা নাই। শিক্ষক আৰু ছাত্ৰৰ মাজত কি ভাষাত আদান-প্ৰদান তথা শিক্ষাদান হয়, পাঠ্যপুথি যি ভাষাতেও নাথাকক কিন্তু শিক্ষকৰ ভাষা ছাত্ৰ-ছাত্ৰীৰ বাবে বোধগম্য হ'ব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ ভাষা শিক্ষকৰ বাবে বোধগম্য হ'ব লাগে। ছাত্ৰ-ছাত্ৰীৰ এই ভাষাটোৱেই মাতৃভাষা। মাতৃভাষাৰ ওপৰত নতুন শিক্ষানীতিয়ে যিদৰে গুৰুত্ব দিছে সেইদৰে অসম চৰকাৰেও আগৰ পৰাই গুৰুত্ব দি আহিছে আৰু এতিয়াও গুৰুত্ব দি আছে। কেতিয়াবা পাঠ্যপুথিৰ ভাষা আৰু ছাত্ৰ-ছাত্ৰীৰ ভাষা একে নহয়। শিক্ষকজনে যেতিয়া ছাত্ৰ-ছাত্ৰীৰ ভাষা বুজিব নোৱাৰে তেতিয়া বিভ্ৰাট হয় আৰু এই বিভ্ৰাট সমূহ দূৰ কৰাৰ বাবে অসম চৰকাৰে চেষ্টা কৰিছে। সেই বিভ্ৰাটৰ উদাহৰণ স্বৰূপে মই কওঁ- এখন মিচিং

গাঁৱৰ স্কুল এখনত অসমীয়া আৰু মিচিং ছাত্ৰ-ছাত্ৰী আছে তাত মূল সুঁতিৰ অসমীয়া জনা শিক্ষক এগৰাকীয়ে ধানৰ ছবি দেখুৱাই এইটো কি বুলি সোধাত মিচিং ছাত্ৰ এজনে আম বুলি ক'লে। ছাত্ৰজনে আম বুলি কোৱাৰ লগে লগে তাত থকা অন্য ভাষী ছাত্ৰ-ছাত্ৰীয়ে হাঁহিলে আৰু শিক্ষকজনেও তাক বুৰ্বক বুলি ক'লে। আম আৰু ধান কেনেকুৱা হয় সি নাজানে নেকিবুলিও তাক সুধিলে। কিন্তু, ছাত্ৰজনৰ কোনো ভুল নাই কিয়নো মিচিং ভাষাত ধানক আম বুলিয়েই কয়। গতিকে, ছাত্ৰজনে শুদ্ধ উত্তৰেই দিছে। সেয়েহে, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ ভাষা একেই হ'ব লাগে আৰু তাক একে কৰাৰ বাবে চৰকাৰে কিছু নীতি গ্ৰহণ কৰি আছে। সেই নীতি মতে শিক্ষকজনৰ ভাষাটো কি হ'ব তাৰ ওপৰত গুৰুত্ব দি টেট শিক্ষকৰ নিযুক্তিত এটা চৰ্ত ৰাখিছিল যে প্ৰাৰ্থীয়ে L-1 ত যি বিষয় বাচি ল'ব সেইটো আৰু স্কুলৰ official medium একে হ'ব লাগিব। অৰ্থাৎ যাৰ L-1 অসমীয়া নহয় তেওঁ অসমীয়া মাধ্যমৰ বিদ্যালয়ত নিযুক্তি পাবই নোৱাৰে। যাৰ L-1 বড়ো, তেওঁ বড়ো মাধ্যমৰ স্কুলত চাকৰি পাব। অন্যই তাত চাকৰি পাব নোৱাৰে। অৰ্থাৎ অসমীয়া জনা শিক্ষকে অসমীয়া মাধ্যমৰ স্কুলত, বেংগলী জনা শিক্ষকে বেংগলী মাধ্যমৰ স্কুলতহে চাকৰি পাব। Secondary level ত চৰ্ত দিয়া আছে যে তাত চাকৰি পাবলৈ হ'লে MIL টো অসমীয়া হ'ব লাগিব, নহ'লে elective subject অসমীয়া হ'ব লাগিব। এই ব্যৱস্থাটো এইকাৰণেই আছে যাতে মাতৃভাষাটো শিক্ষকসকলে শিক্ষাদান কাৰ্য্যসূচীটো কৰিব পাৰে। দ্বিতীয়তে, NEP ৰ কথা কোৱা হৈছে। NEP য়ে মাতৃভাষাৰ কথা কৈছে। কিন্তু একেটা সময়তে NEP য়ে multi linguism, বহুভাষিক শিক্ষা প্ৰদানৰো কথা কৈছে। Bilingual শিক্ষা প্ৰদানৰ কথাও NEP য়ে কৈছে। সেই কথাখিনিও যিটো দফাত উল্লেখ আছে যে পৰাপক্ষত পঞ্চম শ্ৰেণীলৈকে আৰু পাৰিলে অষ্টম শ্ৰেণীলৈকে মাতৃভাষা বা home language ব্যৱহাৰ কৰিব লাগে। তাৰ পিছৰ দফা বিলাকো যদি আমি পঢ়ো তেতিয়াহ'লে আমাৰ কথাবিলাক স্পষ্ট হৈ যাব। মই পঢ়ি দিব বিচাৰিছো- " The students, whose medium of instruction is local or home language will begin to learn Science and Mathematics bilingually in grade -VI so that by the end of grade -IX they can speak about Science and other subjects both in their home language or mother tongue and english language." এতিয়া যদি তেওঁলোকে ইংৰাজীটো শিকিব লাগে তাৰ ব্যৱস্থাটো কৰিব লাগিব। মাধ্যম অসমীয়া, বড়ো বা বেঙ্গলী মাধ্যমেই আছে কিন্তু আমি class -III ৰ পৰা ইংৰাজী ভাষাত বিজ্ঞান আৰু গণিতৰ পাঠ্যপুথি খিনি দিছো যাতে তেওঁলোকে by class -IX ইংৰাজীটো জানে আৰু তেওঁ যেতিয়া প্ৰৱেশিকা বা class -XII পাছ কৰিব, উচ্চশিক্ষাৰ কাৰণে ইংৰাজীৰ যি প্ৰয়োজনীয় জ্ঞান লাগে সেইখিনি তেওঁৰ থাকে।

এতিয়া মোক আপোনালোকে প্ৰশ্ন কৰিব যে ইয়াত যি class -VI ৰ কথা কৈছে আপোনালোকে, class -III ৰ কথা কৈছে, Why class -III? আমি সকলোৱে জানো যে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে কৈছে যে আগৰ XII+II বিদ্যালয় শিক্ষাৰ সলনি কেতিয়া হ'ব 5+3+3+4. 5 মানে অঙ্গনবাড়ীৰ তিনিটা শ্ৰেণী আৰু Class -I আৰু Class-II আৰু এই পাঁচটা শ্ৰেণীৰ stage টোক কোৱা হৈছে foundation stage,বুনিয়াদী পৰ্ব। ইয়াৰ পিছৰ তিনিটা শ্ৰেণীক কোৱা হৈছে Preparatory stage বা প্ৰস্তুতি পৰ্ব। এতিয়া এই প্ৰস্তুতি পৰ্বটো কিহৰ বাবে প্ৰস্তুতি, প্ৰস্তুতিটো হ'ল যে মাধ্যমিক শিক্ষাৰ কাৰণে প্ৰস্তুতি। এই NEP য়ে কৈছে যে by class -IX তেওঁ ইংৰাজী ক'ব পাৰিব লাগিব। যদি আমি Secondary পৰ্য্যায়ৰ

বাবে তেওঁলোকক ইংৰাজীত পাৰ্গত কৰি তুলিব লাগে, প্ৰস্তুতি পৰ্বতে তেওঁলোকক ইংৰাজী শিকোৱাৰ ব্যৱস্থা কৰিব লাগিব আৰু ইংৰাজী শিকোৱাৰ ব্যৱস্থা কৰিবৰ বাবে আমি Science and Mathematics দুটা বিষয়ৰ পাঠ্যপুথি সমূহ ইংৰাজী কৰিছো। কিন্তু অসমীয়া ভাষাৰ জ্ঞান থকা শিক্ষকেই তেওঁলোকক এই দুটা বিষয় বুজাব। তৃতীয় শ্ৰেণীৰ পৰা আমি এইকাৰণেই গুৰুত্ব দিছো যাতে তেওঁ এতিয়াৰ পৰাই ইংৰাজীটো শিকিব পাৰে।

মই আৰু এটা বাক্য NEP ৰ পৰা পাঠ কৰি দিব বিচাৰিছো য'ত মাতৃ ভাষা শিক্ষাৰ লগে-লগে কৈছে - " and with skills developed for reading and writing in other language in grade -III and beyond ." তাৰমানে মাতৃভাষাত শিক্ষাদান কৰা হ'ব। কিন্তু Grade-III ৰ পাছতে বেলেগ ভাষা লিখিব আৰু পঢ়িব পাৰিব লাগিব। Other language মানে হৈছে ইংৰাজী আৰু হিন্দী। ইংৰাজীটো যেতিয়া তেওঁলোকে শিকিব লাগিব বুলি কৈছে গতিকে আমি তাৰবাবে ব্যৱস্থাও কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত অসংখ্য মাতৃভাষা আছে। বহু জনজাতি আৰু অ-জনজাতীয় লোকৰ নিজস্ব ভাষা আছে বা home language বা dialect আছে যাৰ শিক্ষা গ্ৰহণৰ ব্যৱস্থা আমাৰ নাই। তেনেকুৱা পৰিস্থিতি ইথিওপিয়াত আছে, ফিলিপাইনতো আছে। তেওঁলোকেও এই বিষয়ৰ ওপৰত চৰ্চা কৰিছে। NEP য়ো তাৰ ওপৰত চৰ্চা কৰি এটা multi-lingual approch আমাৰ শিক্ষা ব্যৱস্থাত প্ৰয়োজন বুলি কৈছে। সেই প্ৰয়োজনীয়তাৰ কাৰণে ইতিমধ্যে ভাৰতবৰ্ষৰ মাননীয় শিক্ষামন্ত্ৰী ড° ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়া আহোতে তেখেতেও কিছু ঘোষণা কৰি থৈ গৈছিল যে Assam will be the language laboratory of the country আৰু সেই laboratory আমি প্ৰতিষ্ঠা কৰিছো। ইতিমধ্যে অসমৰ খিলঞ্জীয়া বিভিন্ন ভাষা, সাহিত্য সভা সমূহৰ লগত আলোচনা কৰি আমি মিচিং, ৰাভা, দেউৰী, চাওতাল আনকি নামনি অসমৰ ৰাজবংশী গাওঁ বিলাকত ব্যৱহৃত হোৱা কথিত ভাষাৰ লগতে চাহ বাগিছা অঞ্চলৰ কথিত ভাষাটো আমি প্ৰাক প্ৰাথমিক আৰু প্ৰাথমিকত শিক্ষাদান কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। মাতৃভাষাৰ দ্বাৰা শিক্ষাদান কৰাটো বিশেষকৈ প্ৰাথমিক পৰ্য্যায়ত তাক আমি যি মাত্ৰাৰে লৈ আহিব বিচাৰিছো তেনেকুৱা পূৰ্বতে কেতিয়াও হোৱা নাছিল। এতিয়া আমি শিক্ষক সকলৰ maping কৰিছো যাতে শিক্ষক শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰীৰ ভাষাটো বুজি পায় আৰু সেই ভাষাত যাতে শিক্ষাদান কৰিব পাৰে, তাৰ ব্যৱস্থা আমি কৰিছো। এই ভাষা সমূহত ইতিমধ্যে পাঠ্যপুথি প্ৰণয়ন কৰা হৈছে আনকি শিক্ষক শিক্ষয়িত্ৰী সকলৰ কাৰণে আমি হাতপুথি প্ৰস্তুত কৰিছো। যাতে যেতিয়া শিক্ষক শিক্ষয়িত্ৰী সকলৰ অন্য কোনো ভাষী অঞ্চলৰ বিদ্যালয়ত তেওঁলোকৰ posting হয়, সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ ভাষা তেওঁলোকে যাতে বুজিব পাৰে, তাৰ ব্যৱস্থা কৰিছো।

মই পুনৰ কৈছো আমি মাধ্যম সলনি কৰা নাই। মাধ্যম বুলি ক'লে কেবল কিতাপত লিখিত ভাষাটো নুবুজাব, মাধ্যম বুলি ক'লে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত যিটো ভাষাৰ দ্বাৰা কথা আদান প্ৰদান হ'ব সেই ভাষাটোকো বুজিবৰ কাৰণে মই অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং- ৩। কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ উত্তৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Zero hours ত আপুনি প্ৰশ্ন সুধিলে আৰু মন্ত্ৰী মহোদয়ে উত্তৰ দিলে। There is no debate.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ উত্তৰ ঃ** মই সুধিব বিচাৰিছিলো যে কোনোবাই Higher Secondary অসমীয়া মাধ্যমত পঢ়ি চাকৰিটো পালে। তেওঁ আহি যেতিয়া তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী পঢ়াব তেখেতৰ তেতিয়া কিছু অসুবিধা হ'ব। সেইকাৰণে মই ভাৱো এই ধৰণৰ technical অসুবিধা সমূহ দূৰ কৰাৰ বাবে ব্যৱস্থা কৰিলে ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াৰ ওপৰত যেতিয়া debate হ'ব আপুনি তাত অংশগ্ৰহণ কৰিব পাৰিব। এতিয়া অনুগ্ৰহ কৰি বহক। এতিয়া কাৰ্য্যসুচী নং- ৩ কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন । ইংৰাজী ১২ চেপ্টেম্বৰ ২০২২ তাৰিখে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়ম - ২৩০ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা যোৱা ১৭ আগষ্ট- ২০২২ তাৰিখে আবেলি ২ বজাত গোপীনাথ বৰদলৈ ভৱনৰ অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত - ২০২২ চনৰ শৰৎ কালীন অধিবেশনৰ খচৰা দিনপঞ্জীখন আৰু বেলটৰ তাৰিখ আৰু প্ৰশ্নসমূহৰ জাননী প্ৰাপ্তিৰ অন্তিম তাৰিখৰ তালিকাখন চুডান্ত কৰাৰ বাবে অনুষ্ঠিত হয় । অধিবেশনৰ ইং ১২ চেপ্টেম্বৰ ২০২২ তাৰিখৰ পৰা ইংৰাজী ১৯ চেপ্টেম্বৰ ২০২২ তাৰিখলৈ মুঠ ৫ দিন কৰ্মদিনৰ ৪ দিন চৰকাৰী কাৰ্য্যসুচীৰ বাবে আৰু এদিন বেচৰকাৰী সদস্যৰ কাৰ্য্যসুচীৰ বাবে ধাৰ্য্য কৰা হয় । সভাত , বিধান সভাৰ প্ৰশ্নসমূহৰ বাবে বিভিন্ন বিভাগৰ দিনসমূহৰ ক্ৰম অনুসাৰে আবন্টনৰ তালিকাখন অনুমোদন জনোৱাৰ লগতে অহা ইংৰাজী - ১৪ চেপ্টেম্বৰ ২০২২ তাৰিখে মাধৱ দেৱৰ তিথি উপলক্ষে চৰকাৰী বন্ধৰ দিন হোৱাৰ বাবে উক্ত দিনৰ প্ৰশ্নসমূহ ( গ্ৰুপ - গ ) অহা ইংৰাজী ১৯ চেপ্টেম্বৰ - ২০২২ সোমবাৰে সদনত আলোচনা কৰাৰ বাবে সিদ্ধান্ত লয় । আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে ।

**শ্ৰীৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি ঃ** উপাধ্যক্ষ মহোদয়, আচলতে মাধবদেৱৰ তিথি ১৫ তাৰিখে হয় ।এই বিষয়ে আজি হ'বলগীয়া বি এ চি মিটিঙত উত্থাপন কৰে যেন ।

**উপাধ্যক্ষ মহোদয় ঃ** ঠিক আছে ......। এতিয়া কাৰ্য্যসূচী নং- ৪

**ঘোষণা ঃ**

১২ চেপ্টেম্বৰ- ২০২২

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাবলীৰ নিয়ম ৯(১) ৰ অধীনত পঞ্চদশ অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্নলিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাপে মনোনীত কৰা হ'ল । শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা , শ্ৰীৰকিবুল হুছেইন , শ্ৰীবিদ্যাসিং ইংলেং, শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া ।

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৬ আগষ্ট, ২০২২ তাৰিখৰ 'দৈনিক অগ্ৰদুত' কাকতত প্ৰকাশিত ' ক'লা বেপাৰীৰ নতুন কৌশল, ন্যূনতম সমৰ্থিত মূল্যত কৃষকৰ পৰা ক্ৰয় কৰা ধান ধান বনা মিলৰে গোপন যোগসূত্ৰ সমবায় সমিতিৰ। ' চৰকাৰী চৌৱাং চাউল , পুনৰ খাদ্য নিগমকে বিক্ৰী ' কৰা এই শীৰ্ষক বাতৰিটো মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ৫৪- নং নিয়মৰ অধীনত উত্থাপিত কৰিছো আৰু লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ মনোযোগ আৰু দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো

। মাননীয় উপাধ্যক্ষ মহোদয, ইয়াৰ পূৰ্ব্বে যিবিলাক সুলভ মূল্যৰ খাদ্য সামগ্ৰীৰ সমবায় সমিতিৰ জৰিয়তে জনসাধাৰণৰ বাবে পঞ্জাৱৰ পৰা চাউল ৰেলৰ যোগেদি লাখ লাখ টন অসমলৈ অনা হয় । কিন্তু এই খাদ্য সামগ্ৰী অসমত বিতৰণ কৰা কথাটো আমি আপত্তি কৰিছিলো কাৰণ আমাৰ অসমত কৃষকে যি ধান উৎপাদন কৰে তাৰ সঠিক মূল্য নাপায় । গতিকে চৰকাৰে যাতে আমাৰ কৃষকৰ পৰা তেওঁলোকৰ উৎপাদিত এই ধানবিলাক ক্ৰয় কৰে আৰু সুলভ মূল্যৰ দোকানত বিতৰণ কৰাৰ ব্যৱস্থা কৰে , তেনেহ'লেহে অসমৰ কৃষকসকল উপকৃত হ'ব । চৰকাৰে কৃষকৰ পৰা ধান ক্ৰয় কৰি যিবিলাক আমাৰ ধানৰ মিল আছে সেইবোৰত দিব লাগে । তাৰ পৰা হোৱা চাউলখিনি সুলভ মূল্যত দিব লাগে । কিন্তু এইবোৰৰ মাজত এটা দুষ্ট চক্ৰ সোমাই আছে । এই চক্ৰটোৱে জনসাধাৰণে পাবলগীয়া চাউল বিলাক মিলৰ পৰা কিনি লয় আৰু তেওঁলোকেই সমবায় সমিতিবোৰক আকৌ বিক্ৰী কৰে । গতিকে এই মিলবোৰকো চৰকাৰে যিহেতু এলোটমেন্ট দিছে এই মিলবিলাকৰ ওপৰতো এটা তদন্ত কৰিব লাগে আৰু এনেধৰনৰ দোষী মিলবিলাক চৰকাৰে বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে । দ্বিতীয় কথাটো হ'ল চৰকাৰে এই চোৰাং চাউলৰ ব্যৱসায় কৰা চক্ৰটোৰ ওপৰত চকু ৰাখি গ্ৰেপ্তাৰ কৰাটো প্ৰয়োজনীয় আছে বুলি মই ভাবো । বাতৰিত যিটো কথা প্ৰকাশ পাইছে সেইমতে এই দুষ্ট চক্ৰবিলাকক আৰক্ষীয়ে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল । বাতৰিত ইয়াৰ অধিকাংশ চাউল বাংলাদেশলৈ সৰবৰাহৰ চেষ্টা কৰাৰ তথ্য পোহৰলৈ আহিছে। তাৰ মাজতে এই চোৰাং চক্ৰবিলাকে আৰক্ষীৰ চকুত ধুলি মাৰি এনেধৰণৰ চোৰাং চাউলৰ কাৰ্য্যকলাপ কৰাৰ তথ্য পোহৰলৈ আহিছে । এই বিষয়ে ইতিমধ্যে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলেও সদৰি কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো যে এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে এই চক্ৰান্ত কৰা লোক সকলক ধৰা পেলাই তেওঁলোকৰ ওপৰত সঠিকভাবে তদন্ত কৰিব লাগে । যিবিলাক ধানৰ মিলে এই চক্ৰৰ লগত জড়িত হৈ এই কাৰ্য্য কৰি আছে সেই ধান মিলবিলাক বন্ধ কৰিব লাগে কাৰণ কৃষকক তেওঁলোকে কয় যে আমাৰ গুদামত ঠাই নাই ধান ৰখাৰ বাবে । তাৰ ফলত আমাৰ কৃষকসকল ৩- ৪ মাহ অপেক্ষা কৰিবলগীয়া হয় আৰু অতি কম দামতে ধান বিক্ৰী কৰিব লগীয়া হয়। ফলত আমাৰ কৃষকসকল উপযুক্ত কৃষি মূল্যৰ পৰা বঞ্চিত হৈছে। গতিকে এই বিষয়টো তদন্ত কৰি উপযুক্ত ব্যৱস্থা ল'ব লাগে যাতে কৃষকে ধানৰ উচিত মূল্য পায় আৰু লগতে চোৰাং চাউলৰ ব্যৱসায়ীসকলেও উপযুক্ত শাস্তি পায় ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, .......... মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি ঃ** অধ্যক্ষ ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়াই যিটো বিষয় আনিছে তাৰ ওপৰত মই এইখিনিয়ে ক'ব বিচাৰিছো যে- হয় , চোৰাং চাউলৰ ব্যৱসায়ীসকলে ইছলাম ডাঙৰীয়াই কোৱাৰ দৰে এটা চক্ৰ চলাই আহিছে আৰু ইতিমধ্যে এনেকুৱা চোৰাং ব্যৱাসায়ীক কৰায়ত্ব কৰা হৈছে । ইতিমধ্যে আমাৰ বিভাগে ২৮ গৰাকী এনে দুষ্ট চক্ৰৰ লোকক ধৰা পেলাইছে । এতিয়া অসম চৰকাৰক ক্ৰেডিট দিব লাগিব। আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে আমাৰ চৰকাৰৰ ফালৰ পৰা হেচা প্ৰয়োগ কৰা হোৱা বুলি কৈছে এইটো আচলতে নহয়, যি ধৰণে তেখেতে কৈছে। আমাৰ চৰকাৰে এই ক্ষেত্ৰত স্পষ্ট নীতি এটা আছে যে দূৰ্নীতিৰ ক্ষেত্ৰত আৰু বিশেষকৈ এনেকুৱা ধৰণৰ ব্যৱসায়ৰ ক্ষেত্ৰত আমি পৰ্য্যায়ক্ৰমে আমাৰ বিভাগটোৱে সফলতা অৰ্জন কৰিছে নহ'লে ইমান কেইখন লাইচেন্স আমি suspend কৰিব নোৱাৰিলো হেঁতেন বা ইমান চাউল আমি জব্দ কৰিবও নোৱাৰিলোহেঁতেন দ্বিতীয়তে, যি এফ চি আই ৰ কথাষাৰ ওলাইছে, আজি আমি সকলোৱে জানো যে অসমত আমি যিহেতুকে

পৰ্য্যাপ্ত ধান কৃষকৰ পৰা পোৱা নাই। কাৰণ কিয় আমি ১০ লাখ মেট্ৰিকটন ধান কিনাৰ কথা আছিল আৰু এইটোৰ কাৰণে ৬ টা এজেন্সি নিয়োগ কৰিছিলোঁ। লগতে আমাৰ এটা এজেন্সি আছিল Assam Food and Civil Supply Corporation Ltd. আৰু এনেকুৱাকৈ NAFED, এফ চি আই কে আদি কৰি আমাৰ অসমৰ সমূহ কৃষকে যাতে ধান সমূহ আমাৰ ওচৰত বিক্ৰী কৰে, কাৰণ আগতে পূৰ্বতে কি আছিল ধান বোৰ ১১০০ টকা ১২০০ টকা দৰত বিক্ৰী কৰিছিল। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ তৎপৰতাত, বিশেষকৈ তেখেতে অসমৰ ইতিহাসত বুলি নহয় ভাৰতৰ ইতিহাসত প্ৰথম বাৰৰ কাৰণে ধান ক্ৰয় সন্দৰ্ভত গাওঁসভা আয়োজন কৰিছিল আৰু সমগ্ৰ অসমতে গাওঁসভা অনুষ্ঠিত কৰিছিলোঁ। বিষয় এটায়ে আছিল যে credit procurement ৰ ওপৰত গাঁও সভা হ'ব লাগে। প্ৰতিখন গাওঁ সভাতে আমি ৰাইজক আহ্বান জনাইছিলো, কৃষকক আহ্বান জনাইছিলোঁ যে ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ কাৰণে ইতিমধ্যে ভাৰত চৰকাৰে অনুমতি দিছে, এফ চি আই আমাৰ পৰা লম বুলি কৈছে আৰু আমি বিভিন্ন বাতৰি কাকতত বিজ্ঞাপনকে আদি কৰি আমাৰ জনপ্ৰতিনীধি সকলে গাঁৱে ভূঞে এই এপিলটো দিয়াৰ পিছতো আমাৰ অসমৰ কৃষকে আমাক ৫.৫০ মেট্ৰিকটন ধানহে দিবলৈ সক্ষম হৈছে। অৰ্থাৎ ক্ৰয় কৰাৰ ক্ষমতা আমাৰ বেছি আছিল কিন্তু অসমৰ কৃষকৰ হাতৰ পৰা সিমান ধান আমি নাপালোঁ। এই ধান সমূহ ক্ৰয় কৰাৰ পিছত আমি যদি এক কুইন্টল ধান ক্ৰয় কৰো তেতিয়াহলে তাৰে বিপৰীতে ৬৭ কেজি চাউল আমাক মিলাৰে জমা দিব লাগে। আমাৰ ৬ টা এজেন্সিৰ পৰা ৫.৫০ মেট্ৰিকটন ধান আমি কিনাৰ পিছত আমি মিলাৰক সেইবোৰ দিওঁ, আৰু মিলাৰে সেইবোৰ এফ চি আই ক দিয়ে আৰু এফ চি আই যিমান খিনি ধান ক্ৰয় কৰিছে তাৰে বিপৰীতেহে চাউলৰ পইচাটো দিব পাৰিব। আপুনি কোৱাৰ দৰে যে সেইবোৰ আকৌ re-packaging কৰি পুনৰ এফ চি আই লয়, এইটো সম্ভৱ নহয়, কাৰণ কিয় সম্ভৱ নহয়, এফ চি আই ৰ এনেকুৱা এটা কেমিকেল টেষ্ট আছে যিহেতু আমি জানো অসমৰ পৰা পৰ্য্যাপ্ত পৰিমাণৰ ধান দিব পৰা নাই, চাউল দিব পৰা নাই। গতিকে হাৰিয়ানা, পঞ্জাব আদি কৰি বিভিন্ন ঠাইৰ পৰা বিভিন্ন ধৰণৰ চাউল আহে, সেই চাউল বোৰ নতুন চাউল নহয়, নিশ্চিত ৰূপত ৬ মাহ আগৰ চাউল আৰু এফ চি আই বিভাগৰ যিটো কেমিকেল টেষ্টৰ mixed indicator method, mixed indicator method ৰ জৰিয়তে তেওঁলোকে ৬ মাহ পুৰণি চাউল automatically reject হৈ যায়। সেই কাৰণে এইবাৰ credit procurement কৰাৰ পিছত, আমি মিলত দিয়াৰ পিছত সেই মিল সমূহে যেতিয়া জমা দিলে, আনকি তেতিয়া ৩৩০ টা লট, অৰ্থাৎ এটা লটত ২৯০ কুইন্টল থাকে আৰু সৰ্বমুঠ এফ চি আই ৰিজেক্ট কৰিছে ৫১৯৫০ কুইন্টল। গতিকে যি সময়ত নেকি ৫১৯৫০ কুইন্টল এফ চি আইয়ে mixed indicator method ৰ জৰিয়তে ৰিজেক্ট কৰিছে, সেই সময়ত এনেকুৱা কলা ব্যৱসায়ৰ চাউল পুনৰ মিলত গৈ মিলৰ পৰা re-packaging কৰি এফ চি আইয়ে কিনাৰ কোনো সম্ভৱনা নাই। কাৰণ কিয়, নহ'লে ইমান চাউল ৰিজেক্ট নহ'ল হেতেন। গতিকে এইটো কোনোৱাই ব্যৱসায়ত হয়তো কলাবজাৰত কিনিব পাৰে, re-packaging কৰিব পাৰে, কিন্তু এফ চি আইক যি ধৰণে কোৱা হৈছে এফ চি আই যে কলা ব্যৱসায়ৰ পৰা পুনৰ কিনি আমাকে দি আছে এইটো আচলতে ধাৰণাটো সত্য ধাৰণা নহয়। কাৰণ কিয় মইয়ো তেওঁলোকৰ লগত এইটোক লৈ সভা কৰিছোঁ আৰু তেওঁলোকে যেতিয়া বিস্তাৰিত ভাৱে কথাখিনি কৈছে নিশ্চিত ভাৱে আমি জানে যে এফ চি আই তেনেকুৱা ধৰণৰ চাউল ক্ৰয় কৰিব নোৱাৰে আৰু যিহেতু আমাৰ ৫.৫০ লাখ মেট্ৰিকটন ধান আমি procure কৰিছো, যদি এক কুইন্টলত ৬৭ কেজি চাউল ওলাই, স্বাভাবিকতে সেইটো অংক

হিচাপত, ৰেচিঅ’ হিচাপত ৬৭ শতাংশ চাউল ওলাব। তাৰ সলনি তেওঁলোকে অধিক চাউল কেনেকৈ কিনিব পাৰিব? কাৰণ এইটো অনলাইন চিচ্‌টেম। গতিকে আমি যেতিয়া কৃষকক কওঁ যে আপোনালোকে এ জি অ’ ৰ ওচৰত গৈ register কৰক, register কৰাৰ পিছত সেইখিনি তেওঁলোকে এজেন্সিত বিক্ৰী কৰে, বিক্ৰী কৰাৰ প্ৰাক মুহূৰ্তত সেই ধান বোৰ টেষ্ট কৰা হয়, তাত আদ্ৰতা কিমান আছে, ধূলি-মাকতি কিমান আছে আৰু সেইখিনি টেষ্ট কৰাৰ পিছত আমাৰ এফ চি আইয়ে হওঁক বা বাকী ৫ টা এজেন্সিয়ে ধানবোৰ কিনি লয়। ধান বোৰ যিমান কিনি লয় তাৰ বিপৰীতে 1:0.67 ratio হ’ব। গতিকে সেই ratioৰ চাউলটোৱে তাতে পাব, তাতকৈ অতিৰিক্ত চাউল নাপাব। যি পাই বাহিৰত পোৱা হয় যদি পাই, তেতিয়া পাব পাৰে। গতিকে সেই কাৰণে এই যিটো ধাৰণা, এই ধাৰণাটো মই শুদ্ধ বুলি কব নিবিচাৰো কাৰণ কিয় তথ্যই কয়, নহ’লে ৫১৯৫০ কুইন্টল ধান এফ চি আই ৰিজেক্ট নকৰিলেহেতেন আৰু চোৰাং ব্যৱসায়, আমি কঠোৰ যদি নহলোহেঁতেন তেতিয়া হলে আমি ২৮ গৰাকীৰ বিপৰীতে এফ আই আৰ কৰিব নোৱাৰিলো হেতেন বা ইমান চাউল জব্দও কৰিব নোৱাৰিলোহেঁতেন বা ৩২ খন আমাৰ সমবায় বা fair price shop ৰ আমি suspendও কৰিব নোৱাৰিলোহেঁতেন। মই কোৱা নাই এইটো যে চোৰাং ব্যৱসায় চলা নাই, চোৰাং ব্যৱসায় হৈছে কাৰণে এইখিনি আমি সফলতা লাভ কৰিব পাৰিছোঁ। কিন্তু এইটো নহয় যে এওঁলোকে সেই ডিলাৰৰ জৰিয়তে এফ চি আই ক দিয়ে, এই ধাৰণাটো শুদ্ধ নহয়।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** ৰিজেক্ট কৰা খিনিয়ে তেনেকৈ আহিল।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, মন্ত্ৰী ঃ** ৫৪ বা Zero Hourত debate নহয়, যিখিনি উত্তৰ দিয়ে মন্ত্ৰীয়ে দিব পাৰে, পিছতো দিব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Under Rule 301, ৫ গৰাকী সদস্য আছে, ৫ মিনিটৰ ভিতৰত শেষ কৰিব, এতিয়া মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়া।

কাৰ্য্যসূচী নং ৬।

**শ্ৰীপ্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা স্বাৰ্থজড়িত এই বিষয়টো Under Rule 301 ত উত্থাপন কৰিবলৈ দিয়া বাবে ধন্যবাদ জনাইছোঁ। উপাধ্যক্ষ ডাঙৰীয়া, সত্ৰ হৈছে অসমীয়া সমাজৰ অসমীয়া জাতিৰ প্ৰাণ স্বৰূপ। এই সত্ৰ মহাপুৰুষ সকলে প্ৰতিষ্ঠা কৰিছিল প্ৰায় ৬০০ বছৰ আগতে। এই সত্ৰ সমূহে আমাৰ সমাজ ধৰি আছে, আমাৰ আদৰ্শ, আমাৰ সংস্কাৰ সকলোৱে এই সত্ৰৰ জৰিয়তে সমাজত জীয়াই আছে।

উপাধ্যক্ষ মহোদয়, ৰজা সকলে ৰাজন্য বৰগোহায়ে সত্ৰ বিলাকক মাটি দিছিল আৰু ৰাইজেও লগ লাগি প্ৰতিষ্ঠা কৰিছিল। এই সত্ৰ সমূহক দিয়া যি মাটি সেই মাটি খাজানা ফ্ৰি আছিল, খাজানা লোৱা নাছিল আৰু এই মাটিত সত্ৰ প্ৰতিষ্ঠা কৰি সমাজ সংস্কাৰ কৰাৰ কাৰণে সমাজ খনত শান্তি প্ৰতিষ্ঠা কৰাৰ সমাজত আশীৰ্বাদ দি থকাৰ কাৰণে ৰাজন্য বৰগোহায়ে এই মাটি দান কৰি তেওঁলোকক কাম কৰিবলৈ দিছিল। এই খিনি মাটি তাত কোনো খাজানা লগোৱা নাছিল ৰজা সকলে। তাৰ পিছত বৃটিছ আহিল, বৃটিছ সকলেও সেইটোত আধা খাজানা লগালে। কিন্তু বৃটিছ সকলে এটা কথা খুব ভাল ধৰণে কৈছিল সেইটো হ’ল যে The British Government order their officer that the officer should not, in any manner interfere in the Religious matter of the subject to India. আৰু সত্ৰাধীকাৰ বিলাকৰ কথাটো কৈছিল যে they should respect all the Satra's, এতিয়া বৃটিছ বিলাকেও

অসুবিধা কৰা নাছিল আৰু খুব ধুনীয়াকৈ কাম চলি আছিল আৰু স্বৰ্গদেউ সকলে সত্ৰ বিলাক ভালকৈ চোৱা-চিতা কৰিবৰ কাৰণে এজন সত্ৰ বুজৰবৰুৱা বুলি বিষয়া তাত নিযুক্তি দিছিল লগতে দুজন বিষয়া নিযুক্তি দিছিল । এতিয়া উপাধ্যক্ষ ডাঙৰীয়া মই আজি ইয়াত বিশেষ সত্ৰ এখনৰ কথা ক'ব খুজিছো। এই সত্ৰ খনৰ অৱস্থা কি হৈছে আজি সদনত জনোৱাতো উচিত হ'ব । ১৯৫৯ চনত ৰিলিজিয়াছ চেৰিটেবল এক্টখন পাছ হ'ল তাৰ পিছত সত্ৰ বিলাকৰ মাটি অধিগ্ৰহণ কৰিলে। মাটি অধিগ্ৰহণ কৰাৰ পৰা এতিয়ালৈকে প্ৰায় ৬২ বছৰ হৈ গ'ল । এতিয়া এখন সত্ৰ সেইখন হ'ল দিহিং সত্ৰ। দিহিং সত্ৰৰ মুঠ মাটি আছিল ছয় হাজাৰ চাৰিশ ৭১ বিঘা ৪ কঠা ১৭ লেচা। এতিয়া তেখেত সকলৰ মাটি অধিগ্ৰহণ কৰা হ'ল । অধিগ্ৰহণ কৰাৰ পিছত এই সত্ৰত আইন খনৰ মতে তেওঁলোকৰ ইনকামৰ ওপৰত যিটো এনুইটি পাব লাগিছিল আজিলৈকে এক পইছাও এনুইটি পোৱা নাই। তেখেত সকলৰ প্ৰায় ২৬ খন শাখা সত্ৰ আছে । আৰু একেবাৰে উজনিৰ পৰা নামনিৰ বৰপেটালৈকে তেখেত সকলৰ শাখা আছে । ২৬ খন শাখা সত্ৰ এই মাটি ভাগ হৈ আছে । এই মাটি অধিগ্ৰহণ হ'ল, এনুইটি পাব লাগিছিল সেইটো পোৱাৰ পৰা বঞ্চিত হৈছে। আৰু এনুইটি নোপোৱাৰ কাৰণে তেওঁলোকে যিবিলাকে সত্ৰৰ কামত ব্যস্ত থাকে তেওঁলোকে আহি দিশপুৰত আহি পইছা বিচাৰি থাকিবলগীয়া হৈছে । তেনেকুৱা এটা অৱস্থা হৈছে। এতিয়া উপাধ্যক্ষ মহোদয়, এই বিষয়টো অত্যন্ত এটা গুৰুত্বপুৰ্ণ বিষয় । আৰু এই সকল মানুহ আহি এই যে আমাৰ কমপেনচেশ্যন পাব লাগে আইন অনুসৰি আৰু তেওঁলোক হাইকৰ্ট পাবলগীয়া হৈছে আৰু কেচত ৰায় দিয়া হ'ল, কিন্তু তৎস্বত্তেও আজি এই দিহিং সত্ৰখনে এতিয়ালৈকে কোনো পইছা পোৱা নাই । এতিয়া যিটো সময়ত কল্যাণকামী এখন চৰকাৰ আৰু এখন কল্যাণকামী দেশ, কল্যাণ সাধী থকা যিটো অনুস্থান, ৰাতিপুৱাৰ পৰা গধূলিলৈকে সমাজখনৰ উন্নয়নৰ কাৰণে সেই সকলো ৰাইজৰ কাৰণে একমাত্ৰ কল্যাণৰ হকে কাম কৰি আছে। এইটো অনুস্থানে এনেকুৱা এটা বিপদত পৰিছে মই ভাবো যে চৰকাৰৰ ফালৰ পৰা অতিশীঘ্ৰে এই সত্ৰখনৰ বিষয়টো চাই ব্যৱস্থা লোৱাটো মাননীয় মন্ত্ৰীক অৱগত কৰিলো ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ক্ষতিপুৰণটোৰ কথাখিনি ক'ব পাৰিম। দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ জৰিয়তে চক্ৰ বিষয়া, লাট মণ্ডলৰ পৰা আহিলে আমি কমপেনচেশ্যন নিদিয়াকৈ নাই। ইতিমধ্যে আমি একেদিনাই দুই লাখ পাঁচ হাজাৰ দিয়া আছে। মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে আমি বিভাগীয় বিষয়াৰ লগত আলোচনা কৰিম। চাৰ্কোল অফিচ, ডিষ্ট্ৰিক্ট লেভেলৰ পৰা আমাৰ যেনেকৈ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা যেনেকৈ কমপেনচেশ্যন দিয়া হয় ক্ষতিপুৰণ সেইখিনি দিয়াত আমাৰ বিভাগে কোনো কৃপনালী কৰা নাই। কিন্তু যিটো পদ্ধতিত আহে সেই মতে আহিলে আমি নিশ্চয় দিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা ।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই শ্ৰমিকৰ ওপৰত কিছু বক্তব্য ৰাখিব বিচাৰিছো। আমাৰ শ্ৰমিক সকলৰ প্ৰধান সমস্যা হ'ল চাৰিটা। পি. এফ, ই.এছ.আই, মেডিকেল ফেচিলিটি আৰু তেওঁলোকৰ সুৰক্ষাৰ মাপকাঠি। মোৰ কমলপুৰ সমষ্টিত বহুতো উদ্যোগ প্ৰতিষ্ঠান আছে। এই উদ্যোগ প্ৰতিষ্ঠান সমূহ শ্ৰমিক সকলক কোনো কোনো ক্ষেত্ৰত নূন্যতম মজুৰীটোও প্ৰদান কৰা নহয় । এই প্ৰতিষ্ঠান সমূহে শ্ৰমিক বিলাক স্থায়ী আৰু অস্থায়ী শ্ৰমিক হিচাপে দুটা ভাগত বিভক্ত কৰি ৰাখে। স্থায়ী শ্ৰমিক বিলাকক কোম্পানীয়ে পি. এফ, ই. এছ. আই আদিৰ সুবিধা দিয়ে, কিন্তু যিবিলাক অস্থায়ী শ্ৰমিক আছে তেওঁলোকক এই সুবিধা প্ৰদানৰ পৰা বিৰত কৰি ৰখা হয় ।

মোৰ প্ৰশ্নটো হ'ল একে প্ৰতিষ্ঠানত কৰ্মৰত একে ঠাইৰে শ্ৰমিক কিছুমানে ১৪ হাজাৰ পায় আনহাতে কিছুমানে ২৫ হাজাৰ টকা মজুৰী হিচাপে লাভ কৰে। গতিকে যেতিয়া তেওঁলোক বাহিৰলৈ আহে এনে তাৰতম্য থকা মজুৰীৰ বাবে বহু প্ৰশ্নৰ মুখামুখি হ'বলগীয়া হয় ।

মোৰ কথাটো হ'ল অস্থায়ী শ্ৰমিক সকলে দুৰ্ঘটনা আদি হ'লেও কোনো ধৰণৰ সা-সুবিধা কোম্পানীৰ পৰা লাভ নকৰে। বিশেষকৈ উত্তৰ কামৰূপৰ বাইহাটাত কৰ্মৰত কিছুমান শ্ৰমিকে সুৰক্ষাৰ বাবে হেলমেট, গামবুট আদিও লাভ নকৰে । মই বহুবাৰ আমাৰ উদ্যোগ মন্ত্ৰীক বহুবাৰ অৱগত কৰিছো। আমি বিচাৰিছো যে উদ্যোগ বিভাগৰ বিষয়া সকলে এই বিলাক পৰিদৰ্শন কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। পৰিদৰ্শন কৰিলেহে গম পাব প্ৰকৃততে উদ্যোগ প্ৰতিষ্ঠান সমূহৰ কৰ্মচাৰী সকলে কি পৰ্য্যায়ত কৰ্মৰত হৈ আছে । মই সদনত তেনে এখন প্ৰতিষ্ঠানৰ নাম নোকোৰাকৈ মাননীয় উদ্যোগ মন্ত্ৰীক ব্যক্তিগত ভাবে জনাও যে সুৰক্ষাবিহীন পৰিস্থিতিৰ বাবে আমাৰ যুৱক-যুৱতী সকলে অতি বিপদজনক ভাবে কাৰখানাত কাৰ্য্য সম্পাদন কৰিবলগীয়া হৈছে । যোৱাবাৰো মই বিধান সভাত এই সম্পৰ্কে জনাইছিলো আৰু মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাসো দিছিল । কিন্তু আশ্বাস আশ্বাস হৈয়ে থাকিল । তাৰোপৰি আমাৰ যি শ্ৰম বিভাগ আছে এই ক্ষেত্ৰত বিভাগটোৰ কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই । এতিয়া মই পুনৰবাৰ সদনক জনাইছো এই কল কাৰখানা বা উদ্যোগ প্ৰতিষ্ঠান সমূহত মালিক পক্ষই শ্ৰমিক সকলৰ ওপৰত যি শোষণ চলাই আহিছে, সেই শোষণ বন্ধ হ'ব লাগে। এই প্ৰতিষ্ঠান সমূহৰ শ্ৰমিক যোগানৰ যি ঠিকাদাৰ আছে তেওঁলোকে সৰহখিনি মুনাফা লৈ শ্ৰমিক নিয়োগ কৰে যাৰ বাবে প্ৰকৃত শ্ৰমিক সকল উচিত মজুৰি লাভৰ পৰা বঞ্চিত হ'বলগীয়া হয় । যদি কোনো শ্ৰমিকৰ পিতৃ-মাতৃৰ বিয়োগ হ'ল, দহ পোন্ধৰ দিন কামলৈ যাব নোৱাৰা হ'লে মালিক পক্ষই সেই শ্ৰমিক জনৰ সেইকেইদিনৰ দৰমহা কাটি পেলায় । উদ্যোগ প্ৰতিষ্ঠান বিলাকৰ এনে হঠকাৰী ব্যৱস্থা বিলাক নোহোৱা কৰিব লাগে । এনে ক্ষেত্ৰ চৰকাৰে ব্যৱস্থা লোৱাৰ লগতে মাননীয় মন্ত্ৰী মহোদয়ে নিজেই এই বিষয়টো গুৰুত্বসহকাৰে লৈ দুই চাৰিটা কল কাৰখানা পৰিদৰ্শন কৰি বিহীত ব্যৱস্থা ল'ব লাগে আৰু দৰকাৰ হ'লে বিধান সভাৰ ফালৰ পৰা সমিতি বনাই হ'লেও এই উদ্যোগ প্ৰতিষ্ঠান সমূহ পৰিদৰ্শন কৰিব লাগে। মই এইটো কোৱা নাই যে কেৱল কমলপুৰ সমষ্টিত এনে ব্যৱস্থা কৰিব লাগে, সমগ্ৰ উদ্যোগ প্ৰতিষ্ঠান সমূহত একে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।.মাননীয় উপাধ্যক্ষ মহোদয়, সদায় বঞ্চিত হয়, মই অনুৰোধ কৰিছো যাতে ইয়াৰ পিছত আকৌ ডিচেম্বৰত বিধান সভা হ'ব মই তাত আকৌ প্ৰশ্ন কৰিম যাতে, বিভাগীয় মন্ত্ৰী মহোদয়, আৰু বিষয়া সকলে এইটোৰ ওপৰত ব্যৱস্থা লয়, এই বিষয়টো যাতে অতি সোনকালে সমাধান কৰে তাৰ বাবে আজি মই পবিত্ৰ বিধান সভাত মই প্ৰশ্ন ৰাখিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা সঠিক উত্তৰ পাম বুলি আশা ৰাখিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী বিমল বৰা (মাননীয় মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা ডাঙৰীয়াই কমলপুৰ সমষ্টিৰ বিভিন্ন সমষ্টিত গঢ় লৈ উঠা উদ্যোগ প্ৰতিষ্ঠানত কৰ্মৰত শ্ৰমিক সকলৰ PF, ESI উপৰিও নিম্নতম মজুৰিৰ সম্পৰ্ক দি এটা গুৰুত্বপূৰ্ণ বিষয় ইয়াত উত্থাপন কৰিছে। যদিও বা গোটেই বিষয়টো উদ্যোগ বিভাগৰ লগত জড়িত নহয়। তেখেতে উদ্যোগ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে জাননীখন দিয়াৰ কাৰণে প্ৰশ্নটো মোৰ তাত আহিল। ESI ৰ ক্ষেত্ৰত এইটো জনাব পৰা যায় যে, এটা উদ্যোগত কৰ্মৰত শ্ৰমিক আৰু কৰ্মচাৰীৰ মুঠ দৰমহা ২৫ হাজাৰ টকাতকৈ কম আৰু এনেকুৱা শ্ৰমিক কৰ্মচাৰীৰ নূন্যতম ২০ জন থাকে। তেতিয়া উদ্যোগটোৰে

ESI পঞ্জীয়নভুক্ত কৰিব লাগে আৰু Employees' State Insurance এই ব্যৱস্থাত কৰ্মচাৰীয়ে ২.২৫ শতাংশ Contribute কৰিব লাগে আৰু শ্ৰমিকজনে ০.৭ শতাংশ তেওঁ ধন জমা কৰিলে ESI ৰ যিখিনি লাভ সেই লাভখিনি তেওঁ পাবলৈ সক্ষম হয়। বহুত সুবিধা আছে, চিকিৎসাৰ পৰা বিয়া আদিলৈ। ঠিক তেনেদৰে EPF ৰ ক্ষেত্ৰত যিবিলাক শ্ৰমিক আৰু কৰ্মচাৰী ১৫ হাজাৰতকৈ কম হয়, অৱশ্যে ২০২২ চনৰ জুলাইত ২১ হাজাৰ কৈছে তেওঁলোকৰ ক্ষেত্ৰত EPF কৰাটো বাধ্যতামূলক। এই ক্ষেত্ৰত গোটেই বিষয়টো চায় শ্ৰম বিভাগে অধিক ভাবে জনাব পাৰো, মাননীয় সদস্য গৰাকীক শ্ৰম বিভাগৰ তৰফৰ পৰা উত্তৰখিনি দিয়াৰ ব্যৱস্থা আমি কৰিম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, মাননীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষ।

**শ্ৰী ৰামকৃষ্ণ ঘোষ (হোজাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই হোজাই ITI প্ৰতিষ্ঠান সন্দৰ্ভত ক'ব খোজো। এই সন্দৰ্ভত কিবা কোৱাৰ আগতে মই কেইটামান কথা ক'ব খোজো। হোজাই এনে এখন ঠাই য'ত বিভিন্ন ধৰণৰ উৎপাদন বিলাক হয়। মই এই ক্ষেত্ৰত ক'ব বিচাৰো যে, তাত যিখন ITI প্ৰতিষ্ঠান আছে, তাত নিৰ্মাণ হ'বলগীয়া আছিল কংগ্ৰেছৰ দিনতে আৰম্ভ হৈছিল আৰু সেই সময়তে শেষ হৈছে। নিৰ্মাণ হোৱাই নাই। এই সন্দৰ্ভত হোজাই যিহেতু গুৰুত্বপূৰ্ণ ঠাই এতিয়া জিলাও হৈ গ'ল। কিন্তু এতিয়া যদি ITI খন নিৰ্মাণ নহয় আমাৰ যুৱক-যুৱতী সকলে তাৰ পৰা বঞ্চিত হ'ব। আজি ITI ৰ যি সকলক প্ৰশিক্ষণ দিয়া হয়, তেখেত সকলে বিভিন্ন বিভাগত কামত লাগে। তাৰ ভিতৰত IIE, SIRD অসমত আছে, এই বিলাকৰ এটা integrated approach ৰ দৰকাৰ। আমাৰ ভাৰতবৰ্ষৰ এটা Skill India Mission আছে, তাত যি বিলাক course দিয়া হয়, সেই বিলাক short cut course বুলি আমি ক'ব পাৰো। ২/৩ মহীয়া course হয়। কিন্তু ITI ত যিবিলাক course দিয়া হয়, সেই বিলাক ৬ মাহৰ পৰা আৰম্ভ কৰি ৩ বছৰলৈকে থাকে। ভাৰতবৰ্ষ আমাৰ এনেকুৱা এখন দেশ যিখন দেশত Skilled Labour ৰ অভাৱ। তাতকৈ আমাৰ চীনৰ কথা যদি কওঁ চীন বহুত আগত আছে। আমাৰ উন্নত দেশ বিলাকৰ Skilled Labour ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। অসমৰ ক্ষেত্ৰত ITI ৰ যিটো আছে তাৰ মাধ্যমেৰে Skilled Labour বিলাক পাব পাৰো কিন্তু দুৰ্ভাগ্যৰ বিষয় হোজাই এখন জিলা হৈ যোৱাৰ পিছতো এই সন্দৰ্ভত আলোচনা কৰা হোৱা নাই। হোজাই উপায়ুক্ত অনুপম চৌধুৰীক মই বাৰ বাৰ কৈছিলো এই সন্দৰ্ভত। বাৰ বাৰ কোৱা সত্বেও তেখেতে কিন্তু এই সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰিলে। মই আচৰিত হৈছো। তেখেতে জানিব লাগিছিল যে, ITI খন ক'ত নিৰ্মাণ হ'বলগীয়া আছিল কিন্তু তেখেতে নাজানে। DIC য়ে মাটি বিচাৰিলে, মাটি বিচৰাৰ পিছত মোৰ লগত বহিলে, উপায়ুক্তৰ লগতো বহিলে, DDC ৰ মিটিংখন বহিলে। তথাপিও এই সন্দৰ্ভত অনুপম চৌধুৰীয়ে একো নিদিলে। যদি নিদিয়ে আমি কেনেকৈ উদ্যোগ বিলাগ উন্নত কৰিম। ITI ৰ নিচিনা সংস্থা বিলাক ক'ত থাকিব। আজি যদি ITI খন নিৰ্মাণ কৰিব লাগে যোগীজান অঞ্চলত। যোগীজান অঞ্চলটোৰ কথা আমি আগতেও কৈছিলো তাত ঘৰুৱা পৰ্য্যটনৰ বাবে potentiality আছে, সেইখিনি যদি আমি আগবঢ়াই লৈ যাব বিচাৰো তেতিয়া আমাৰ ITI ৰ দৰকাৰ আছে। আজি তাত পৰ্য্যটন বিভাগৰ গাৰ্ড বিলাকক প্ৰশিক্ষণ দিয়া হয়। কালিকাপুৰাণ ১৭১ নং পেজত যিটো দিয়া আছে তাত কামাখ্যা মন্দিৰৰ কথা কোৱা হৈছে। তাত যদি ITI খন যদি হয় তেতিয়া আমি পৰ্য্যটন guide বিলাক পাই থাকিম। হোজাইৰ নিচিনা ঠাইত ডালমিয়া চিমেন্টৰ ফেক্টৰী আছে। তাত ফেক্টৰীৰ কাৰণে potentiality আছে। তাত উৎপাদন হয়। তাত যিটো ঝাড়ু ওচৰৰ কাৰ্বি আংলঙৰ পৰা হয়। এই ক্ষেত্ৰত যদি আমি expart বিলাক যদি পাব পাৰো তেতিয়া হ'লে আমি ITI ৰ পৰা পাব পাৰো। মোৰ কথা হ'ল

ডিমা হাচাও জিলা আৰু কাৰ্বি আংলং জিলাৰ পৰা বহু কাৰ্বি, ডিমাচা ছাত্ৰ-ছাত্ৰী আহে আৰু হোজাইত থাকে। ITI ৰ নিচিনা প্ৰতিষ্ঠান হোজাইত স্থাপন কৰিব পাৰো যিটো ৭০ শতাংশ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে কিন্তু বস্তুখিনি এনেই পৰি আছে। মই কাগজ আৰু ফটো আনিছো এই ফটোখন আপোনাৰ ওচৰত জমা দিম উপাধ্যক্ষ মহোদয়। মই কব বিচাৰিছো যে হোজাইক যদি উদ্যোগীক অঞ্চল হিচাপে গঢ় দিব পাৰো, তেতিয়া হ'লে ভাৰত চৰকাৰৰ যিটো আঁচনি আছে, আপোনাৰ Digital India, Make in India, Start up India, Stand of India এই বিলাক এটা আহিলা হিচাবে কাম কৰিব। আজি Digital India, Make in India, Start up India ৰ ক্ষেত্ৰত ভাৰত চৰকাৰে এটা ভাল পদক্ষেপ লৈছে আৰু ভাল ধন আৱন্টন দিয়া হয়, কিন্তু ITI ৰ নিচিনা যদি প্ৰতিষ্ঠান নাথাকে তেতিয়া হ'লে সেইটো কিমান দূৰ ফলপ্ৰসু হয় সেইটো সময়ে হে ক'ব। এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে, এই সকলোবোৰ আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যাতায়তৰ সু-ব্যৱস্থা অতিকৈ গুৰুত্বপূৰ্ণ আৰু চৰকাৰে এই ৰাস্তা ঘাটৰ ক্ষেত্ৰত যদিও পুঁজি আৱন্টন দিছে কিন্তু সেইখিনি পৰ্য্যাপ্ত নহয়। কাৰণ এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে, লংকা থানাৰ সন্মুখত যিটো ৰাস্তা আছে তাত প্ৰায়ে দুৰ্ঘটনা হোৱা দেখা যায়। গতিকে অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ ৰাস্তা ঘাট পকীকৰণ আঁচনিৰ জৰিয়তে এই ৰাস্তা-ঘাটবোৰ অনতিপলমে পকীকৰণ/মেৰামতি কৰাৰ ব্যৱস্থা কৰি বলৈ দিব বিচাৰিছিলো যদিও দিব নোৱাৰিলো। যিহেতু পুঁজি কম আছিল। গতিকে মই বিভাগীয় মন্ত্ৰীক এই ক্ষেত্ৰত কিছু পৰিমাণে গুৰুত্ব দিবলৈ অনুৰোধ জনালো কাৰণ কিছুমান ক্ষেত্ৰত আঁচনিয়ে নাহে। গতিকে সেই আঁচনিবোৰ আমি বনাব লাগিব। যিহেতু হোজাইত বিভিন্ন ভাষা ভাষীৰ মানুহ বাস কৰে। হোজাইত মই দেখিছো যে, ITI ৰ নিচিনা এটা বে-চৰকাৰী প্ৰতিষ্ঠানে কিছু কাৰিকৰী শিক্ষা দিয়াৰ ব্যৱস্থা দেখা যায়। এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ যিটো স্ব-নিয়োজন (livelihood mission) আছে, আৰু সেই মিশ্যনৰ অধীনটো সেই বে-চৰকাৰী প্ৰতিষ্ঠানবোৰে বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণ কৰি থকা দেখা গৈছে। এই ক্ষেত্ৰত মোৰ এটা ক'বলগীয়া কথা আছে যে, মোৰ সমষ্টিত থকা ITI ৰ বোৰৰ ক্ষেত্ৰত ৮ কোটি টকাৰ আৱন্টন দিয়া হৈছিল যদিও তাৰ মাত্ৰ ২ কোটি টকাহে মোকলাই দিয়া হৈছে। বাকী টকাখিনি আধৰুৱা হৈ পৰি আছে। গতিকে মোৰ কথা হ'ল যে, আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত ব্যৱস্থা লোৱাটো অতিকৈ জৰুৰী। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ আগতে মই এটা অৱগত কৰিব খুজিছো বোকাজান বিধান সভা সমষ্টি কুলি গাৰত এটা ITI চেংশ্যন দিয়া আছে আৰু সেইটোৰ ৮০ শতাংশ কাম হৈ গৈছে। বাকীখিনি কাম ক'ত কেনা লাগিছে সেইটো চাই সোনকালে সেই কামটো কৰিলে হ'ল। উত্তৰটো উদ্যোগ মন্ত্ৰীয়ে পিছত দিব। এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া

**শ্ৰীবিমল বৰা, মন্ত্ৰী** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে ক্ষন্তেক সময়ৰ আগত আমাৰ মাননীয় মন্ত্ৰী ৰনোজ পেগু ডাঙৰীয়াই উত্তৰ প্ৰদান কৰি আছিল। ৰনোজ পেগু ডাঙৰীয়াই উত্তৰ প্ৰদান কৰি থাকিলে সন্মুখত পাটোৱাৰী ডাঙৰীয়া বহি আছে, আৰু মই ইয়াত বহি আছো। আমাৰ ইয়াত কেমেৰা যি কেইটা লগোৱা আছে, কেমেৰাৰ পজিশ্যন বিলাক সলনি কৰিব লাগে। যদি এনেকৈ তললৈ চাই থকা যায়, মানুহটো শুই থকা যেন লাগে। এতি য়া এই মাত্ৰ পাটোৱাৰী ডাঙৰীয়াই কিবা এটা কথা কৈছিলে মোক ওপৰলৈ মূৰ কৰি। মই তললৈ চাই কিবা এটা উত্তৰ দি আছিলো। এই কেমেৰাটোৱে আমাক ধৰিছে আৰু এতিয়া ইয়াতে দেখিছো যে "বিধান সভাত নিদ্ৰা দেৱীৰ কোলাত দুই মন্ত্ৰী"। এটা টি ভি য়ে এনেকৈ দেখুৱালে ইয়াত যদি

ৰনোজ দাই ভাষণ দি থাকোতে ইয়াত মই শুই থাকিম জানো? আৰু পাটোৱাৰী দাই ওপৰলৈ মুৰ কৰি শুৰ নেকি? কিবা বিষয় এটাত বাইদেউৰ লগত কথা পাতি আছিল। জনমানসত এটা বেয়া মেচেজ যায়। গতিকে এই গোটেই বিষয়টো চাব লাগে। আৰু এইটো যিটো এন কে টি ভি ত দেখুৱাইছে বিধান সভাৰ পৰা এইবিলাক অতি সোনকালে বন্ধ কৰিব লাগে। এইটো জনাব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** আলোচনা কৰি ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হ'ব। এইটো বিষয়ত অধ্যক্ষ মহোদয়ৰ লগত কথা পাতি কি কৰিব পৰা যায় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এতিয়া অখিল গগৈ।

**শ্ৰী অখিল গগৈ, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বিষয়টো হ'ল, শিৱসাগৰত অৱস্থিত আহোম ৰাজত্বকালৰ পুৰাত্বাত্তিক কৃতিচিহ্ন সমূহৰ সুৰক্ষা আৰু সংৰক্ষণৰ জৰুৰী প্ৰয়োজনীয়তা। মাননীয় উপাধ্যক্ষ মহোদয়, অসমত যিমান বিলাক archaeological monuments আছে আৰু তাৰ ভিতৰত ষ্টেণ্ডিং monuments বিলাক আটাইতকৈ বেছি আছে শিৱসাগৰত। late আহোম যুগৰ যিখিনি monuments এতিয়াওঁ ভাল হৈ আছে, ৰং ঘৰ, তলাতল ঘৰ, কাৰেং ঘৰ, এই বিলাক। অসমীয়া জাতিৰ আটাইতকৈ বেছি মুল্যবান সম্পদ সমূহ আমি জাতীয় পৰিচয় এটা দাঙি ধৰিবৰ কাৰণে যি বিলাক archaeological monuments লাগে, সেইটো শিৱসাগৰতে আছে বেছিকৈ। আমি সকলোৱে জানো যে শিৱসাগৰতে ৫৫১ টা এনেকুৱা ধৰণৰ monuments আছে। এনেকুৱা ধৰণৰ পুৰাত্বাত্তিক সমল ৫৫১ টা আছে। সেই ৫৫১ টা ৰ ভিতৰত মোৰ নিজৰ সমষ্টিত ষ্টেট archaeology য়ে ১৩ টা সংৰক্ষণ কৰে। বাকী বিলাক এতিয়ালৈকে unprotected হৈ আছে আৰু নেশ্যনেল archaeolog y ASI য়ে ১৬ টা মোৰ সমষ্টিত এনেকুৱা ধৰণৰ archaeological চাইত বিলাক সংৰক্ষণ কৰে। উপাধ্যক্ষ মহোদয়, এই যে অসমীয়া জাতিৰ স্বাভিমান, অসমীয়া জাতিৰ পৰিচয়, অসমীয়া জাতিৰ ঐতিহ্যৰ পৰিচয় বহনকাৰী এই যিবিলাক সম্পদ এই সম্পদ বিলাক এতিয়া উৰুঁলি গৈছে। সেই কাৰণে আজিৰ দিনটোত মই ইয়াৰ সংৰক্ষণৰ প্ৰশ্নটো উত্থাপন কৰিব খুজিছো। উপাধ্যক্ষ মহোদয়, প্ৰথম মই এটা এটাকৈ কথাখিনি কৈ যাব খুজিছো। নামদাং শিলৰ শাকোঁ-নামদাং শিলৰ শাকোঁখন আমি সকলোৱে জানো যে ৰুদ্ৰ সিংহৰ দিনত বনোৱা আৰু অসমীয়া জাতিৰ এটা অত্যন্ত গুৰুত্বপূৰ্ণ সম্পদ। এতিয়ালৈকে এইটো ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ হাতত আছে। অতি সোনকালে এইটো State Archaeology ৰ হাতলৈ অনাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। পহু গড়- এইটো এছিয়াৰ ভিতৰতে প্ৰথমটো চিৰিয়াখানা বুলি কোৱা হয়। পহুগড়ত বাহিৰৰ পৰা লাখ লাখ পৰিভ্ৰমি পক্ষী আহে। কিন্তু এতিয়ালৈকে তাত ভালকৈ সংৰক্ষিত কৰা হোৱা নাই। ইয়াত জাতীয় সম্পদৰূপে ভালকৈ সংৰক্ষণ কৰা হোৱা নাই। ইয়াক জাতীয় সম্পদ ৰূপে ভালকৈ সংৰক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ পুৰনা পুখুৰী বুলি আহোম যুগৰ এটা ডাঙৰ পুখুৰী আছে। তাত মই এম এল এ ফাণ্ডৰ পৰা দহ লাখ টকা দি তাত এটা পৰ্য্যটন কেন্দ্ৰ কৰিবৰ কাৰণে চেষ্টা কৰিছো আৰু তাৰ ৰাস্তাটোৰ পকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। কিন্তু সেই পুৰণা পুখুৰীটো মেটেকাৰে ভৰ্ত্তি হৈ গৈছে। ইয়াক সংৰক্ষণ কৰিবৰ কাৰণে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। সেইটো কৰাৰ ব্যৱস্থা কৰিব লাগে। 'ফাকুৱা দৌল ' টো আমাৰ জয়মতীৰ সমাধিক্ষেত্ৰ বুলি কোৱা হয়, আৰু এইটো হ'ল, এটা অত্যন্ত সাংঘাটিক ধৰণৰ অষ্টকোণীয়া স্মৃতিচিহ্ন octagonal মানে archaeological site এইটো একেবাৰে বাৰিষাকালত পানী ভৰ্তি হৈ একেবাৰে ধ্বংস হৈ গৈছে। এইটোক ৰক্ষণা-বেক্ষণ যদি নিদিয়ে কিছুদিনৰ ভিতৰত এইটো নাইকিয়া হৈ যাব। আমাৰ ঘনশ্যামৰ যিটো ঘৰ, আহোম যুগৰ আটাইতকৈ ধুনীয়া architecture আছে। সেইটো ঘৰ এতিয়া বেকা হৈ গৈছে, পৰো পৰো হৈ গৈছে।

সেইটো যদি আমি ভালকৈ সংৰক্ষণ নকৰো তেতিয়া হলে  অসমীয়া জাতিৰ চিহ্ন পৰিচয়টো নাইকিয়া হৈ যাব। কেন্দুগুৰিৰ যিখিনি বৰপাত্ৰগোঁহাই মৈদাম এই বৰপাত্ৰগোঁহাই মৈদামবোৰ নাইকীয়া হৈ যাব ধৰিছে। তাক এতিয়ালৈকে protected area হিচাপে  ঘোষণা কৰি থৈছে। কিন্তু তাত কোনো ধৰণৰ protection  ৰ ব্যৱস্থা নাই। আনকি  বাউণ্ডেৰী নাই। কালু গাঁৱত যিখিনি জগধাত্ৰী  দৌল , অসমৰ একমাত্ৰ জগধাত্ৰী দৌল। তাৰ পাছত  বৰপাত্ৰ বিষ্ণু দৌল আৰু লক্ষ্মীসাগৰ বা বৰপাত্ৰ পুখুৰী এই বিলাকক সংৰক্ষণ কৰাৰ কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। আমাৰ ঐতিহাসিক যমুনাখন যিখন শিৱসাগৰ ডি চি অফিচকে ধৰি মুল চেন্টাৰটোক ঘেৰাও কৰি ধৰি ৰাখিছে।  এই ঐতিহাসিক যমুনাৰ বিষয়ে মই বেছি নকওঁ কাৰণ মোৰ সময় বেছি নাই। এই ঐতিহাসিক যমুনাখন এতিয়া জংঘলেৰে ভৰপুৰ হৈ গৈছে।  এইখনক যদি চাফা কৰি,  এইখনক যদি সংৰক্ষিত কৰি টুৰিষ্ট প্লেচ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়া অসমীয়া জাতিটো জীয়াই আছে বুলি আমি ক'ব নোৱাৰো। তাৰ পাছত পিয়লি ফুকনক ফাঁচি দিয়াৰ যিটো ঠাই আমাৰ একেবাৰে বৰ পুখুৰীৰ পাৰতে আছে। সেইখনো এতিয়া unprotected, সৰু এখন পাৰ্ক আছে কিন্তু একেবাৰে unprotected,  তাতে মদৰ বটল পৰ্য্যন্তও পৰি থাকে।  আনকি ৰখীয়া এজনো নাই। গতিকে এইটোৰ ব্যৱস্থা কৰিব লাগে। শিৱসাগৰ পুখুৰী আৰু জয়সাগৰ পুখুৰী এছিয়াৰ আটাইতকৈ ডাঙৰ পুখুৰী unprotected, পাৰ এটা ভাঙি গৈছে, আৰু জয়সাগৰ পুখুৰীৰ পাৰত চি আৰ পি এফ ৰ কেম্প বহুৱাই থৈছে। চি আৰ পি এফ কেম্পে কেনেকৈ আমাৰ ঐতিহাসিক জয়সাগৰ পুখুৰীৰ পাৰটো দখল কৰিব পাৰে, এই চি আৰ পি এফ কেম্পটো তাৰ পৰা  replace কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উপাধ্যক্ষ মহোদয়, শিৱদৌল আপোনালোকে দেখিবলৈ পাব, অসমৰ ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শিৱদৌল, বিষ্ণুদৌল আৰু দেৱী দৌল একেলগে একেটা কেম্পাচতে আছে। তাৰ  debris,বিলাক নতুনকৈ বনোৱা সামগ্ৰীবিলাক ভাঙি দিলে। কিন্তু  debris,বিলাক এতিয়া এনেকুৱাকৈ জমা হৈ আছে যে সেই ঠাইখিনি এতিয়া চাফা ই কৰিব নোৱাৰে।  আজিৰ দিনটোত শিৱদৌললৈ যদি কোনোবা মানুহ আহে কেৱল  ধ্বংসস্তুপ দেখিবলৈ পাব। গতিকে এইটো অতি সোনকালে সংৰক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰংঘৰ, তলাতল ঘৰ আৰু গড়গাৱৰ কাৰেং ঘৰ এই কৃতিচিহ্নবোৰ আমি দেখিছো যে এতিয়া এই কৃতিচিহ্নসমূহত ফাট মেলিছে। তাত পানী পৰিছে, তাত শেলুৱেই ধৰিছে, তাৰ ওপৰত গছ-গছনি গজিছে। অত্যন্ত বেয়া অৱস্থাত গতিকে মই উপাধ্যক্ষ মহোদয়, এই সম্পদ বিলাকৰ সংৰক্ষণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ এই দুয়োখনৰ ওচৰতে দাবী উত্থাপন কৰিছো। উপাধ্যক্ষ মহোদয়,  এই মুহুৰ্তত ৰাজ্য চৰকাৰে  কি কৰি আছে তাৰ নমুনা এটা মই দিব খুজিছো। আপোনালোকে দেখিছে যে অসমত কিমান অকল শিৱসাগৰতে মই কলো, শিৱসাগৰতে ৫৫১ টা এনেকুৱা ঐতিহাসিক সম্পদ আছে। কিন্তু  archaeology department ক আমাৰ বিত্ত বিভাগে বাজেটত কিমান টকা দিছে, আপোনালোকে জানেনে? archaeology department ক বিত্ত বিভাগে এইবাৰ এচ ও পি ডি ত দিছে  ৪৭.৫০  লাখ টকা, আৰু events বিভিন্ন ধৰণৰ অনুষ্ঠান, প্ৰতিষ্ঠান, মিটিং ৪৭ লাখ ৫০ হাজাৰ টকা  আৰু maintanance  ৰ কাৰণে ৯ লাখ টকা  সৰ্বমুঠ ১কোটি ৪ লাখ টকাৰে archaeology department টো ঢাল নাই তৰোৱাল নাই নিদ্ৰাৰাম চৰকাৰ । গতিকে এই মুহুৰ্তত মই ভাবো যে archaeology department ক অধিক  ধন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এতিয়া আমি কি কৰিব লাগিব, এই সম্পদ বিলাক সংৰক্ষণ কৰিবৰ কাৰণে কি কৰিব লাগিব? ১নং কথা  ASI আৰু অসম archaeology  দুয়োটায়ে সমন্বিত প্ৰক্ৰিয়াৰে কাম কৰিব

লাগিব। ২য় তে iconic site ৰূপে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ২০২০-২১ বাজেটত ঘোষণা কৰি থৈছে গতিকে iconic site ত যি পইচা ঘোষণা কৰি থৈছিলে সেই পইচাখিনি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে, আৰু তাৰ কাৰণে State Archaeology ক ১৫৫.২০ কোটি টকাৰ এটা বাজেট দিছে সেইটো অনাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উপাধ্যক্ষ মহোদয়, আজি আপুনি জানি আচৰিত হ'ব গোটেই শিৱসাগৰত যিমান iconic site আছে সেই site বিলাকৰ কাৰণে ASI ৰ কাৰণে মাত্ৰ এজন চাফাই কৰ্মী আছে। এজন মাত্ৰ হৰিজন আছে, আৰু আমাৰ State Archaeology ত কিমান আছে জানেনে ? তেওঁলোকে monument attandant বুলি কয় এজন permanent monument attandant আৰু এজন temporary monument attandant , আপুনি চাওঁক এই তিনিজন মানুহে গোটেই শিৱসাগৰখন এতিয়া চাফা কৰিব লাগে। সেই কাৰণে এই মুহুৰ্তত মই আগতেও কৈছিলো। প্ৰথমখন বিধান সভাতেই মই যেতিয়া members hours পাইছিলো তাত মই কৈছিলো যে শিৱসাগৰত প্ৰথমে State Archaeological site ৰূপে ঘোষণা কৰিব লাগে। State Archaeological city ৰূপে ঘোষণা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে iconic city ৰূপে ঘোষণা কৰি ছে তাকো আনিব লাগে, আৰু তাৰ পাছত আমি ইউনেস্কোৰ পৰা আমাৰ যি স্বীকৃতি আনিব লাগে, যে World Heritage Site ৰূপে তাৰ কাৰণে কাম আগবঢ়াব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই কালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা পাতিছিলো। তেখেতে ১ কোটি টকা অধ্যয়নৰ কাৰণে দিম বুলি কৈছে। কালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে দুদিনৰ ভিতৰত সেই ১ কোটি টকা চেংচন কৰিব। মই আশা কৰো সেইটো ঘোষণা হ'ব। আমাৰ ৰংঘৰত Light and Sound Show দিম বুলি বাজটত ঘোষণা কৰি এতিয়ালৈকে দিয়াৰ ব্যৱস্থা কৰা নাই। এইখিনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি অনুৰোধ জনাইছো। শেষত মই এটা প্ৰস্তাৱ দিব বিচাৰিছো যে শিৱসাগৰৰ Archaeological Monuments বিলাক সংৰক্ষিত কৰিব কাৰণে আমাৰ Archaeolog y Minister ৰ জৰিয়তে অনুৰোধ জনাইছো। Archaeolog y Ministry টোক আজিকালি Indigenous and Tribal Faith and Culture Department বুলি আজিকালি কয়। তেখেতক সভাপতি ৰূপে ৰাখি আমাৰ শিৱসাগৰ জিলাৰ আটাইকেইজন বিধায়ক ৰাখি অতি সোনকালে এইখিনি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়া।

**Smti Nandita Garlosa, Minister :** Hon'ble Deputy Speaker Sir, the Rule 301, a question has been brought by Hon'ble MLA of Sivasagar, his indeed and question that has to be brought in the department of Archaeology. Because this department of Archaeology was earlier under the Cultural Department. As the Government has taken initiative to reforms of new department under the Indigenous Trible and Faith culture archaeology has been initiative under this. We expect that this department in the future will take a very long terms because Archaeology itself is a very big department. If it come under culture, there are pleases we can not find that how we should be done. So, ones this archaeology is under an institution, we will say where it is

different department not we the culture. I expect that this is going to be very good department in the near future. So, as per your question as per report of a survey conducted in the undivided Sivasagar District by the then Deputy Commissioner, Sivasagar, there are altogether 551 numbers of ancient monuments and relics as pointed by you Hon'ble MLA of Sivasgar LAC, Shri Akhil Gogoi Dev. of the above mentioned ancient moniments and relics, a total number of 17 monuments are protected and preserved by the Archaeological Survey of India and 28 numbers are under the purview of the Directorate of Archaeology, Assam. Along with other archaeological sites and monuments across the State, the Government in each Financial year has taken necessary steps for preservation, protection and development of these 28 archaeological sites and monuments located at Sivasgar District in phased manner. During the last financial year i.e. 2021-22, the government spent Rs. 33 Lakh for preservation and development of Smti Bishnu Doul and Devi Doul. And during the current financial year the Government has earmarked and amount of Rs. 199.90 lakh for the same. Out of the said amount Rs. 190.00 lakh has been fixed for development activities of the Gargaon Capital Rampart. The work of development of Gargaon Capital Rampart is going on and till now approximately 50% of the work is completed. An amount of Rs. 9.90 lakh has been set for the Bishnu Doul of Kalugaon. It is expected that the entire amount earmarked for Gargaon Capital Rampart and Bishnu Doul Kalugaon will be utilised for the developmental works of Gargaon Capital rampart and Bishnu Doul during the current Financial year only. With regards to development of Sivasagar Iconic site, a meeting was held with officials of Archaeological Survey of Inida on 15-07-2022 wherein it was decided that a composite proposal be prepared along with plan and estimate and the same is to be forwarded to Archaeological Survey of India for obtaining funds from Govt. of India. Accordingly, the said proposal has been prepared by Directorate of Archaeology and after examination of the same, the proposal will be sent to Archaeological Survey of Inida for consideration. However, the Directorate of Archaeology, Govt. of Assam is looking after the conservation and preservation of these 28 monuments. Conservation and preservation is being undertaken in phase manner subject to availability of

the fund. It is also informed that the sites that are under the Directorate of Archaeology are being regularly maintained time to time necessary conservation preservation works are carried out on need basis. On the status of Namdung Silsako, Sivasagar District, I would like to say that the Namdung Silsako is presently used as a connecting bridge located at NH-37. An alternative bypass adjacent to the Silsako is under construction which is done by National Highway Authority as a plan to divert the traffic route. Meanwhile, the Directorate of Archaeology has made correspondence with the district administration for handing over the physical possession of the historic Silsako, which will be done only after the completion of the alternative route. At present the Namdung Silsako is being used by the public, hence no conservation work can be done now. Once, after physical handover of the Silsako, necessary steps for protection, presvervation and conservation will be taken up by the Directorate of the Archaeology Assam. In relation, Joysagar Tank, Sivasagar District, the sites under Joysagar tank, Sivasagar namely Vishnu Doul, Devi Doul and Ghanshyam House are under the jurisdiction of Archaeolgcial Survey of India. However, the Joysagar tank is under the jurisdiction of District Administration. In Porugarh, conservation plan and preservation proposal are under process which will be submitted to the Government. In Barpatra Doul, conservation is going on and it is in the last phase. In Piyali Phukan, Protected by Directorate of Archaeology regular maintence is done by the department. In Barpatra Maidam, maintance is going on approach road is under construction. So, I would like to say that the archaeology is a very big department in whole of Assam. I will say, you have mentioned in Sivasagar but I also like to mention due that beside Sivasagar, there are so many places which we are supposed to work and I would like to say that the House also to the other concern MALs also if possible, please give us more of the input, so that we can have a liberal discussion in the House. Thank you very much.

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আমাৰ অসমৰ চাহৰ ওপৰত কেইটামান কথা ক'বলৈ আগবাঢ়িছো। প্ৰথম কথাটো হৈছে আমাৰ অসমৰ চাহৰ কোৱালিটি লৈ আমি সকলোৰে কনচাৰ্ণ যে আমি যেতিয়া এটা চাহৰ পেকেট খোলো বা ভাৰতৰ কোনোবা অঞ্চলত গৈ অসমৰ চাহৰ পেকেট এটা খোলো, তাত আমি যিটো চাহৰ মানদণ্ড পাব লাগে সেই

মানদণ্ডটো আমি নাপাওঁ। আগতেও বহুতবাৰ ইয়াত এই বিষয়ে চৰ্চা হৈছে আৰু এই গোটেই কথাখিনি গৈ আমাৰ চেণ্ট্ৰেলত কথাখিনি ওলাল। কেন্দ্ৰীয় চৰকাৰে এটা পেনেল বনালে যিটো পেনেলৰ জৰিয়তে বাহিৰৰ পৰা আমাৰ অসমলৈ যিবোৰ সস্তীয়া চাহ আহে, ভাৰতলৈ যিবোৰ আমদানি হয় সেই আমদানি হোৱা চাহ বিলাক আহি আমাৰ অসমলৈ আহে বা ভাৰতৰ বিভিন্ন ঠাইৰ ফেক্টৰীত ভাল চাহৰ লগত মিক্স কৰি আকৌ বিদেশলৈ ৰপ্তানি কৰে আৰু বহুত সময়ত আমি দেখিবলৈ পাওঁ যে এইবোৰ চাহ বিভিন্ন প্ৰকাৰে লিকেজ হৈ আমাৰ ভাৰততে বিক্ৰী হয় আৰু আমাৰ চাহৰ মানদণ্ডটো একেবাৰে তললৈ আহে। তাৰ কাৰণে এটা পেনেল আমাৰ কেন্দ্ৰীয় চৰকাৰে গঠন কৰি, বিশেষকৈ আমাৰ নেপালৰ পৰা যিবোৰ চাহ আহে, নেপালৰ পৰা অহা চাহবোৰ আন অথ'ৰাইজড্ হৈ বিভিন্ন ৰাস্তাইদি স্মাগল হৈ আমাৰ অসমলৈ আহে। মই এটা আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে নেপালত বিশেষ কোনো law নাই। মেনুফেক্সাৰিঙ যিবোৰ প্ৰচেচ, সেই প্ৰচেচবোৰ বহুত ধৰণৰ সমস্যা থকাৰ কাৰণে নেপালৰ পৰা খুব কম খৰছত মেনুফেক্সাৰিং কৰিব পৰা যায়। নেপালৰ পৰা যি চাহবোৰ আহে, সেই চাহবোৰ অহাতো অতি সোনকালে বন্ধ কৰিব লাগে আৰু অসম চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব লাগে, যাতে অসমত অসমৰ চাহত কেতিয়াও বাহিৰৰ সস্তিয়া চাহ আহি সোমাব নোৱাৰে। ইয়াৰ উপৰিও, এটা ভয়ংকৰ কথা হৈছে কি, বৰ্তমান দেখা গৈছে South India ৰ পৰা যিবোৰ চাহ আহে, সেই চাহবিলাকত তেওঁলোকে এটা কালাৰ মিলাই। তাৰ ফলত কি হৈছে চাহৰ ৰংটো দেখিবলৈ ধুনীয়া হয় আৰু সেইটো হয়তো আমাৰ শৰীৰত অপকাৰো কৰিব পাৰে। গতিকে ইয়াৰ এটাই ৰাস্তা আছে, আগতে আমাৰ মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া এই বিভাগৰ মন্ত্ৰী থাকোতে, মই তেতিয়া বিধায়কো নাছিলো, তেতিয়া মই চাহ সন্থাৰ হৈ তেখেতক এটা কথা উল্লেখ কৰিছিলো, তেখেতে সেই সময়ত মানি লৈছিলে যে অসমৰ চাহৰ মানদণ্ডটো আমি ধৰি ৰাখিবৰ কাৰণে অসমৰ চাহত আমি GI-tag লগাব লাগে, GI-tag টো যদি হয়, তেতিয়া হলে অসমৰ চাহৰ পেকেট খুলিলে তাত আপুনি অসমৰ চাহ পাব। ইয়াৰ উপৰিও আমাৰ নাগালেণ্ড হওঁক, অৰুণাচল প্ৰদেশ বা অন্যান্য ৰাজ্যৰ পৰা যিবোৰ আমাৰ চাহ আহে, সেইবোৰ আহি অসমৰ উদ্যোগত চাহবোৰ বনাই আৰু অসমৰ চাহ হিচাপে বাহিৰলৈ গুছি যায়। সেইকাৰণে এতিয়া সমস্যা হৈছে যে অসমৰ যিটো Identity, অসমৰ চাহৰ যিটো ঐতিহ্য, সেই ঐতিহ্য ৰাখিবৰ কাৰণে অসম চৰকাৰে খুব ভাল এটা পদক্ষেপ ল'ব লাগে, যাতে অসমৰ চাহ অসমতে packaging হয় আৰু produce of Assam, pack in Assam এই বস্তুবিলাক থাকিব লাগে। এই বিষয়ত এটা আলোচনা হোৱা খুব প্ৰয়োজন আছে কিয়নো অসমৰ চাহ বিলাক যেতিয়া ৩০ কেজি, ৪০ কেজি বেগত ভাৰতৰ বিভিন্ন ঠাইলৈ যায়, যোৱাৰ পিছত আকৌ সেইবিলাক repackaging হয়। Repackaging হোৱাৰ ফলত আমাৰ অসমৰ চাহৰ মানদণ্ডটো নাইকিয়া হৈ যায়। সেইকাৰণে বাহিৰলৈ গলে আমি কেতিয়াও অসমৰ চাহৰ সোঁৱাদ নাপাওঁ, লগতে অসমৰ বজাৰত, আমাৰ নিজৰ ঘৰত মই চাহ খাইছো বা আপোনালোককো মাজে মাজে চাহ খুৱাই থাকো, সেই চাহ আপোনালোকে বিচাৰি নাপাই। মোক কয় যে তোমাৰ চাহটো ইমান ভাল তুমি ক'ত বনোৱা। আচলতে আমাৰ অসমত সেইটোৱে চাহ হয়। কিন্তু আমাৰ পেকেটবোৰত যিহেতু বাহিৰৰ চাহ আহি সোমাই, ইয়াৰ লগে লগে আৰু এটা কথা বটলি ফেক্টৰী বিষয়ে কবলৈ খুজিছো - এতিয়া বটলি ফেক্টৰী আমাৰ যিসকল small tea grower আছে, সেই small tea grower সকলে এতিয়া যথেষ্ট সজাগ হৈছে, তেওঁলোকে চুটি চুটি পাত চিঙিবলৈ লোৱাৰ কাৰণে আমাৰ অসমৰ চাহৰ

মাণদণ্ডটো উন্নত হৈছে। কিন্তু হলেও এই যিটো বাহিৰৰ চাহ আহি আমাৰ অসমৰ চাহৰ পেকেটত সোমাই, যিটো আমাৰ এটা কেৰণৰ সৃষ্টি কৰিছে, এইটো অসম চৰকাৰে অনতি পলমে বন্ধ কৰিব লাগে। আজিৰ বিধান সভাৰ পবিত্ৰ সদনত মই এই কথাটো সদৰে উত্থাপন কৰিছো, ভৱিষ্যতে এই বিষয়ে এটা আলোচনা হৈ অন্তত আমাৰ নতুনকৈ হোৱা উদ্যোগ মন্ত্ৰী মহোদয়ক অভিনন্দন জনাইছোঁ আৰু তেখেতৰ কথা ইতিমধ্যে উজনি পৰা মোলৈ বহুত বাৰ ফোন আহিছে যে শ্ৰীযুত বিমল বৰা ডাঙৰীয়া খুব সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিছে অসমৰ চাহ উদ্দ্যোগটো ধৰি ৰখাৰ স্বাৰ্থত। মই আশা ৰাখিছো, তেখেতে এই বিষয়ত এটা খুব ভাল পদক্ষেপ লৈ ভৱিষ্যতে অন্তত আমাৰ অসমত চাহটোক চিনাকি দিব পৰাকৈ বিশ্বৰ বজাৰত, তেখেতে কিবা এটা ইয়াৰ ব্যৱস্থা ল'ব। এই ক্ষেত্ৰত এজন চাহ উদ্দ্যোগিক হিচাপে আমাৰ ফালৰ পৰা সদায় সহযোগ থাকিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আপুনি খুব গুৰুত্বপূৰ্ণ কথা কৈছে। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (উদ্যোগ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা অতি গুৰুত্বপূৰ্ণ বিষয় মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই উত্থাপন কৰিছে, কাৰণ অসমৰ চাহ পৃথিৱী বিখ্যাত আৰু ভাৰতবৰ্ষত উৎপাদিত প্ৰায় ১৪ শ মিলিয়ন চাহ, তাৰে ভিতৰত ৫০ শতাংশই অসমৰ পৰা উৎপাদিত হয়। অসমৰ চাহ বিশ্বৰ বজাৰত আৰু অধিক দাম পাবৰ কাৰণে নিশ্চিত ভাৱে প্ৰথম আৰু প্ৰাথমিক চৰ্ত আমাৰ চাহৰ গুণগত মানদণ্ড উন্নত কৰা।

আমাৰ অসমত যথেষ্ট পৰিমাণৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে আৰু অসমত উৎপাদিত চাহৰ ১৫ শতাংশ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ পৰা উৎপাদিত পাতৰে তৈয়াৰ কৰা হয়। মাননীয় সদস্যগৰাকীয়ে যিটো বিষয়লৈ উত্থাপিত কৰিছে যে বাহিৰৰ পৰা আমদানিকৃত চাহ অসমৰ চাহৰ লগত মিশ্ৰণ কৰি চাহ বিক্ৰী কৰা হয়, তাৰ কাৰণে বজাৰত দামৰ পৰা গুণগত মান, অসমৰ চাহ বুলি এটা বদনাম ওলাইছে। এটা negative impact পৰিছে।

প্ৰশ্নটো হ'ল যে এতিয়া নেপালৰ লগত free trade agreement আমাৰ আছে। গতিকে চৰকাৰৰ ফালৰ পৰা পোনপতিয়াকৈ কেৱল মাত্ৰ চাহৰ ক্ষেত্ৰতে নহয়, এই free trade agreement জৰিয়তে আমি যিকোনো বস্তু ক্ৰয়-বিক্ৰয় কৰিব পাৰো নেপালৰ লগত। গতিকে নেপালৰ চাহ আমি আমদানি বন্ধ কৰাটো এই agreement ৰ মতে কৰিব পৰা নাযায়। কিন্তু তাত কিছু regulation আছে। Tea Board ৰ তৰফৰ পৰা নিৰ্দেশ দিয়া আছে যে কোনো ঠাইৰ পৰা যদি চাহ আমদানি কৰা যায় তেতিয়া ২৪ ঘন্টাৰ ভিতৰত সেই চাহ ক'ত মজুত কৰি ৰখা হৈছে, সেই কথা Tea Board ক জনাব লাগে। আৰু Tea Board য়ে বিক্ৰেতা সকলকো নিৰ্দেশ দি থৈছে যে তেওঁলোকে GI mark থকা ভাৰতীয় চাহৰ লগত বেলেগ কোনো চাহ তেওঁলোকে সংমিশ্ৰণ কৰিব নোৱাৰে আৰু Tea Board ৰ নিয়ম অনুসৰি বিক্ৰেতা সকলে যদি বাহিৰৰ চাহ মিহলি কৰি বিক্ৰী কৰে, তেতিয়া হলে সেই মিহলি কৰাৰ পৰিমাণ তথা অন্য যি তথ্য, সবিশেষ তেওঁলোকে পেকেটত পৰিস্কাৰকৈ উল্লেখ কৰিব লাগিব। গতিকে মই ভাৱো যে নিশ্চয় সেই অসমৰ হয় নে বাহিৰৰ পৰা অনা চাহৰ লগত মিশ্ৰণ কৰি পেকেজিং কৰা হৈছে, পেকেজিঙত গোটেইখিনি কথা গম পাব। চোৰাং ভাৱে যদি কোনোবাই এনেকুৱা কাৰ্য্যত লিপ্ত হৈ থাকে, সেইখিনি তথ্য সহকাৰে যদি আমি গম পাওঁ, তেতিয়া হলে নিশ্চত আইনগত ব্যৱস্থা গ্ৰহণ কৰা যায়। আমদানিকৃত চাহো যাতে নিম্ন মানদণ্ডৰ নহয়, তাৰ বাবেও Tea Board য়ে The FSSAI (Food Safety Standard of Authority of India) যিটো মানদণ্ড সেইটো পৰীক্ষা কৰিবৰ কাৰণে দায়িত্ব দি থোৱা হৈছে। এই বিষয়ত মই নিশ্চিতভাৱে Tea Board ক

আমাৰ বিভাগৰ তৰফৰ পৰা অৱগত কৰা হ'ব। Orthodox চাহ অসমত যথেষ্ট পৰিমানৰ উৎপাদন হৈ আছে। ক্ষুদ্ৰ চাহ খেতিয়কৰ পৰা বৃহৎ চাহ গোষ্ঠী বিলাকে উৎপাদন কৰি আছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ পৰাও incentive দিয়াৰ ব্যৱস্থা আছে, যাৰ ফলত এই উদ্যোগটোৱে যথেষ্ট লাভৰ মুখ দেখিছে। এটা কথা ঠিক যে অসমৰ চাহ উদ্যোগ যদি খুব সুক্ষ্মভাৱে নিৰিক্ষণ কৰি আমি আগনাবাঢ়ো তেতিয়াহলে কোম্পানীৰ শ্ৰমিক তাৰ লগত জড়িত উদ্যোগিক, তেতিয়াহলে সেই উদ্যোগৰ পৰা ডাঙৰ প্ৰত্যাহ্বান আহি আছে ভৱিষ্যতৰ দিনত। এই ক্ষেত্ৰত আজি আলোচনাৰ বিষয় নহয়। কিন্তু মই ভাৱো যে চাহ উদ্যোগৰ ক্ষেত্ৰত যথেষ্ট ভাবিবলগীয়া আছে, কৰিবলগীয়া আছে। চৰকাৰে আঁচনি বা policy দিলে নহ'ব। সেই ক্ষেত্ৰত আঁচনি বা policy implement কৰাৰ ক্ষেত্ৰত অন্তৰ সদ ইচ্ছাৰ প্ৰয়োজন হ'ব। আপুনি এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষৰ বিষয়ৰ সন্দৰ্ভত Rule 301 (2) sub-clause -b ৰ মতে বিভাগীয় মন্ত্ৰীয়ে ১০ দিনৰ ভিতৰত উত্তৰটো দিব। এতিয়া কাৰ্য্যসূচী নং. ৭।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (SEED Minister) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি কৈছে যে সন্মানীয় সদস্য ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াই যিটো Rule 301ত বগীজান ITI নিৰ্মাণৰ সম্পৰ্কত কৈছিলে, যদিও Skill Development Minister ক সুধিছে, এইটো MSDP ৰ scheme গতিকে Minority Department ৰ under ত পৰে। construction টো মোৰ অধীনত নপৰে। এইটো MSDP য়ে কৰিছিল, Minority Department য়ে reply দিব লাগে। আপুনি যিহেতু কৈছে মই Minority Department ৰ পৰা উত্তৰটো আনি নিদিষ্ট সময়ৰ ভিতৰত উত্তৰটো দিম।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নৰ উত্তৰৰ ক্ষেত্ৰত বহুতো খেলিমেলি হৈছে। কোন মন্ত্ৰীয়ে উত্তৰ দিব লাগে চাব লাগে। ভুল হলে মন্ত্ৰীয়ে উত্তৰ দিয়াত অসুবিধা হয়।

লগতে মই এটা কথা মন্ত্ৰী মহোদয়ক কম, পুলিগাঁৱৰ এটা ITI ৰ ৮০ শতাংশ হৈ গৈছে বাকী খিনি ৬ মাহৰ পৰা কাম বন্ধ হৈ আছে। এইটো আপুনি চাই দিলে ভাল হয়।

(Hon'ble Speaker on the Chair)

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (SEED Minister) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ITI MSDP ৰ পৰা বনাই, আমাৰ কিছুমান ITI PWD ৰ পৰাও বনাই আৰু আমিও কিছুমান বনাও। Construction টো তিনিটা বিভাগৰ পৰা চলে Skill Development, PWD & Minority এতিয়া চলি থকা construction. সেই কাৰণে Construction ৰ গোটেইকেইটাৰ এতিয়া মই দিব নোৱাৰিম। Functioning টো মোৰ। চলি থকা ITI ৰ কিবা প্ৰশ্ন আহিলে মোৰ তাত আহিব। তথাপিতো handover কৰিলে আমাৰ তাত আহিব। এইখিনি এতিয়া Construction ৰ ষ্টেজত আছে।

**মাননীয় অধ্যক্ষ ঃ** Item No. 7 মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানিক লে' কৰিবৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয়া বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২২ চনৰ ৭ মাৰ্চৰ পৰা ২০২২ চনৰ ২৯ জুলাই তাৰিখলৈ সৰ্বমুঠ ২৯ খন অসাধাৰণ ৰাজপত্ৰ আধিসূচনা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 8 মাননীয় মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয়া বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া Sixth Assam State Finance Commission (2020-25), Vol.- I, II & III along with Explanatory Memorandum on the Action Taken on the Recommendation of the Sixth Assam State Finance Commission, Government of Assam প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 9. মাননীয় মন্ত্ৰী ডাঙৰীয়া। এইটো লে' কৰিবৰ কাৰণে কৈছো।

**শ্ৰীউৰ্খাও গৌৰা ব্ৰহ্ম (মন্ত্ৰী হস্ততাঁত আৰু বস্ত্ৰ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৯৯-২০০০ ৰ পৰা ২০০৫-২০০৬ চনলৈ Separate Audit Report of Comtroller and Auditor General of India on the Accounts of the Assam Khadi Village Industries Board ৰ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 10. Hon'ble Miniter.

**শ্ৰীউৰ্খাও গৌৰা ব্ৰহ্ম (মন্ত্ৰী হস্ততাঁত আৰু বস্ত্ৰ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০০৬-২০০৭ ৰ পৰা ২০১৩-২০১৪ চনলৈ Separate Audit Report on the Accounts of the Assam Khadi Village Industries Board খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 11. Hon'ble Agriculture Miniter.

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০০৪-২০০৫ বৰ্ষৰ পৰা ২০০৭--২০০৮, ২০১১-১২, ২০১২-১৩, ২০১৩-১৪ বৰ্ষৰ পৰা ২০১৬-১৭ বৰ্ষলৈ Separate Audit Report on the Accounts of the Assam Agricultural University, যোৰহাটৰ মুঠ ১০ খন প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 12. Hon'ble Irrigation Miniter.

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, জলসিঞ্চন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Ground Water Control and Regulation Rules, 2022, Govt. of Assam, dtd. 18th May, 2022. খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 13. Hon'ble Urban Miniter.

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Urban Administrative Service Rules, 2022, The Assam Urban Engineering Service Rules, 2022, and the Assam Urban Financial Service Rules, 2022, Govt. of Assam মুঠ তিনিখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 14.. Hon'ble Finance Miniter.

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয়া বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম চৰকাৰৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান সমূহৰ আৰু নগৰৰ নিকায় সমূহৰ ২০১৫-১৬, ২০১৬-১৭, ২০১৭-১৮ আৰু ২০১৮-১৯ চনৰ একত্ৰীকৃত হিচাপ পৰীক্ষাৰ প্ৰতিবেদন চাৰিখন সদনত অসম বিদান সভাৰ পবিত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 15. Hon'ble Chairman, Committee on Public

Accounts. লে' কৰি দিয়ক।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমিতিৰ সভাপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৭৩, ১৭৪ আৰু ১৭৫ তম্ প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 16. শ্ৰী বিনোদ হাজৰিকা।

**শ্ৰী বিনোদ হাজৰিকা, (অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ সভাপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ ৫৫ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 17. মাননীয় মন্ত্ৰী শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ এই সদনত প্ৰস্তাৱ কৰিম যে "এই সদনে এতিয়া ২০০৭ চনৰ শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় আইনৰ ১৮ (১) (ড) নম্বৰ ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৩ (তিনি) জন সদস্য শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সাধাৰণ পৰিষদলৈ নিৰ্বাচন কৰিব আৰু উক্ত তিনিজন সদস্যৰ মাজৰ পৰা ধাৰা (১৯) (১) (ট) ৰ অধীনত এজন (১) সদস্য শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিবাহক পৰিষদলৈ নিৰ্বাচন কৰিব।"

**মাননীয় অধ্যক্ষ ঃ** Item No. 18. Hon'ble Education Minister.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিম যে, "এই সদনে এতিয়া ১৯৬৫ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আইনৰ ১৫ (খ) XVII ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ (সাত) জন সদস্য ডিব্ৰুগড় বিশ্ববিদ্যালয় কোৰ্টৰ সদস্য হ'বৰ বাবে নিৰ্বাচন কৰিব।"

**মাননীয় অধ্যক্ষ ঃ** Item No. 19. Hon'ble Education Minister.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিম যে, "এই সদনে এতিয়া ২০১১ চনৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় আইনৰ ১৬ (১) (xvi) নম্বৰ ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ (সাত) জন সদস্য কুমাৰ ভাস্কৰ সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় কোৰ্টৰ সদস্য হৱৰ বাবে নিৰ্বাচন কৰিব।"

**মাননীয় অধ্যক্ষ ঃ** Item No. 20. Hon'ble Education Minister.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিম যে, "এই সদনে এতিয়া ২০১০ চনৰ আসাম ৰাজীৱ গান্ধী ইউনিভাৰচিটি অফ কো-অপাৰেটিভ মেনেজমেণ্ট আইনৰ ২৫ (খ) (২) নম্বৰ ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ২ (দুই) জন সদস্য আসাম ৰাজীৱ গান্ধী ইউনিভাৰচিটি অফ কো-অপাৰেটিভ মেনেজমেণ্ট কোৰ্টৰ সদস্য হৱৰ বাবে নিৰ্বাচন কৰিব।"

**মাননীয় অধ্যক্ষ ঃ** Item No. 21.

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে, ৰাজহুৱা হিচাব সমূহৰ সমিতিৰ সদস্য শ্ৰী জয়ন্ত মল্ল বৰুৱা দেৱ মন্ত্ৰী সভাত অন্তৰ্ভূক্ত

হোৱা হেতুকে ৯ জুন, ২০২২ ইং তাৰিখৰ পৰা আকস্মিকভাৱে খালী হৈ থকা পদটো পূৰণ কৰিবলৈ অসম বিধান সভাৰ প্ৰক্ৰিয়া কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ১৯৪ (৩) ৰ অধীনত একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য সকলৰ মাজৰ পৰা এগৰাকী সদস্যক অসম বিধান সভাৰ ‘ৰাজহুৱা হিচাপ সমূহৰ সমিতি’ ৰ বাকী থকা কাৰ্য্যকালৰ বাবে সদস্য হিচাপে নিৰ্বাচিত কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** Item No. 22. **মাননীয় অধ্যক্ষ ঃ** Item No. 21. শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্ন উপস্থাপন কৰো যে, “ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৪ (৩) অনুসৰি, শ্ৰীমতী নন্দিতা গাৰ্লোচা মন্ত্ৰী পৰিষদত অন্তৰ্ভূক্ত হোৱাত, ২০২১ চনৰ ২৪ মে’ তাৰিখে জাননী নং এল. এ-এচ.চি/ এচ. টি ২/২০২১/০২ জৰিয়তে গঠন হোৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ সমিতিৰ সদস্য পদটো খালী হোৱাত নিয়ম ২৬০ ঘ (১) অনুসৰি উক্ত খালী পদটো একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি উক্ত সমিতিৰ কাৰ্য্যকালৰ বাকী থকা সময়ছোৱা পৰিচালনা কৰিবৰ বাবে এই সদনে সদস্য/ সদস্যা সকলৰ মাজৰ পৰা এগৰাকী সদস্য/ সদস্যা নিৰ্বাচিত কৰিব।”

(যদি প্ৰয়োজন হয় প্ৰধান সচিবে নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে তাৰিখ, সময় আৰু স্থান সম্পৰ্কে জনাব)

**মাননীয় অধ্যক্ষ ঃ** হ’ব। এই নিৰ্বাচনৰ বিষয়ে দিন তাৰিখ আৰু যাৱতীয় ব্যৱস্থাৰ কাৰণে প্ৰধান সচিবে ন’টিফিকেশ্যন দিব। এতিয়া মাননীয় বিত্তমন্ত্ৰী মহোদয়াই ২০২২-২০২৩ বৰ্ষৰ বাবে পৰিপূৰক দাবী আৰু মঞ্জুৰী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত উপস্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয়া মন্ত্ৰী, বিত্ত ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২২-২৩ চনৰ বাবে পৰিপূৰক দাবী মঞ্জুৰী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা সদনত উপস্থাপন কৰিলো।

**কাৰ্য্যসূচী নং-২৪।**

**মাননীয় অধ্যক্ষ ঃ** "The Assam Motor Vehicles Taxation (Amendment) Bill, 2022", ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২২ চনৰ ৩ আগষ্ট তাৰিখত এটা বাণী পঠিয়াইছে। বাণীটো হ’ল-Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of "The Assam Motor Vehicles Taxation (Amendment) Bill, 2022" the Assam Legislative Assembly.

বিধেয়কখন উত্থাপন কৰিবলৈ মাননীয় সদনৰ অনুমতি বিচাৰিছো।

**(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, পৰিবহন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Motor Vehicles Taxation (Amendment) Bill, 2022" সদনত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদনৰ অনুমতি আছে নে?

**(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক "The Assam Motor Vehicles Taxation (Amendment) Bill, 2022" সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, পৰিবহন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Motor Vehicles Taxation (Amendment) Bill, 2022" সদনত উত্থাপন কৰি লো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিব মহোদয়ে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল- "The Assam Motor Vehicles Taxation (Amendment) Bill, 2022".

**কাৰ্য্যসূচী নং-২৫।**

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অশোক সিংহল (মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ক "দ্যা আসাম মিউনিচিপাল (এমেণ্ডমেণ্ট) বিল, ২০২২" সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, " দ্যা আসাম মিউনিচিপাল (এমেণ্ডমেণ্ট) বিল, ২০২২" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদনৰ অনুমতি আছেনে?

**(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিব মহোদয়ে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল-দ্যা আসাম মিউনিচিপাল (এমেণ্ডমেণ্ট) বিল, ২০২২।"

**কাৰ্য্যসূচী নং-২৬।**

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অশোক সিংহল (মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ক "দ্যা আসাম মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, " দ্যা আসাম মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদনৰ অনুমতি আছেনে?

**(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিব মহোদয়ে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল-"দ্যা আসাম মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২।"

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত মই অলপ ক'ব বিচাৰিছো। মই বুজিছো যে "দ্যা আসাম মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, অহাৰ লগে লগে আগৰ যিখিনি বিল আছিল অৰ্থাৎ প্ৰিঞ্চিপাল এক্ট ১৯৫৬ আৰু ১৯৬৯ ৰ অধীনত যিখন বিল আছিল সেইখিনি null and void হৈ যাব। তাত লিখা হৈছে যে ৫ বছৰ পিছতহে যিখিনি ৱাৰ্ড কমিশ্যনাৰ আছে তেওঁলোক কাউঞ্চিলাৰ হ'ব। মই অনুৰোধ কৰিম যে বিলখন পাচ হোৱাৰ লগে লগে যাতে ছয় মাহৰ ভিতৰত আমি নিৰ্বাচন পাতিব পাৰো। দ্বিতীয়তে আমাৰ যিখিনি বাজেট পাচ হৈছে বা আমাৰ যিখিনি লাইচেঞ্চ আছে সেইখিনি যাতে ব্যৱহাৰ হয়। শিলচৰ মিউনিচিপালিটি কৰ্পোৰেশ্যনৰ বাৰৰ এচেচমেণ্ট হৈছে। কিন্তু এতিয়া টেক্স লগোৱাৰ পিছত বিল বহুত বাঢ়িছে। যিটো ৫ শ টকা আছিল এতিয়া ১০ হাজাৰ টকা হৈছে। এইক্ষেত্ৰত মন্ত্ৰীমহোদয়ক এটা ৰি-এচেচমেণ্ট কৰিবৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** আজি বিলসমূহ উত্থাপন কৰা হৈছে। যেতিয়া বিলসমূহৰ আলোচনা হ'ব তেতিয়া আপোনালোকে এই পইণ্টবোৰ ৰাখিব পাৰিব। এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল-"দ্যা আসাম মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২২।"

<u>কাৰ্য্যসূচী নং</u>-২৭।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অশোক সিংহল (মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ক "দ্যা আসাম এৰিয়েল ৰোপৱেজ বিল, ২০২২" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল (মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম এৰিয়েল ৰোপৱেজ বিল, ২০২২" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদনৰ অনুমতি আছেনে ?

**(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিব মহোদয়ে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল-"দ্যা আসাম এৰিয়েল ৰোপৱেজ বিল, ২০২২।"

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত মই অলপ ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আজি বিলসমূহ ইণ্ট্ৰডিউচ কৰা হৈছে। আপুনি প্ৰশ্ন কৰিলে ইয়াৰ ওপৰত জবাব দিব লাগিব। বিধান সভা এটা নিয়মৰ মাজেৰে পৰিচালিত হয়। বিধান সভাৰ নিয়মৱলীৰ মাজেৰে মই বিধান সভাখন চলাই আছো। মোৰ ইয়াত ব্যক্তিগত কথা একো নাই। মই এই স্থানত থাকি কাৰো লগত কাজিয়া কৰিব নোৱাৰো, নিয়মৰ কথাহে ক'ব পাৰো। বিল ইণ্ট্ৰোডাকশ্যনত এমেণ্ডমেণ্ট নাথাকে। কিন্তু যদি কেতিয়াবা বিলখনক যদি ইণ্ট্ৰডিউচেই কৰিব নিদিয়ে তেতিয়া এনেকুৱা ধৰণৰ এটা পৰিস্থিতি আহি পৰিব। সেয়েহে মই আপোনাক কৈছো আপুনি যদি বিলখন উত্থাপনৰ ক্ষেত্ৰত বাধা দিব বিচাৰে তেতিয়া আমি ভোটিং লৈ ইণ্ট্ৰডিউচ কৰিব লাগিব। আমাৰ সংস্কৃতিটো এনেকুৱা। আপুনি যিখিনি এমেণ্ডমেণ্ট বিচাৰিছে সেইখিনি ইণ্ট্ৰোডাকশ্যনৰ দিনাখন

কৰা নহয়। যিদিনাখন ইয়াৰ ওপৰত আলোচনা কৰা হ'ব, আপুনি গোটেই পইণ্টসমূহ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিব পাৰিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনত ভুল আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈছে বিলখনত ভুল আছে। যিদিনাখন বিলৰ ওপৰত আলোচনা কৰা হ'ব সেইদিনাখন আপুনি বিলখনৰ ওপৰত এমেণ্ডমেণ্ট আনিব পাৰিব। এইটোহে আমাৰ বিধান সভাৰ সংস্কৃতি। ইণ্ট্ৰোডাকশ্যনৰ পিছত একো কৰিব নোৱাৰে। যদি বিশেষ কোনো কাৰণত আপুনি বিলখন সমৰ্থন কৰিব নোৱাৰে তেতিয়া বিলখন ইণ্ট্ৰোডিউচ কৰিব নোৱাৰে। যদি ইণ্ট্ৰোডিউচ হয় ইয়াৰ ওপৰত বিবেচনা হ'ব।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত তিনিটা ষ্টেজ আছে। Introduce, Consideration and Passing । আমি যদি ইণ্ট্ৰোডাকশ্যনত বিলখনৰ বিৰোধিতা কৰো তেতিয়া আমি ক'ব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** তেতিয়া ক'ব পাৰে।

এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল-"দ্যা আসাম এৰিয়েল ৰোপৱেজ বিল, ২০২২।"

**মাননীয় অধ্যক্ষঃ** Item No. 28.

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক 'The Assam Unified Metropolitan Transport Authority Bill, 2022' বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Unified Metropolitan Transport Authority Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা - 'The Assam Unified Metropolitan Transport Authority Bill, 2022'

**মাননীয় অধ্যক্ষঃ** Item No. 29.

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক 'The Guwahati Municipal Corporation (Amendment) Bill, 2022' সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Guwahati Municipal Corporation (Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা -'The Guwahati Municipal Corporation (Amendment) Bill, 2022'.

**মাননীয় অধ্যক্ষঃ** Item No. 30.

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022' সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022'সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা - 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 2022'

**মাননীয় অধ্যক্ষঃ** Item No. 31.

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক 'The Guwahati Building Construction (Regulation) (Amendment) Bill, 2022' সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Guwahati Building Construction (Regulation) (Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা - 'The Guwahati Building Construction (Regulation) (Amendment) Bill, 2022'.

**মাননীয় অধ্যক্ষঃ** Item No. 32.

এতিয়া মই মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীক "The Assam Town and Country Planning (Amendment) Bill, 2022' বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Town and Country Planning (Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা - 'The Assam Town and Country Planning (Amendment) Bill, 2022'

**মাননীয় অধ্যক্ষঃ** Item No. 33.

এতিয়া মই মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী ডাঙৰীয়াক 'The Assam Land and Revenue Regulation (Amendment) Bill, 2022' সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Land and Revenue Regulation (Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা - 'The Assam Land and Revenue Regulation (Amendment) Bill, 2022'.

**মাননীয় অধ্যক্ষঃ** Item No. 34.

ৰাজভৱনৰ পৰা অসমৰ ৰাজ্যপাল মহোদয়ে ০১-০৯-২০২২ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Taxation (On Specified Lands) (Amendment) Bill, 2022' in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক 'The Assam Taxation (On Specified Lands) (Amendment) Bill, 2022' সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, মাননীয় বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Taxation (On Specified Lands) (Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা - 'The Assam Taxation (On Specified Lands) (Amendment) Bill, 2022'.

**মাননীয় অধ্যক্ষঃ** Item No. 35.

ৰাজভৱনৰ পৰা অসমৰ ৰাজ্যপাল মহোদয়ে ০১-০৯-২০২২ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Goods and Services Tax (Amendment) Bill, 2022' in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক 'The Assam Goods and Services Tax (Amendment) Bill, 2022' বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, মাননীয় বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Goods and Services Tax (Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা - 'The Assam Goods and Services Tax (Amendment) Bill, 2022'.

**মাননীয় অধ্যক্ষঃ** Item No. 36.

ৰাজভৱনৰ পৰা অসমৰ ৰাজ্যপাল মহোদয়ে ০৯-০৯-২০২২ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Appropriation Acts (Repeal) Bill, 2022' in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ‘The Assam Appropriation Acts (Repeal) Bill, 2022’ বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয় বিত্ত মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই ‘The Assam Appropriation Acts (Repeal) Bill, 2022’ সদনত উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে ১৯৫০ চনৰ পৰা ২০১৮ চনলৈকে ২৮৯ খন Appropriation Bill ইয়াৰ জৰিয়তে repeal কৰিব বিচৰা হৈছে। প্ৰত্যেক বছৰে যিবোৰ Repealing Bill এই পৱিত্ৰ সদনে পাছ কৰিছিল, তাত যিমান টকাৰ বাজেট ধাৰ্য্য কৰা হৈছিল বা খৰচ হ'ল তাৰ হিচাপ-নিকাচ সকলো হৈ গ'ল। গতিকে, এইখিনি repeal নকৰাকৈ নতুনকৈ ....(Interruptions)....

**মাননীয় অধ্যক্ষঃ** এইবোৰ কথা আপুনি বিধেয়কখনৰ আলোচনাৰ সময়ত ক'ব। এতিয়া introduction ৰ সময়ত আলোচনা কৰিলে কেনেকৈ হ'ব?

এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা - ‘The Assam Appropriation Acts (Repeal) Bill, 2022’**.**

**মাননীয় অধ্যক্ষঃ** Item No. 37.

ৰাজভৱনৰ পৰা অসমৰ ৰাজ্যপাল মহোদয়ে ০৯-০৯-২০২২ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of ‘The Assam Contingency Fund Acts (Repeal) Bill, 2022’ in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ‘The Assam Contingency Fund Acts (Repeal) Bill, 2022’ সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয় বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ‘The Assam Contingency Fund Acts (Repeal) Bill, 2022’ সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা - ‘The Assam Contingency Fund Acts (Repeal) Bill, 2022’.

**মাননীয় অধ্যক্ষঃ** Item No. 38.

ৰাজভৱনৰ পৰা অসমৰ ৰাজ্যপাল মহোদয়ে ০৯-০৯-২০২২ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of ‘The Society Registration (Assam Amendment) Bill, 2022’ in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ‘The Society Registration (Assam Amendment) Bill, 2022’ বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয় বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Society Registration (Assam Amendment) Bill, 2022' সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা -'The Society Registration (Assam Amendment) Bill, 2022'.

মাননীয় অধ্যক্ষঃ **The House is adjourned till 09:30 A.M. of 13-09-2022.**